# বিজয়ী

ড০ দীপক মজুমদাৰ

অংশুমান প্ৰকাশন
গুৱাহাটী

**BIJAYEE** : An Assamese Novel written by Dr. Deepak Majumdar and Published by M/S Angshuman Prakashan, New Sarania, Guwahati - 3

# বিজয়ী

লিখক ঃ
ড° দীপক মজুমদাৰ

প্ৰকাশক ঃ
অংশুমান প্ৰকাশন
নতুন শৰণীয়া, গুৱাহাটী - ৭৮১০০৩

প্ৰথম প্ৰকাশ ঃ
নৱেম্বৰ, ২০০৬

মুদ্ৰক ঃ
কুনাল কম্পিউটাৰ প্ৰিণ্টাৰ্ছ
পাঠশালা

মূল্য ঃ
বিশ টকা

## এই একে লিখকৰে ঃ

- শংকা আশংকা আৰু মৃত্যু
- নিচান
- ৰক্তিম ৰত্ন
- আক্ৰোশ
- সোণালী পৰশ
- শিখৰৰ ৰাজকন্যা
- শৰাইঘাট
- গধূলি লগ্ন

কাহিনীটো লিখিছিলো কেইবা বছৰ মান আগতে। এখন অধুনালুপ্ত আলোচনীত প্ৰথম খণ্ডটো প্ৰকাশো হৈছিল। আলোচনীখনৰ অপমৃত্যু হোৱা বাবে শেষাংশ তেনেকৈয়ে থাকি গৈছিল। এতিয়া গ্ৰন্থাকাৰে প্ৰকাশ হওঁতেও ক'তো হাত ফুৰোৱা নহ'ল। কাহিনীটো লিখিছিলো ১৫/১৬ বছৰীয়া যুৱ চামটোৰ বাবে। এডভেঞ্চাৰৰ পটভূমি এটাত কল্পনাৰ ৰহন সানিছিলো। কি ৰূপ ল'লে তাৰ বিচৰাৰ ভাৰ পাঠক সকলৰ হাতত এৰি দিলো।

**ড০ দীপক মজুমদাৰ**

১ নৱেম্বৰ, ২০০৬

শ-শ বছৰৰ আগৰ কথা।

পুহ মাহ।

বৃহস্পতি বাৰ।

সময় তেতিয়া প্ৰাতঃকাল।

ডাঠ কুঁৱলীৰ আবৰণে ঠেক পথটো তেতিয়াওঁ ধূসৰ কৰি ৰাখিছে। এহাত দূৰৈৰ পৃথিৱীখনো ভালকৈ নমনি। তথাপিও পঞ্চাশ বছৰীয়া আটিল দেহৰ গৰাকী চিত্ৰসেনে খৰকৈ খোজ দি আহি আছে।

চিত্ৰসেনৰ পিন্ধনত শুভ্ৰ ধুতি এখন। শৰীৰত ডাঠ চাদৰ এখন। ভৰিত পাদুকা এযোৰ। পাদুকাযোৰে কোমল মাটিৰ লুংলুঙীয়া ঠেক পথটোত চিন থৈ গৈছে।

চিত্ৰসেনে যিটো পথেৰে আহি আছে সেই পথটো ৰূপহীজান নদীৰ পাৰে-পাৰে আহি ৰূপহীনগৰত সোমাইছে। ৰূপহীনগৰৰ যিটো অংশত ৰাজউদ্যান আৰু ৰূপহীজানৰ ঘাট অৱস্থিত , ঠিক সেইখিনিতে এই লুংলুঙীয়া পথটো শেষ হৈছে। ৰাজউদ্যানখনৰ শেষ মূৰৰ পৰা ৰাজআলিটো আৰম্ভ হৈছে। পোন ৰাজআলিটোৰ দুয়োকাষে প্ৰাসাদোপম ঘৰবোৰৰ লানি নিছিগা শাৰীবোৰ আৰম্ভ হৈছে। ৰাজআলিটো এটাসময়ত বাওঁহাতে ঘূৰি ৰাজঅট্টালিকালৈ গৈছে। ইটো ফাল সোঁফালে ঘূৰি দুটা বাট লৈছে। এটা বাট নগৰৰ আন অংশলৈ গৈছে। আনটো বাট দেশান্তৰলৈ গৈছে।

চিত্ৰসেন আহি আহি ৰূপহী ঘাট পালেহি। কুঁৱলীৰ গাঢ়তা এতিয়া কিছু পাতলিছে। ঘাটটো পিছে তেতিয়াও জনশূণ্য। অৱশ্যে শীতৰ এই কাহিলি পুৱাতে ঘাটত কাৰোবাক দেখা পাব বুলি চিত্ৰসেনে আশাও কৰা নাছিল।

ঘাটত তেতিয়া তিনিখন নৌকা বান্ধি থোৱা আছিল। দুখন মজলীয়া আকাৰৰ। এখন পিছে বেছ ডাঙৰ। টিঙত ৰূপহীনগৰৰ মহাৰাজ ৰত্নসিংহৰ পতাকাখন উৰি আছে। মহাৰাজ ৰত্নসিংহ তেন্তে সঁচাকৈয়ে আজি ভটিয়াই শোণিতপুৰলৈ যাব!! যোৱাকালিতে ৰাজউদ্যানত চিত্ৰসেনে কথাষাৰ শুনিছিল। মহাৰাজ ৰত্নসিংহৰ একমাত্ৰ পুত্ৰ ঊনৈশ বছৰীয়া সূৰ্য্যসিংহ বিদ্যাশিক্ষা সাং কৰি শোণিতপুৰত উপস্থিত হৈছে। সেয়েহে মহাৰাজ ৰত্নসিংহ ৰাজকুমাৰক আগবঢ়াই আনিবলৈ শোণিতপুৰলৈ যাব।

কথাষাৰ ভাবি চিত্ৰসেনৰ বুকুখনত পোৰণি এটা উঠিল। চিত্ৰসেনৰ এই যন্ত্ৰণাৰ অতীত বেছ দীঘলীয়া। ত্ৰিশ বছৰ হৈছে চিত্ৰসেনৰ বিবাহ হোৱাৰ।

প্ৰথম দুবছৰ একো দুখ হোৱা নাছিল চিত্ৰসেনৰ নিঃসন্তান হৈ থাকিবলৈ , কিন্তু ক্ৰমে এই অপ্ৰকাশিত বেদনা বৰ পীড়াদায়ক হৈ আহিব ধৰিলে।

চিত্ৰসেনে জানে এই যন্ত্ৰণাৰ উপশম নাই। তথাপি এতিয়াও চিত্ৰসেনে মাজে মাজে আশা কৰে ৰাধিকাৰ কোলালৈ কণমানি শিশু এটা আহিব।

চিত্ৰসেনৰ চিন্তাত যতি পৰিল।

চিত্ৰসেনৰ ভাব হ'ল ৰূপহীঘাটৰ পকী চিৰিয়েদি যেন কোনোবা এজন উঠি আহিছে। মূৰ্তিতো তেতিয়াও স্পষ্ট হোৱা নাই। অৱয়বটো চাই চিত্ৰসেনৰ অনুভৱ হ'ল এইয়া কোনোবা পুৰুষৰ অৱয়ব।

' কোন?' চিত্ৰসেনে সুধি পেলালে।

মূৰ্তিটো আৰু কেইঢাপমান আগুৱাই আহিল। চিত্ৰসেনে মন কৰিলে জৰাজীৰ্ণ চেহেৰাৰ পুৰুষ এজন , শৰীৰত শতছিন্ন মলিয়ন বস্ত্ৰ এখন। পুৰুষজনে চিত্ৰসেনৰ ওচৰ চাপি আহি কৰযোৰে নমস্কাৰ কৰি ক'লে , ' মই জয়পাল।'

' কোন জয়পাল? মই চিনি পোৱা নাই।'

' মই উদ্যানৰ দক্ষিণ মূৰত থকা কোঠাটোত আজি দুদিনমানৰ পৰা আছোহি। উদ্যানৰখীয়া বীৰবাহুৱে অচিনাকি বিদেশী বুলি জানিও তাতেই দুদিনমানলৈ বুলি যাত্ৰাৰ ভাগৰ পলুৱাবলৈ ব্যৱস্থা কৰি দিছিল। উদ্যান পালক হিচাবে আপোনাৰ পৰা অনুমতিও লৈছিল হেনো।'

' অ।' চিত্ৰসেনে সহাঁৰি দিলে।

বীৰবাহুৱে অৱশ্যে কৈছিল তেওঁক। চিত্ৰসেনৰ মনত পৰিল। চিত্ৰসেনে এইবাৰ সুধিলে , ' আপুনি ভাটীৰ ফালৰ পৰা আহিছে হবলা?'

' হয়, কনৌজৰ পৰা।'

' ক'লৈ যাব আপুনি?' চিত্ৰসেনে সুধিলে।

' যাম পূৰলৈ। পূৰত বাৰভূএঁাসকলে যে নতুনকৈ এখন ৰাজ্য পাতিছে , আগেয়ে য'ত কুন্দিল ৰাজ্যখন আছিল, তালৈকে যাম বুলি আহিছিলো , কিন্তু......'

' কওঁক।'

' মোৰ কুটীৰলৈকে ব'লক। এখন্তেক আপুনিও জিৰণি ল'ব পাৰিব। তাতে কথাও হ'ব পাৰিম।'

' বলক তেন্তে।' চিত্ৰসেনে ক'লে।

চিত্ৰসেন যেন এজন সন্মোহিত ব্যক্তি। এখন্তেকৰ চিনাকিতে মোহাবিষ্ট হৈ অনৰ্গল কথা পাতি যোৱা জয়পালৰ সৈতে খোজদি যাওঁতে শুনি গ'ল কথাবোৰ। চিত্ৰসেনে উপলব্ধি কৰিলে এইসময়ত তেওঁ জয়পালৰ কথাবোৰ শুনি যোৱাৰ বাহিৰে অন্য আৰু গত্যন্তৰো নাই।

' মই কনৌজৰ এজন দুখীয়া ব্ৰাহ্মণ। পৰিয়াল বুলিবলৈ মোৰ পত্নী আৰু একমাত্ৰ জীয়ৰী ৰূপাঞ্জলী। মোৰ গুৰুদেৱ হ'ল মহাজ্ঞানী আচাৰ্য্য গৌৰীশংকৰ। মই যি সময়ৰ কথা কৈছো সেই সময়ত তেওঁৰ বয়স হৈছিল চাৰিকুৰি বছৰ। আমি বুজিছিলো গুৰুদেৱৰ বয়স টুটি আহিছে বুলি।

এদিন প্ৰাতঃকালতে গুৰুদেৱে মোক মাতি পঠিয়ালে। মই যোৱাত তেওঁ ক'লে পূৱদেশৰ কামৰূপত এজন তেজস্বীলোকৰ আবিৰ্ভাৱ হ'ব। তেওঁ বিষ্ণুৰ অৱতাৰ হ'ব। বাৰভূঞাঁসকলৰ মাজতে তেওঁৰ আৰ্বিভাৱ হ'ব। মই সুধিছিলো গুৰুদেৱক কেতিয়া আবিৰ্ভাৱ হ'ব মহাপুৰুষজনাৰ। গুৰুদেৱে পিছে সময়টো নক'লে। গহীনাই মাথো ক'লে মই যাতে পূৱদেশলৈ যাত্ৰা কৰো আৰু সকলোকে একত্ৰিত কৰি অনাগত মহাকাললৈ বুলি সাজু হ'বলৈ সৰ্তক কৰি দিওঁ। সেই উদ্দেশ্যেৰে মই ইমানদূৰ বাটকুৰি বাই আহিলোঁ।

বাটতে মোৰ পত্নী অচিন ৰোগত ঢুকাল। এতিয়া লগত আছে মোৰ একমাত্ৰ জীয়ৰী ষোল্ল বছৰীয়া ৰূপাঞ্জলী। মোৰ যাত্ৰাৰো অন্ত পৰা নাই। ক'ব নোৱাৰো বাৰভূঞাঁসকলক পূৱৰ সীমাতে পাম নে পুনৰ কামৰূপলৈ উভতি আহিব লাগিব। এই সময়ত মোৰ ৰূপাঞ্জলী আইদেউৰ সদ্গতি এটা লগাব পাৰিলেই মোৰ শান্তি।'

চিত্ৰসেনে মাথো শুনি গ'ল।

চিত্ৰসেনে দেখিলে দূৰৈৰ কুটীৰটো। কুটীৰৰ সন্মুখত পাটগাভৰু এগৰাকী আপোনমনে বহি আছে। কিবা গুণগুণাই আছে হবলা, চিত্ৰসেনে অনুমান কৰিলে।

' মোৰ জীয়ৰী সেয়া।'

' গম পাইছো।'

' ৰূপাঞ্জলী আইদেউৰ সদ্গতি এটা লগাব পাৰিলেই......'

জয়পালৰ কথাৰ মাজতে চিত্ৰসেনে হঠাতে ক'লে ' মই এটা কথা সুধিব খুজিছো।'

' সোধক।'

‘ মই নিঃসন্তান। সংসাৰ বুলিবলৈ মোৰ মাত্ৰ পত্নীহে আছে। আপুনি যদি সন্মতি দিয়ে আপোনাৰ জীয়ৰীজনী মোৰ ঘৰতে থৈ যাব পাৰে। পিতৃস্নেহেৰে মই আবৰি ৰাখিম ৰূপাঞ্জলীক। আপুনি পূৰৰ পৰা উভতি আহিলে লৈ যাব পাৰিব ৰূপাঞ্জলীক।’

জয়পালে চিত্ৰসেনৰ কথাখিনি শুনি ৰৈ গ’ল।

‘ ৰৈ গ’ল যে?’

জয়পালে একো নামাতি নীৰৱে চিত্ৰসেনৰ মুখলৈ চাই ৰ’ল।

‘ আপুনি কান্দিছে?’ চিত্ৰসেনে জয়পালৰ মুখলৈ চাই মাত লগালে।

‘ নাই কন্দা।’ থোকাথুকি মাতেৰে জয়পালে ক’লে। তেওঁ আনন্দতে আঁকোৱালি ল’লে চিত্ৰসেনক। চিত্ৰসেনৰো অন্তৰ থৌকি-বাথৌ হ’ল। জীৱনত এই প্ৰথম বাৰলৈ বুলি খন্তেকৰ বাবে হ’লেও পিতৃত্বৰ ভাৱ এটা উপজিল।

‘ আপুনি মহাত্মা।’

চিত্ৰসেনে একো ন’কলে।

তেওঁৰ দৃষ্টি আঁতৰৰ কুটীৰটোত আৱদ্ধ হৈ আছে।

ৰূপাঞ্জলী! মোহনীয়া নাম!!

মোৰ কেইদিনমানৰ জীয়ৰীৰ নাম। চিত্ৰসেনে ভাবিলে।

**ৰা**ধিকাৰ বয়স এতিয়া দুকুৰি পাচঁ বছৰ। বয়সৰ আঁচোৰ পিছে এতিয়াও শৰীৰত পৰা নাই। শৰীৰত এতিয়াও কুৰি বছৰীয়া গাভৰুৰ বল।

সেইদেখিয়েই হ’বলা ৰাধিকাৰ প্ৰাণ চাঞ্চল্য এতিয়াও ওপচি আছে। ৰাধিকাই গুণ গুণাই গীত এটা গাই আছে। মহৰ শিঙৰ ফণীখনেৰে ৰূপাঞ্জলীৰ কঁকাললৈ বৈ পৰা চুলিকোচা ফণীয়াই ৰাধিকাই যেন এক পৰম তৃপ্তি অনুভৱ কৰিছে।

সেই তৃপ্তিৰ কাৰণ কি ৰাধিকাই কাকো বুজাব নোৱাৰে। চিত্ৰসেনক অৱশ্যে বুজাব নালাগে। সুদীৰ্ঘ ত্ৰিছ বছৰীয়া বৈবাহিক জীৱনত দুয়ো এই প্ৰথম বাৰ এক অবৰ্ণনীয় শান্তি পাইছে।

প্ৰথম দুদিন অৱশ্যে বেছ অশান্তিৰে পাৰ হৈছিল। নগৰৰ চিনাকি বহুতকেই পুনঃ পুনঃ ৰূপাঞ্জলীৰ কাহিনী ক’বলগীয়া হৈছিল।

ৰাধিকাৰ পিছে দায়িত্ব আৰু বাঢ়িছিল। প্ৰথমদিনা ৰূপাঞ্জলীক প্ৰতিটো

ক্ষণতে ৰাধিকাই আবৰি ৰাখিব লগীয়া হৈছিল। জয়পাল গুছি যোৱাৰ বেছ কিছুপৰ ৰূপাঞ্জলীয়ে কান্দিছিল। তাৰপিছতেই অতি কম সয়মৰ ভিতৰতে ৰূপাঞ্জলী সহজ হৈ পৰিছিল।

হঠাতে ৰাধিকাই গুণ গুণুৱা বন্ধ কৰি মাত লগালে, ' ৰূপাঞ্জলী!'

ৰূপাঞ্জলীয়ে উভতি চালে।

' কেনেকুৱা লাগিছে ৰূপহীনগৰ?'

' ভাল। খুব ভাল।'

' আৰু আমাৰ এই ঘৰটো?'

' বৰ সুন্দৰ।'

' আৰু আমাক?'

ৰূপাঞ্জলীয়ে হাঁহিলে। ৰাধিকায়ো।

' সাঁজ লাগিব এতিয়া। ৰূপহীজানৰ পাৰতে জুৰ বতাহ ল'গৈ। ময়ো গৈ আছো।'

ৰূপাঞ্জলীৰ ঠাইখিনিৰ পৰিবেশ বৰ ভাল লাগিছিল। তাই ঘৰৰ পৰা ওলাই ৰূপহীজান নদীৰ পাৰৰ কঁহুৱা বননি উঁৰাৰ মাজে-মাজে এখুজি দুখুজিকৈ আগবাঢ়ি গ'ল। ৰূপাঞ্জলীয়ে নিজৰ অলক্ষিতে কিমান দূৰ আগবাঢ়ি গ'ল গমেই নাপালে আৰু এটা সময়ত সেয়েহে ৰূপাঞ্জলী চক খাই উঠিল। তাই উভতি চালে। ঘৰটো বহু দূৰৈত এৰি থৈ আহিছে অস্পষ্টকৈহে দেখি ঘৰটো। ৰূপাঞ্জলীয়ে এইবাৰ চাৰিওফালে চালে। আঁতৰত ৰূপহীজান নৈখন। পথটো দুভাগত ভাগ হৈছে। এটা ভাগ বাওঁ ফালে ঘূৰি দূৰৈৰ পশ্চিমৰ পাহাৰ এখনলৈ গৈছে। আনটো বাট পোন, ৰূপহীজানৰ সমান্তৰাল।

ৰূপাঞ্জলীয়ে উভতি আকৌ ঘৰলৈ বুলি খোজ ল'লে। মাথোঁ দুখোজমানহে আগবাঢ়িছিল তাই। তেনেতেই পিছফালৰ পৰা কোনোবাই মতা শুনিলে, ' আইদেউ!'

ৰূপাঞ্জলীয়ে চক খাই উঠি আকৌ উভতি চালে। পাহাৰলৈ বুলি যোৱা পথটোৰে আদহীয়া মানুহ এজন আহি থকা দেখা পালে ৰূপাঞ্জলীয়ে। তাইক উভতি চোৱা দেখি অচিনাকি মানুহজনে এইবাৰ যথেষ্ট মৰমসনা মাতেৰে সুধিলে, ' তুমিয়েই হবলা আমাৰ চিত্ৰসেনে তুলি লোৱা ৰূপাঞ্জলীজনী?'

ৰূপাঞ্জলীয়ে শলাগিলে।

' মই মাধৱনন্দন। তোমাৰ নতুন দেউতাৰাৰ বাল্যবন্ধু।'

ৰূপাঞ্জলীয়ে সেৱা এটা কৰিলে। বয়স্ক কিন্তু চেহেৰাত আটিল আৰু যথেষ্ট কৰ্মঠ মাধৱনন্দন বোলা মানুহজনে এইবাৰ ক'লে ' ব'লা। তোমাক ঘৰলৈকে আগবঢ়াই থৈ আহো!'

ৰূপাঞ্জলীয়ে নীৰৱে খোজ দিব ধৰিলে।

বৰ অদ্ভুত ৰূপহীনগৰৰ মানুহবোৰ। এই কম সময়ৰ ভিতৰতে ৰূপাঞ্জলীৰ নগৰৰ সকলোকে চিনাকি আৰু আপোন যেন অনুভৱ হৈছিল। তাইৰ সৈতে খোজ মিলাই আহি থকা বয়স্ক মানুহজনো যে ইমান কম সময়ৰ ভিতৰতে নিচেই আপোন হৈ পৰিব সি কল্পনাৰো অগোচৰ আছিল।

' আই ৰূপাঞ্জলী!'

ৰূপাঞ্জলীয়ে তলমুৰ ওপৰ কৰিলে।

হাঁহিলে মানুহজনে। ৰূপাঞ্জলীৰ মুখখনলৈ চাই এইবাৰ মৰমসনা মাতেৰে ক'লে , ' মোক কি বুলি মাতিবা ভাবি ওৰ পোৱা নাই নহয়নে? মই চিত্ৰসেনতকৈ বয়সত দুবছৰ ডাঙৰ। মোক তুমি বৰদেউতা বুলিয়েই মাতিবা। মই ৰাজকৰ্মচাৰী। ৰজাৰ চোৰাংচোৱা।'

ৰূপাঞ্জলীয়ে কৌতুহল অনুভৱ কৰিছিল। তাই অবাক হৈ মাধৱনন্দনলৈ চাই ৰ'ল।

' আমাৰ এই ৰূপহীনগৰ ৰাজ্যখন সৰু।' মাধৱন্দনে লাহে-লাহে খোজ দি কৈ গ'ল ' আমাৰ দক্ষিণে আছে শোণিতপুৰ ৰাজ্য। উত্তৰত আছে পৰ্বতীয়া ৰাজ্য। পূৱত আছে বিশ্বনাথ ৰাজ্য।'

' আৰু পশ্চিমত?' ৰূপাঞ্জলীয়ে শুধিলে।

মাধৱনন্দন হঠাতে বৰ গহীন হৈ গ'ল। হুমুনিয়াহ এটা এৰি তেওঁ ক'বলৈ আৰম্ভ কৰিলে ' পশ্চিমতো ৰাজ্য এখন আছে। আকাৰত পিছে আমাতকৈ ডাঙৰ। কিন্তু আজিৰ পৰা ত্ৰিশ বছৰ আগেয়ে ৰাজ্যখন বেছ সৰু আছিল। আমাৰ মহাৰাজ ৰত্নসিংহই হৰুৱাইছিল তেতিয়াৰ ৰজা বাসৱপালক। সাতবছৰ আগেয়ে বাসৱপাল ঢুকাল। এতিয়া পাল ৰাজ্যৰ ৰজা হৈছে বাসৱপালৰ পুত্ৰ অজিতপাল। বয়স হৈছে তেওঁৰ এতিয়া সাতাইশ বছৰ। ইতিমধ্যেই উত্তৰৰ পৰ্বতীয়া ৰাজ্য কিছুমানক পৰাজিত কৰি তেওঁ নিজৰ ৰাজ্যৰ আকাৰ বঢ়াই আনিছে। হয়তো আমাৰ ৰাজ্যও আক্ৰমণ কৰিবলৈ ঠিৰাং কৰিছে। আনহাতে.......'

আকৌ ৰৈ গ'ল মাধৱনন্দন।

'আনহাতে কি বৰদেউতা?' ৰূপাঞ্জলীৰ কথাবোৰ শুনি ভাল লাগিছিল। তাইৰ কৌতুলহ ক্ৰমশঃ বাঢ়ি আহিছিল।

'শোণিতপুৰৰ মহাৰাজ জয়চন্দ্ৰৰ জীয়ৰী এজনী আছে। নাম উত্তৰা। দীপলিপ সুন্দৰী। তোমাৰ দৰেই দেখাত , গুণতো গুণৱতী। সেই ৰাজকুমাৰী উত্তৰাকে অজিতপালে বিবাহ কৰিব ওলাইছে। আমাৰ মহাৰাজ ৰত্নসিংহয়ো আশা কৰে উত্তৰাক একমাত্ৰ পুত্ৰ সূৰ্য্যসিংহৰ পত্নী হিচাবে পাবলৈ। এইলৈয়ে আমাৰ দুয়োখন ৰাজ্যৰ মাজত এতিয়া অৰিয়াঅৰি আৰম্ভ হৈছে। উত্তৰাৰ যাৰ লগত বিবাহ হ'ব তেওঁ আনজনৰ তুলনাত বেছ বিক্ৰমশালী হ'ব। যুদ্ধ হ'লেও মহাৰাজ জয়চন্দ্ৰৰ সহায় সাৰথি পাব। গতিকে দুয়োজনে আপ্ৰাণ চেষ্টা কৰিছে শোণিতপুৰৰ লগত সম্বন্ধ এটা গঢ়িবলৈ। আমাৰ ৰাজকোঁৱৰ সূৰ্য্যসিংহ প্ৰাগজ্যোতিষপুৰ নগৰৰ পৰা বিদ্যাশিক্ষা সাং কৰি শোণিতপুৰ পাইছেহি। মহাৰাজ ৰত্নসিংহও এই সুযোগতে শোণিতপুৰলৈ ঢাপলি মেলিছে। অহাকালি উভতি আহিব মহাৰাজ , লগত আনিব সু-সংবাদ অথবা দু-সংবাদ।'

মাধৱনন্দনে এইবাৰ দীঘলকৈ উশাহ ল'লে।

'ঘৰ পালোহি।' ৰূপাঞ্জলীয়ে ক'লে।

'তোমাৰ মা আৰু দেউতাৰো বৈ আছে পদুলিত।'

খন্তেক পিছতে দুয়ো পদুলিমুখ পালেহি। চিত্ৰসেনে মাধৱনন্দনক আঁকোৱালি ধৰিলে।

'বহুদিনৰ মূৰকত আকৌ লগ হ'লো আমি।'

'অ।' চিত্ৰসেনে সঁহাৰি দি সুধিলে 'তুমি পিছে ক'ৰ পৰা আহিলা?'

'পৰ্বতপুৰলৈ গৈছিলোঁ। মহাৰাজে পঠিয়াইছিল। আজিহে উভতিছো। বাটতে কমাৰগাওঁত জিৰাওতে শুনিলো তুমি ৰূপাঞ্জলী আইদেউক তুলি লোৱাৰ কথা। বাটতে দেখিয়েই চিনি পালো তোমাৰ জীয়ৰীক।' কথাখিনি কৈ মাধৱনন্দনে হঠাতে সুধিলে , 'নগৰৰ খবৰ কি?'

'ভাল। উখল-মাখল লাগিছে।'

'কিয়?'

'মহাৰাজ হেনো আজি গধূলি ৰূপহীঘাট পাবহি।'

'আজি?' মাধৱনন্দন যেন আঁচৰিত হ'ল।

'অ। আজি।'

'মই তেন্তে আজি আৰু পলম নকৰো। অইন এদিনাখন আকৌ লগ

পাম, তেতিয়াই কথা পাতিম।' কথাষাৰ কৈয়ে মাধৱনন্দন আৰু নৰ'ল, বেগাই খোজ দি আঁতৰি গ'ল।

'বৰ কৰ্মী পুৰুষ।' মাধৱনন্দনৰ যোৱালৈ চাই চিত্ৰসেনে ক'লে।

'আহা এতিয়া ভিতৰলৈ। সাঁজ লাগিবৰে হ'ল।' ৰাধিকাই ৰূপাঞ্জলীক ভিতৰলৈ লৈ যাওঁতে কৈ গ'ল।

২

'ৰূপহীঘাট পাবৰ হ'লহি। আৰু মাত্ৰ চাৰিখন তামোলৰ বাট।' বুঢ়া চাৰেংটোৱে টিঙৰ পৰা চিঞৰি ক'লে।

কথাষাৰ শুনিয়ে ৰাজকোঁৱৰ সূৰ্য্যসিংহ চমকি উঠিল। শিহৰিত হ'ল কুমাৰৰ মন। সুদীৰ্ঘ অপেক্ষাৰ অন্ত হ'ল। খন্তেক পিছতে চকুৰ আগত ভাঁহি উঠিব ৰূপহীঘাটৰ প্ৰতিচ্ছবি।

সূৰ্য্যসিংহ নাঁওৰ চৈৰ পৰা বাহিৰলৈ ওলাই আহিল। প্ৰকাণ্ড চৈ দিয়া নাওঁখন ৰূপহীজান নদীৰ মাজ বুকুৰেদি ঢপলিয়াই আহি আছে।

ৰূপহীজানৰ দুয়োপাৰৰ ঘন কঁহুৱা বননি আৰু বননিৰ মাজে-মাজে থকা সেউজ পথাৰ আৰু পথাৰৰ সিপাৰৰ পাহাৰবোৰৰ সন্মিলিত দৃশ্য চাই-চাই কুমাৰ আপোন পাহৰা হ'ল। সেয়েহে হ'বলা এটাসময়ত স্বৰ্গতোক্তি কৰাৰ দৰে কৈ উঠিল 'বৰ ধুনীয়া।'

'কি বৰ ধুনীয়া কুমাৰ?' কুমাৰ সূৰ্য্যসিংহৰ পিছে পিছে আলধৰা হৰিনাৰায়ণো চৈৰ পৰা ওলাই আহিছিল। হৰিনাৰায়ণেই সুধিলে কুমাৰক।

'এই দুয়োপাৰৰ দৃশ্যবোৰ বহুদিনৰ মূৰকত দেখি বৰ ভাল লাগিছে। সচাঁকৈয়ে আমাৰ ৰাজ্যখন বৰ ধুনীয়া।'

'তেন্তে প্ৰাগজ্যোতিষপুৰৰ স্মৃতি পাহৰিলে।'

'নাই পাহৰা। পাহৰিম কেনেকৈ? প্ৰাগজ্যোতিষপুৰো ধুনীয়া, আমাৰ ৰূপহীনগৰো ধুনীয়া।'

'আৰু উত্তৰা আইদেউ?' এইবাৰ সূৰ্য্যসিংহৰ গাৰ কাষ চাপি আহি লঘূস্বৰত সুধিলে হৰিনাৰায়ণে।

'কোন উত্তৰা আইদেউ?'

'শোণিতপুৰৰ ৰাজকুমাৰী।'

' অ।'

কিছুসময়লৈ বৰ গহীন হৈ পৰিল সূৰ্য্যসিংহ। মুখৰ অভিব্যক্তিও হঠাতে সলনি হৈ পৰিল। বেছ ভাবুক দেখালে মুখখন।

' সৌৱা ৰূপহীঘাটৰ চাকি। তুমি দেখিছানে হৰিকাই?' দূৰৈৰ ৰূপহীঘাটৰ জ্বলিথকা চাকিবোৰলৈ আঙুলিয়াই দেখুৱাই কথাষাৰ সুধিলে সুৰ্য্যসিংহই।

সূৰ্য্যসিংহই যে অতি কৌশলৰে প্ৰসংগতো তল পেলাই দিলে কথাটো ততকে ধৰিব নোৱাৰিলে ষাঠি বছৰীয়া হৰিনাৰয়ণে। দিগন্তলৈ চাই হৰিনাৰায়ণে অৱশেষত মাত দিলে ' অ, দেখিছো। আৰু বেছি অন্ধকাৰ হ'লে চাকিবোৰ আৰু বেছি উজ্বলি উঠিব।'

হৰিনাৰয়ণে কি ক'লে শুনিবলৈ সুৰ্য্যসিংহ ঠাইতে ৰৈ থকা নাছিল। চৈৰ ভিতৰত বহি থকা মহাৰাজ ৰত্নসিংহৰ ওচৰলৈ গৈ কুমাৰে ক'লে ৰূপহীঘাট আহি পোৱাৰ কথা। ৰত্নসিংহই মাথো মূৰ দুপিয়ালে। এবাৰ ওচৰতে বহি থকা মন্ত্ৰী বজ্ৰদত্তলৈ চাই কিবা এষাৰ ক'বলৈ ওলাইছিল, কিন্তু কথাষাৰ নকৈ দীঘলকৈ হুমুনিয়াহ এটাহে পেলালে।

' দেউতা!'

মহাৰাজ ৰত্নসিংহই পুত্ৰলৈ চালে।

' তোমাক বৰ ক্লান্ত দেখাইছে দেউতা। কিবা যেন তুমি চিন্তা কৰি আছা। অথচ মোকো খুলি কোৱা নাই তুমি।'

এইবাৰ হাঁহিলে ৰত্নসিংহই।

' তই এতিয়া উপযুক্ত বিদ্যাশিক্ষা অৰ্জ্জন কৰি মোৰ ওচৰলৈ আহিছ। তেনেস্থলত মোৰ এতিয়া দুঃশ্চিন্তা হ'ব কিয়?' এইবাৰ ব্ৰহ্মদত্তলৈ চাই ৰত্নসিংহই ক'লে, ' আপুনি সকলোকে মোৰ চ'ৰাত গোট খাব ক'ব। আজি নিশায়ে সভা পাতি সকলো ঠিৰাং কৰা হ'ব।'

ৰত্নসিংহই এইবাৰ চৈৰ ভিতৰৰ পৰা বাহিৰ ওলাই আহিল।

অদূৰত ডবা-কাঁহৰ মাত অবিৰাম বাজিব ধৰিছে। এজুম মানুহো গোট খাইছে পাৰত। জয়ধ্বনিয়ে মহাৰাজ ৰত্নসিংহৰ মনৰ দুঃশ্চিন্তা নিমিষতে শিমলু তুলাৰ দৰে উৰুৱাই নিলে। মনলৈ এক নতুন উছাহৰ ঢল বাগৰি আহিল। বীৰদৰ্পে ঘাটত সজাই থোৱা ঘোঁৰা বাগীএখনত উঠি বহিল মহাৰাজ ৰত্নসিংহ।

' দেখিছ, তোক চাবলৈ কিমান ৰাইজ গোট খাইছে?'

' অ।' সূৰ্য্যসিংহই মূৰ দুপিয়ালে।

ঘোঁৰাবাগীখন ৰাজকাৰেং পোৱাৰ লগে-লগে ঢোল পেপাঁৰ সন্মিলিত মাতে গধূলিৰ পাতল অন্ধকাৰখিনি যেন পলকতে গিলিহে পেলালে। মহাৰাণী গংগাদেৱী লৰৰি আহি পলকতে সূৰ্য্যসিংহৰ কঁপালত চুমাৰ পৰশ দি মহাৰাজলৈ চালে। গংগাদেৱীৰ আনন্দত উজ্বলি উঠা সপ্ৰতিভ মুখখনে মুৰ্হুততে বৰণ সলালে।

'সকলো কুশলনে?'

'অ।'

প্ৰকাণ্ড শোৱনি কোঠাটোৰ মাজতে আছে অলেখ কাৰু-কাৰ্য্য খচিত বহল পালেংখন। সেইখনতে বহি মহাৰাজ ৰত্নসিংহই দীঘলকৈ উশাহ এটা ল'লে।

'গংগা।'

মহাৰাণী গংগাদেৱী ওচৰ চাপি আহিল।

শোৱনি কোঠাটোত কোনো নাই এতিয়া।

গংগাদেৱীয়ে আলফুলে মহাৰাজ ৰত্নসিংহৰ চুলিকোচা লিৰিকি বিদাৰি মাত দিলে, 'মহাৰাজ!'

'হু।'

'আপুনি বৰ দুঃশ্চিন্তাত পৰা যেন লাগিছে। শৰীৰ ভাল নহয় যদি এতিয়াই ৰাজবৈদ্যক মতাই আনো।'

'মোৰ শৰীৰ সম্পূৰ্ণ সুস্থ গংগা।'

'তেন্তে?' গংগাদেৱীয়ে এইবাৰ মহাৰাজৰ ওচৰতে বহি ল'লে।

'শোণিতপুৰৰ মহাৰাজে.......'

'কি কওঁক।'

'শোণিতপুৰৰ মহাৰাজে মই গৈ পোৱাৰ আগেয়েই পালৰাজ্যৰ অজিতপালৰ সৈতে ৰাজকুমাৰী উত্তৰাক বিয়া দিব বুলি কথা দি পেলালে। মই এদিন পলমকৈ গৈ পালো। বিয়াখন হ'ব অহা বহাগত। এবাৰ কথা দিয়াৰ পিছত.....'

'বুজিছো।' কথাষাৰ কৈ গংগাদেৱীয়ে হুমুনিয়াহ এটা এৰিলে। গংগাদেৱী সুচতুৰা। সেয়েহে অনুধাৱন কৰিব পাৰিলে ভৱিষ্যতৰ ছবিখন। এটা দুলৰ্ভ সুযোগ হেৰাই গ'ল , কিন্তু এতিয়াওঁ এটা ক্ষীণ আশা নথকা নহয়। গংগাদেৱীয়ে বেছ কিছুপৰ মৌন হৈ থাকি অৱশেষত মাত লগালে 'মহাৰাজ।'

ৰত্নসিংহই গংগাদেৱীলৈ চালে।

' এতিয়াওঁ আশা এটা আছে। দুৰাশাও বুলি ক'ব পাৰি।'

' কি আশা ?' নিলিপ্ত কণ্ঠে সুধিলে মহাৰাজে।

গংগাদেৱীয়ে মহাৰাজৰ চকুলৈ চাই চাই কৈ গ'ল ' মই নাজানো আপুনি মোৰ কথাখিনি কি বুলি লয় , কিন্তু মই পিছে ডাঠি ক'ব পাৰো এই উপায়টোৰ বাহিৰে আমাৰ হাতত আৰু অন্য কোনো গত্যন্তৰো নাই।'

' পাতনি চমু কৰা গংগাদেৱী।'

' কওঁ শুনক। বিয়াখন হ'ব অহা বহাগত। গতিকে আমাৰ হাতত আৰু তিনি মাহ আছে। এইকণ সময়ৰ ভিতৰতে আমাৰ ৰাজকুমাৰে উত্তৰাক পলুৱাই আনিব লাগি ব।'

' কি ?'

' অ। পলুৱাই আনিব লাগিব। দেহত ক্ষত্ৰিয়ৰ তেজ আছে যেতিয়া....'

' কাৰ দেহত ক্ষত্ৰিয়ৰ তেজ দেখিলা ? আমাৰ ৰাজকুমাৰৰ দেহত ? ' কিছু উপলুঙাৰ সুৰত সুধিলে ৰত্নসিংহই।

' অ।' গংগাদেৱীয়ে শলাগিলে।

' তুমি ভুল কৰিছা গংগাদেৱী। আমাৰ একেটি মাত্ৰ পুত্ৰ সন্তান বেলেগ ধাতুৰে গঢ়া। প্ৰাগজ্যোতিষপুৰলৈ পঠিয়াইছিলো বিদ্যাই অভিজ্ঞতাই পুৰঠ হ'ব বুলি। কিন্তু সমৰবিদ্যা, অস্ত্ৰচালনা, নৌকাচালনা এইবোৰৰ প্ৰতি কোনো কাণষাৰেই নিদিলে কোঁৱৰে। দেহতো বলিষ্ঠ পুৰুষ এজনৰ ছাপ নপৰিল। অৱশ্যে মুখশ্ৰীত এটা সুন্দৰ কমনীয়তা আছে। কিন্তু হাতৰ মুঠি দেখিছা ? ভৰিৰ কলাফুল ? দেহৰ তেনেকুৱা এটা গঠনেৰে নাটক কৰিব পাৰি , কবি হ'ব পাৰি। কিন্তু বীৰত্বৰ কাম ! ওঁহো , কোনোপধ্যেই নোৱাৰিব।'

' কিন্তু কৰাবই লাগিব।'

' কেনেকৈ ?'

' কেনেকৈ নাজানো মই মহাৰাজ। আপুনি ৰাজচ'ৰাৰ বিষয়াসকলৰ পৰামৰ্শ লৈ........'

কথাষাৰ গংগাদেৱীৰ শেষ নহ'লেই , মহাৰাজ ৰত্নসিংহ ঘপহকৈ উঠি থিয় হ'ল।

' ক'লৈ যায় মহাৰাজ ?'

' ৰাজচ'ৰালৈ।'

মাধৱনন্দনে ৰাজকাৰেঙৰ বাটচ'ৰাতে খবৰ পালে মহাৰাজে ৰাজচ'ৰালৈ মাতিছে বুলি। খবৰটোৱে তেওঁক চিন্তাক্লিষ্ট কৰি তুলিলে। অসময়ত ৰাজচ'ৰাত সভা বহাতো চিন্তাৰেই বিষয়। ইয়াৰ আগেয়েও বহুবাৰ ৰাজচ'ৰাত সভা বহিছিল। কেতিয়াবা গভীৰ নিশা, কেতিয়াবা পুৱতি নিশা। আজিৰ সভাও এসময়ত শেষ হ'ব, কিন্তু শেষ নহ'ব সমস্যা। ক্রমে গভীৰৰ পৰা গভীৰতৰ হ'ব। শেষতগৈ হয়তো অস্ত্রৰ ঝনঝননি উঠিব।

মাধৱনন্দন আনমনা হৈ অগ্রসৰ হৈছিল। বাটচ'ৰাৰ পৰা ৰাজকাৰেঙৰ ভিতৰলৈ যোৱা বাটটো পকাৰ, দুয়ো কাষে শাৰী-শাৰী নাৰিকলৰ গছ আৰু গছবোৰৰ কাষে কাষে সৰু-সৰু স্তম্ভৰ ওপৰত বন্তি জ্বলোৱা আছিল। মাধৱনন্দন হয়তো নিজৰ ভাৱনাত বিভোৰ হৈ পৰিছিল। সেয়েহে পিছফালৰ পৰা কোনোৱাই এবাৰ মতাতো তেওঁ গম পোৱা নাছিল। ৰাজকাৰেঙৰ ওচৰ চাপিহে মাধৱনন্দনৰ খেয়াল হৈ পিছলৈ উভতি চাই স্বতঃস্ফুর্তভাৱে কৈ উঠিল ' অৰ্জ্জুন।'

মাধৱনন্দনৰ পিছফালে আদহীয়া প্রায় পঞ্চাশবছৰীয়া সুঠাম দেহৰ লোক এজন ঠিয় হৈছিল। তেওঁৱেই অৰ্জ্জুন, ৰূপহীনগৰৰ হস্তীবাহিনীৰ নায়ক।

' মই তোমাক দুবাৰ মাতিছিলো। তুমি কিবা ভাৱত বিভোৰ হৈ আছিলা। শুনাই নাপালা।' অৰ্জ্জুনে ক'লে।

মাধৱনন্দনে হাঁহিলে।

' বয়স হৈছেতো।' হাঁহি-হাঁহিয়েই মাদৱনন্দনে ক'লে। ৰাজচ'ৰালৈ যোৱা বাটেৰে খোজ দি দি মাধৱনন্দনে সুধিলে ' তুমিও ৰাজচ'ৰালৈ আহিছা?'

' অ। তোমাক আৰু মোক বিশেষ ভাৱে মাতি পঠিয়াইছে হেনো।'

' কিয়?'

' আমি দুয়ো হেনো শোণিতপুৰলৈ যাব লাগে। কিয় যাব লাগে কাৰণটো গম পোৱা নাই। মই তোমাক দেখি ভাবিছিলো তুমি কথাটো গম পাইছা বুলি।'

' মই নগৰত নাছিলো।'

ৰাজচ'ৰাৰ মুখ পাই মাধৱনন্দন নিমাতে ৰ'ল। অৰ্জ্জুনো। ৰাজচ'ৰাৰ ৰখীয়াজনে সেৱা এটা জনাই ক'লে, ' চ'ৰা বহুপৰৰ পৰাই চলি আছে। মহাৰাজো আছে।'

মাধৱনন্দন আৰু অৰ্জ্জুন ভিতৰলৈ সোমাই গ'ল।

ৰাজচ'ৰাটো যথেষ্ট ডাঙৰ। এমূৰত সিংহাসনত মহাৰাজ ৰত্নসিংহ বহি

আছে। দুয়ো কাষে প্ৰধান মন্ত্ৰী , মন্ত্ৰী আৰু বিষয়ামণ্ডলী। মাধৱনন্দন আৰু অৰ্জ্জুনে মহাৰাজলৈ সেৱা জনাই বহি ল'লে। মাধৱনন্দন মহাৰাজৰ মুখৰ অভিব্যক্তি দেখি চিন্তাত পৰিল। মহাৰাজৰ দুচকুৰ গুৰি ক'লা পৰিছে , আগতকৈ কিছু ভিতৰলৈ সোমাইছে। কপালৰ গাঁঠিসমূহ এঠাইত থুপ খাই পৰিছে। মহাৰাজে অনৰ্গল কথা কৈ আছে। মাজে মাজে বৈ দুই এজনৰ পৰামৰ্শ শুনিছে , পিছত আকৌ নিজে কথা ক'বলৈ আৰম্ভ কৰিছে। মাধৱনন্দনে একাগ্ৰচিত্তে মহাৰাজৰ কথাবোৰ শুনি আছিল যদিও তেওঁ জানে আজিৰ সভাৰ শেষতহে তেওঁৰ ডাক পৰিব।

কিন্তু মাধৱনন্দনক অবাক কৰি মহাৰাজে সভাৰ শেষত অৰ্জ্জুনকো অন্তেষপুৰলৈ মাতিলে। অৰ্জ্জুনৰ মুখলৈ চাওঁতে মাধৱনন্দনে এইবাৰ বিস্ময় অনুভৱ কৰিলে। অৰ্জ্জুন ভাৱলেশহীন চাৱনি এটাৰে ভিতৰলৈ যাবলৈ থিয় হৈছে। অৰ্জ্জুন অকণো আচৰিত হোৱা নাই। ইয়াৰ অৰ্থও হ'ব এটাই , অৰ্জ্জুনো এইবাৰ গোপনীয় অভিযানৰ লগৰীয়া হ'ব।

কিন্তু কিয় ?

মাধৱনন্দনে অৱশ্যে প্ৰশ্নৰ উত্তৰটো আশা কৰাতকৈ বহু কম সময়ৰ ভিতৰতে পালে। এইবাৰ মাধৱনন্দনে অতিশয় আচৰিত হ'ল। মহাৰাজ ৰত্নসিংহই যে এনেকুৱা আদেশ দিব তেওঁৰ সপোনৰো অগোচৰ আছিল। যি সময়ত পাল ৰাজ্যৰ লগত সংঘাত হোৱাৰ সম্ভাৱনাই দেখা দিছে , সেই সময়তে মহাৰাজে যদি এই পদক্ষেপ লয় আৰু যদি ভবামতে নহৈ ওলোটাটোহে সংঘটিত হয় , তেন্তে ইয়াৰ প্ৰতিফল অকল মহাৰাজ কিয় , শতসহস্ৰ ৰূপহীনগৰৰ নাগৰিকে বুকু পাতি ল'ব লাগিব।

'কামটো হ'ব লাগিব অত্যন্ত গোপনীয় ভাৱে। আনে ভু-নোপোৱাকৈ, সকলোৱে জানিব শোণিতপুৰৰ ৰাজকুঁৱৰী উত্তৰাই মন্দিৰ দৰ্শন কৰিবলৈ আহোতে বনৰীয়া হাতীএজাকে আক্ৰমণ কৰিলে। ৰাজকুৱঁৰীৰ লগত যোৱা সৈন্য-সামন্ত ছেদেলি-ভেদেলি হ'ল , কিন্তু সেইসময়তে আমাৰ ৰাজকুমাৰে উত্তৰাক উদ্ধাৰ কৰিব হাতীজাকৰ পৰা। কিন্তু.......' মহাৰাজ ৰত্নসিংহই কথা ক'বলৈ এৰি মাধৱনন্দন আৰু অৰ্জ্জুনলৈ চালে।

অৰ্জ্জুন আৰু মাধৱনন্দন নীৰৱে ৰ'ল।

মহাৰাজে দীঘলকৈ উশাহ লৈ পুনৰ আৰম্ভ কৰিলে , ' কিন্তু অৰণ্যৰ মাজৰ সেই মন্দিৰটোত দুয়ো এৰাতি কটাবলগীয়া পৰিস্থিতি এটাৰ সৃষ্টি কৰা হ'ব। পিছদিনা চৌদিশে নিমিষতে এই বিষয়ে ৰটনা প্ৰচাৰ কৰা হ'ব। তেতিয়াই

অজিতপালে বিবাহৰ প্ৰস্তাৱ প্ৰত্যাখান কৰিবই। কোনেও নিজৰ পাণিপ্ৰাৰ্থীক আনৰ লগত ৰাত্ৰিযাপন কৰাৰ প্ৰসংগ সহ্য কৰিব নোৱাৰে।ময়ো নোৱাৰো, আনেও নোৱাৰে। মহাৰাজ জয়চন্দ্ৰ বিপাঙত পৰিব। মই সেই সুযোগৰে সদ্ব্যৱহাৰ কৰিম। ৰাজকন্যা উত্তৰাৰ লগত সূৰ্য্যসিংহৰ বিবাহৰ প্ৰস্তাৱ আগবঢ়াম।'

মহাৰাজে কিছুসময় নীৰৱে ৰৈ পুনৰ আৰম্ভ কৰিলে ' এতিয়া আমাৰ হাতত নিচেই কম সময় আছে। মই শুনামতে শোণিতপুৰৰ ৰাজকন্যা উত্তৰাই এইমাহৰ পূৰ্ণিমাৰ ৰাতি লক্ষ্মীমন্দিৰত পূজা আগবঢ়াব। মন্দিৰটো গভীৰ অৰণ্যৰ মাজত। সেয়েহে লগত সৈন্য-সামন্তও যাব। আমাৰ ৰাজকুমাৰো যাব শোণিতপুৰলৈ, ভ্ৰমণৰ বাবে। লগত থাকিব মাধৱনন্দন, অৰ্জ্জুন আৰু একুৰি হাতীৰ জাক। হাতীৰ পাল এটা দেখাত বনৰীয়া যেন কৰি তুলিব লাগিব অৰ্জ্জুনে। সুযোগ বুজি তোমালোক দুয়ো এনেকুৱা এটা পৰিস্থিতিৰ সৃষ্টি কৰিবা, যিটোৱে সঁচাযেন কৰি তুলিব মই কোৱা কথাখিনি। কামখিনি কৰিবা তোমালোকে অতি গোপনে। অইনে পিছে জানিব লাগিব আমাৰ ৰাজকুমাৰেই হ'ল নেপথ্যৰ নায়ক। ইয়াৰ পিছৰ কথাখিনিতো তোমালোকক আগতেই কৈছো।'

মহাৰাজ ৰত্নসিংহই কথা কবলৈ এৰি দি নীৰৱ হৈ পৰা দেখি অৰ্জ্জুন আৰু মাধৱনন্দন আৰু বেছি চাকনৈয়াত যেন ডুব যাবলৈ ধৰিলে। দুয়োৰো বিস্ময়াভূত দুচকুলৈ চাই মহাৰাজে এইবাৰ যথেষ্ট গহীনাই ক'লে ' তোমালোক এইকেইদিনৰ ভিতৰতে হাতীৰ পাল এটা সাজু কৰি থবা। এসপ্তাহৰ অন্তত সন্ধিয়া আকৌ আহিবা, তেতিয়া বিতং আলোচনা কৰিম।'

মহাৰাজে কথাখিনি কৈ বহাৰ পৰা উঠিল।

মাধৱনন্দন আৰু অৰ্জ্জুনে সেৱা এটা কৰি যাবলৈ উদ্যত হ'ল। দুয়ো দুৱাৰদলি পাওঁতে শুনিলে, ' ৰ'বা।'

দুয়ো উভতি চালে।

' এতিয়া অকল তোমালোক দুজনেই এই কামৰ সাক্ষী। গতিকে সাৱধানে থাকিবা।'

মাধৱনন্দনে বুজিলে ইংগিতটো।

গোপনীয়ভাৱে কৰি যাব লাগিব কামখিনি। নিজৰ পত্নীয়েও গম পাব নালাগিব। আগতেও পিছে মাধৱনন্দনৰ পত্নীয়ে একো কথাৰেই ভূ নাপায়। পিছে চিত্ৰসেনৰ কথা সুকীয়া। হাতত মদিৰাৰ পাত্ৰ লৈ দুয়ো বন্ধু গোট খালে নিমিষতে উৰি যায় মনৰ বান্ধিথোৱা দুৱাৰ। অৱশ্যে চিত্ৰসেনে কেতিয়াও

মাধৱনন্দনক বিপদত পেলোৱা নাই, কেতিয়াবা দুই এটা বুদ্ধিহে দিছিল চিত্ৰসেনে।

কিন্তু এইবাৰ?

'মাধৱনন্দন!'

অৰ্জ্জুনৰ মাতষাৰে মাধৱনন্দনৰ মনৰ তন্ময়তা ভাঙি দিলে। দুয়ো ইতিমধ্যেই দুৱাৰদলি পাৰ হৈ আহিছিল। মাধৱনন্দনে একে আষাৰতে সহাঁৰি দিলে 'কোৱা।'

'মোৰ ঘৰলৈকে ব'লা। তাতে আলচ কৰোঁগে।'

'ব'লা।'

দুয়ো আগবাঢ়িল।

দুয়োৰো মুখত কোনো কথা নাই, এতিয়া যেন চিন্তা কৰাৰে সময়।

৩

সূৰ্য্যসিংহই বাৰ বছৰ বয়সতে ৰূপহীনগৰ এৰি প্ৰাগজ্যোতিষপুৰলৈ গৈছিল, সেইয়া আজি আঠ বছৰ আগৰ কথা। প্ৰথমতে প্ৰাগজ্যোতিষপুৰৰ মোহ মচ খাওঁতে ভালেখিনি সময় লাগিব বুলি অনুমান হৈছিল। কিন্তু দুদিনৰ ভিতৰতে পুনৰ ৰূপহীনগৰখন যে ইমান আপোন হৈ পৰিব সেয়া কুমাৰৰ সপোনৰো অগোচৰ আছিল। প্ৰাগজ্যোতিষপুৰৰ কুৰি হাজাৰ জনতাৰ মাজত নিজৰ অস্তিত্বই বিচাৰি পোৱাতো টান আছিল। এতিয়াৰ কথাই অৱশ্যে সুকীয়া। এই দুদিনতে য'লৈকে গৈছে তাতে ৰূপহীনগৰৰ প্ৰজাৰ মন্ত্ৰমুগ্ধ চাৱনি আৰু সভক্তিয়ে কুমাৰক মোহান্ধ কৰি তুলিছে। প্ৰতিগৰাকী গাভৰুৰ সলাজ চকুলৈ চাওঁতে কুমাৰ কোনোবাতো পলকত পুলকিত হয়। অৱশ্যে ইয়াৰ স্থায়িত্ব নিচেই কম হয়। ঘোঁৰা বাগীখনে ইতিমধ্যে যিখিনি দূৰত্ব অতিক্ৰম কৰে, তাৰপৰা ৰূপহীৰ ৰূপ-জেউতি উপভোগ কৰাৰ সুবিধা আৰু নাথাকে।

কুমাৰে নজনালেও হৰিনাৰায়ণে বুজিছিল কুমাৰৰ মনৰ অস্থিৰতাৰ হেতু। হৰিনাৰায়ণৰ বয়স এতিয়া ষাঠি বছৰেই হ'ল। কিন্তু বয়সৰ এই ব্যৱধান প্ৰাগজ্যোতিষপুৰত আঠ বছৰ একেলগে থকাৰ কাৰণেই হবলা কমি গৈছিল। হৰিনাৰায়ণেই বুদ্ধি দিছিল সান্ধ্যভ্ৰমণ ঘোঁৰাৰে কৰিবলৈ, ঘোঁৰাবাগীৰে নহয়। তেতিয়া কাৰণতো বুজি নাপালেও এতিয়া নগৰৰ আলি-পদুলিৰ মাজে-মাজে ঘোঁৰা দৌৰাই আহি ৰূপহীজান নদীৰ কাষ চাপোতে কুমাৰে বুজি পাইছিল

অকলশৰীয়াকৈ ঘোঁৰা দৌৰাই ফুৰাৰ আনন্দৰ লগতে জড়িত হৈ আছে আৰু অকণমান বেছি স্বাধীনতা। অন্ততঃ এতিয়া যেতিয়াই মন যায় ঘোঁৰাতো তেতিয়াই ৰখাই দিব পাৰি।

আৰু তেনেকুৱা পৰিস্থিতিৰ যেন শেষেই নহ'ব।

' কুমাৰ!'

' কৈ যোৱা।'

' ৰূপহীজানখন কেনেকুৱা লাগিছে?'

' ধুনীয়া নৈ। পিছে ব্ৰহ্মপুত্ৰ নৈখনতকৈ নিচেই সৰু।'

' হ'লেও এইখন আমাৰ নিচেই আপোন। সৰুতে ইয়াৰ বুকুতে কিমানযে সাঁতুৰিলো, এতিয়া ভাবিয়েই ভাল লাগে......'

হৰিনাৰায়ণ ৰৈ গ'ল।

হৰিনাৰায়ণৰ আগে-আগে সূৰ্য্যসিংহই ঘোঁৰা দৌৰাইছিল। দুয়ো বেছ দ্ৰুতবেগেৰেই ঘোঁৰা দৌৰাইছিল। কিন্তু সূৰ্য্যসিংহৰ ঘোঁৰাৰ গতিবেগ ক্ৰমশঃ কমি আহি এটা সময়ত স্থবিৰ হৈ যোৱা দেখি হৰিনাৰায়ণেও নিজৰ ঘোঁৰাটো ৰাখিবলৈ বাধ্য হ'ল। হৰিনাৰায়নে কাৰণটো সুধিব খুজিছিল, কিন্তু নুসুধিলে। হৰিনাৰায়ণেও দেখিছিল ৰূপহীজানৰ পাৰৰ বহল আলিবাটটোৰে যোড়শী এগৰাকী আহি থকাৰ দৃশ্য। লাহে লাহে খোজ দি আহি আছিল যোড়শীগৰাকী, চুলিখিনি কঁকাললৈ বৈ পৰা, বৰণো বেছ ৰঙা-বগা। মুখশ্ৰীত অদ্ভুত এক কমনীয়তা। এনেকুৱা এটা চেহেৰা ৰূপহীনগৰত কোনো কালে দেখা মনত পৰা নাছিল কুমাৰৰ। প্ৰাগজ্যোতিষপুৰতো এনেকুৱা সৌন্দৰ্য্য দেখা নাছিল কুমাৰে। এই প্ৰথমবাৰলৈ বুলি কুমাৰে অনুভৱ কৰিলে হৃদয়ত আৰম্ভ হোৱা ঢপ্‌ঢপনি।

সেইদেখিয়েই অজানিতে ঘোঁৰাটো ৰখাই দিছিল কুমাৰে।

ঘোঁৰাটোও ৰৈ গৈছিল যোড়শীৰ ঠিক সমুখতে।

যোড়শী চমকি উঠিছিল। হয়তো ভয়ো খাইছিল। এপলক কুমাৰলৈ পোনে পোনে চাইছিল, পিছমুহূৰ্ত্ততে চকুৰ দৃষ্টি আঁতৰাই আনিছিল। অৱশ্যে ৰোৱাও নাছিল, উভতি খোজ লৈছিল।

' কুমাৰ!'

' হু!'

' বলক।'

' আৰু নাযাওঁ। উভতি যাওঁ।

'কিন্তু গাভৰুৰ লগত চিনাকী নহয়?'

'তুমি আগতে গাভৰুৰ পৰিচয় যেনে-তেনে উদ্ধাৰ কৰা। সন্ধিয় আহি মোক জনাবা।'

কুমাৰ উভতি আহিছিল। দিনটো কাৰেঙতে কটাই দিলে কুমাৰে।

সন্ধিয়া কুমাৰে চাকি জ্বলাব দিয়া নাছিল। আজি যেন অন্ধকাৰতে আকণ্ঠ নিজকে ডুবাই ৰাখিব কুমাৰে। কিন্তু বেছি সময়লৈ তেনেকৈ থাকিব লগা নহ'ল। হৰিনাৰায়ণে যে এইকণ সময়ৰ ভিতৰতে ষোড়শীৰ পৰিচয় সংগ্ৰহ কৰি আনিব পাৰিব কুমাৰে কল্পনাও কৰিব পৰা নাছিল। মাথো হৰিনাৰায়ণে আনি দিয়া নামটো মনতে আওৰালে 'ৰূ......... পা......... ঞ্জ.........লী........'

'পিছে তেওঁ উদ্যানপালক চিত্ৰসেনৰ তুলনীয়া জীয়ৰীহে। প্ৰকৃততে তেওঁ কনৌজৰ ফালৰহে, ঘটনাক্ৰমে পৰিভ্ৰমী তীৰ্থযাত্ৰী এজনে তীৰ্থ কৰিব আহি মাজপথতে পত্নী ঢুকুৱাৰ কাৰণে নিজৰ জীয়ৰীক চিত্ৰসেনৰ হাতত তুলি দিছিল ডাঙৰ দীঘল কৰিবলৈ।' হৰিনাৰায়ণে কৈছিল।

'মই অহাকালি প্ৰত্যুষতে ৰাজ উদ্যানলৈ যাম।

হৰিনাৰয়ণ আচৰিত হ'ল সিদ্ধান্তটো শুনি।

'চিত্ৰসেনক খবৰ দিয়াবা।' হৰিনাৰায়ণ যাব ওলোৱা দেখি কুমাৰে আকৌ ক'লে 'কিন্তু চাবা উদ্যান চোৱাৰ পিছত যাতে চিত্ৰসেনৰ ঘৰলৈ বুলি আমি যাব পাৰো।'

'সেয়ে হ'ব।'

**ৰা**জউদ্যানৰ একোণত শেৱালিফুলৰ বাগিছা এখন আছিল। কুমাৰে বাগিছাখনত পুৱাৰ ৰ'দজাক পৰা কাৰণে সেইখিনি ঠাইকে বাছি ল'লে জিৰণি ল'বৰ বাবে। কুমাৰৰ অৱশ্যে ভাগৰ লগা নাছিল, এক অনামী ৰোমাঞ্চে মনটো নচুৱাই ৰাখিছিল। হয়তো ইয়াৰে অইন এটা নাম প্ৰেম।

হৰিনাৰায়ণে ইতিমধ্যেই চিত্ৰসেনৰ লগত কথাপাতি ঠিক কৰি পেলাইছিল ৰাজকুমাৰে ৰাজউদ্যানৰ পৰা ওলাই গৈ ৰূপহীজানৰ পাৰে-পাৰে ঘোঁৰা দৌৰাই ঘূৰি আহোতে চিত্ৰসেনৰ ঘৰতে এপলকৰ বাবে বৈ ভাগৰ গুচাব।

চিত্ৰসেন আচৰিত হৈছিল, ভালো পাইছিল।

ৰাজকুমাৰৰ অযাচিত আগমনে চিত্ৰসেনক উগুল-থুগুল কৰালে। ইমানদিনে ৰাজকীয় সেৱা আগবঢ়াই অহাৰ স্বীকৃতি আজিহে যেন পালে।

' কুমাৰ!'

কুমাৰে হৰিনাৰায়ণলৈ চালে , চকুৰে মুখে কিন্তু কৃত্ৰিম গাম্ভীৰ্য্যতা।

' আমি নদীৰ পাৰে-পাৰে ফুৰোঁগৈ ব'লক। মানুহৰ সমাগম আৰম্ভ হোৱাৰ আগেয়েহে ঘোঁৰা চেকুৰাই ভাল পাব।' হৰিনাৰায়ণে ক'লে।

' হৰিনাৰায়ণে ঠিকেই কৈছে কুমাৰ।' চিত্ৰসেনেও শলাগিলে।

কুমাৰ উঠি আহি ঘোঁৰাত বহি ল'লে।

ঘোঁৰা লেহেম গতিত আগবাঢ়িল। প্ৰতিখোজ আগবাঢ়ি যাওঁতে কুমাৰৰ মনৰ হেন্দোলনি ক্ৰমে বাঢ়ি আহিব ধৰিলে। পিছলৈ কোন পলকত ঘোঁৰা চেকুৰাই আহি চিত্ৰসেনৰ পদুলিমুখ পালেহি কুমাৰে তলকিবই নোৱাৰিলে। চিত্ৰসেনে মাত দিওঁতেহে কুমাৰে সম্বিত ঘূৰাই পালে। পদুলিমুখৰ চোতালখনত ঠিয়হৈ ৰূপাঞ্জলীয়ে তেতিয়া পুৱাৰ ৰ'দজাকৰ উম লৈ আছিল। অলপ আগতে ৰূপাঞ্জলীয়ে গা-ধুই উঠিছিল , তিতা চুলিকোঁচা শুকাবলৈ চেষ্টা কৰি তাই সন্মুখৰ ৰূপহীজান নৈখনলৈ চাই আছিল। কুমাৰৰ ঘোঁৰাটো হঠাতে দেখি তাই থত্‌মত খালে। কিন্তু প্ৰায় লগে-লগে চিত্ৰসেনক দেখি তাই উভতি যাব খুজিও আকৌ ৰৈ গ'ল।

' আই ৰূপাঞ্জলী! আয়েৰাক খবৰ দেগৈ ৰাজকুমাৰ আহিছে বুলি।' চিত্ৰসেনে পদুলিমুখৰ পৰায়ে ৰিঙিয়াই ক'লে।

ৰাজকুমাৰ!!

ৰূপাঞ্জলী চমকি উঠিল। তাই আকৌ এবাৰ ঘোঁৰাত উঠি থকা কুমাৰলৈ চাই পঠিয়ালে। কমনীয় মুখশ্ৰীৰ নম্ৰতাখিনিয়ে তাইক বেছ কিছুপৰলৈ মুগ্ধ কৰি ৰাখিলে। যোৱাকালি নৈৰ পাৰত দেখা যুৱকজনেই যে আজি ৰাজকুমাৰ হৈ ওলাব সেইতো তাইৰ সপোনৰো অগোচৰ আছিল।

' আই ৰূপাঞ্জলী!' আকৌ ৰিঙিয়ালে চিত্ৰসেনে।

' গৈছো দেউতা।'

ৰূপাঞ্জলী একেলৰে ভিতৰলৈ গৈ খবৰটো দি আকৌ বাহিৰলৈ ওলাই আহিল।

চিত্ৰসেনে ইতিমধ্যেই কুমাৰক ভিতৰলৈ আথেবেথে লৈ আনিছিল। কুমাৰৰ দৃষ্টি এপলকৰ বাবে ৰূপাঞ্জলীৰ চকুৰে মুখে স্থিৰ হৈ ৰ'বলৈ সুৰুঙা পাইছিল। কুমাৰ ভিতৰি ভিতৰি বেছ চঞ্চল হৈ উঠিছিল। কোনোপধ্যেই যেন ৰূপাঞ্জলীৰ দুচকুৰ পৰা দৃষ্টি নাতৰাৱ। কিন্তু ৰাধিকা ঠিক সেই সময়তে সোমাই আহি সেই

অপূৰ্ব মুহুৰ্ত্তটোৰ স্থায়িত্ব নিঃশেষ কৰি দিলে। ইয়াৰ পিছৰ সময়খিনি অৱশ্যে বেছ গতানুগতিক ভাৱে পাৰ হৈ গ'ল। যোৱাৰ মুহূৰ্ত্ততহে কুমাৰ বেছ হতাশ হৈ পৰিল। এবাৰ হৰিনাৰায়ণলৈ চাইছিল কুমাৰে, কিন্তু একো নক'লে। হৰিনাৰয়ণে অৱশ্যে ইংগিততো ঠিকেই বুজি পালে।

'আমাৰ কুমাৰে প্ৰাগজ্যোতিষপুৰৰ পৰা আহি পোনতে বৰ বেজাৰ পাইছিল। ময়ে তেতিয়া বুদ্ধি দিলো, নৈৰ পাৰে পাৰে ঘোঁৰা চেকুৰাবলৈ। কুমাৰেও ভাল পালে বুদ্ধিটো।' হৰিনাৰায়ণে একেৰাহে কৈ গ'ল, 'সেইমতে এইকেইদিন আবেলি পৰত ৰূপহীজানৰ পাৰে পাৰে ঘোঁৰা চেকুৰাই ভালেই পাইছে কুমাৰে। ভাগৰ লাগিলে গধূলি হোৱাৰ আগে আগে সৌ যে বকুলবনৰ বাগিছাখন আছে তাতে এখন্তেক ৰয়, ভাগৰো পলায়, মনো জুৰায়।' কথাখিনি কৈ হৰিনাৰায়ণে ৰূপাঞ্জলীলৈ চালে।

ৰূপাঞ্জলী সচকিত হৈ উঠিল।

হে ভগৱান ....... এই ইংগিতটো তাইলৈ নহয়তো!!

যদি হয় তেন্তে?

ৰূপাঞ্জলীৰ দেহ মন উত্তেজিত হৈ উঠিল। এবাৰ তাই কুমাৰলৈ আঁৰ চকুৰে চালে, কিন্তু কুমাৰেও যে তাইলৈকে চাই থাকিব তাই সপোনতো ভাবিব পৰা নাছিল, তাই ৰোমাঞ্চিত হৈ উঠিছিল। লাজতে তাই দুচকুৰ দৃষ্টি নমাই আনিলে।

'কুমাৰ!'

হৰিনাৰায়ণৰ মাতত কুমাৰে সম্বিত ঘূৰাই পালে।

'উভতি যাওঁ কুমাৰ। আবেলিলৈ ঘোঁৰা চেকুৰাবলৈতো আহিমেই।'

**স**ময় যেন নাযায়, নুপুৰায়। প্ৰতিটো পল আগবাঢ়ি যাওঁতেই যেন এযুগ সময় লৈছে, কুমাৰৰ তেনেকুৱাই ভাৱ হ'ল। ঘোঁৰা চেকুৰাৰ ভাগৰত নহয়, এক অনামী শিহৰণৰ বাবেহে কুমাৰৰ দেহ-মন অস্থিৰ হৈ পৰিছে। ওচৰতে আজি হৰিনাৰায়ণো নাই। বকুলবনৰ কাষৰ মুকলি ঠাইত ঘোঁৰা দুটা মেলি দি হৰিনাৰায়ণো আঁতৰি গৈছিল ৰূপহীজানৰ গৰালৈ, হয়তো মুখহাত ধুব। কুমাৰৰ নিজৰো খুব মন গৈছিল ৰূপহীজানৰ পানীৰ শীতল পৰশ ল'বলৈ। কিন্তু কুমাৰ যাব নোৱাৰিলে। বকুলবনৰ মুকলি ঘাঁহনি ডৰাতে কুমাৰ পায়চাৰি কৰি ৰ'ল, প্ৰথমে লাহে-লাহে, পিছলৈ খৰ আৰু অস্থিৰ হৈ আহিল পায়চাৰি।

বেলিটো তেতিয়া লহিয়াবলৈ আৰম্ভ কৰিছিল।

ৰূপহীজানৰ পানীত জিলিকিছে বেলিৰ ৰহন।

কুমাৰৰ চকুত পৰিছিল সেই দৃশ্য। কিছু হয়তো আপোনভোলাও হৈছিল। কিমানযে সময় তেনেকৈ ৰূপহীজানৰ ঢৌ খোলোৰা জলৰাশিলৈ চাই আছিল কুমাৰৰ খেয়াল নৰ'ল। এটাসময়ত ৰূপহীজানৰ পৰা চকুহাল আঁতৰাই আনোতেই কুমাৰৰ দেহ-মনত এক প্ৰবল জোকাৰনি উঠিল।

দূৰৈত এখুজি দুখুজিকৈ এজনী ষোড়শী আহি থকা দেখা পালে কুমাৰে। ষোড়শীক ততালিকে চিনি পালে কুমাৰে। লগে-লগে কুমাৰ আৰু বেছি চঞ্চল হৈ উঠিল। প্ৰতীক্ষাৰ অন্ত পৰিল। কিন্তু এতিয়া কুমাৰে কি কৰিব? হাতত থকা বনৰীয়া ফুলপাহকে আগবঢ়াই দিব নেকি?

ৰূপাঞ্জলী আৰু কিছুদুৰ আগবাঢ়ি আহিল।

ৰূপাঞ্জলীৰো চকুত পৰিছিল কুমাৰক। তাইৰ খোজৰ গতি লগে-লগে লেহেম হৈ পৰিছিল। এসোপা লাজে তাইৰ দেহ মন ৰাইজাই কৰি গ'ল। কি কৰিব একো ঠিৰাং কৰিব নোৱাৰি তাই ঠাইতে ৰৈ দিলে। কিন্তু ইতিমধ্যেই কুমাৰে খোজ দিব আৰম্ভ কৰিছিল , বেছ কিছুদুৰ আগবাঢ়িও আহিছিল , সেইদেখিয়ে ৰূপাঞ্জলীৰ কাণত পৰিল এটা মিহি কোমল স্বৰ , ' লোৱা।'

ৰূপাঞ্জলীয়ে তলমুৰতো ওপৰ কৰোতে নিচেই কাষতে কুমাৰক দেখিলে , হাতত এপাহ ৰঙচুৰা ফুল তাইলৈকে আগবঢ়াই দিছে।

' কি?'

' ফুল। বাটতে পাই বুটলি আনিলো।'

' ধুনীয়া ফুল।' ফুলপাহ লৈ ৰূপাঞ্জলীয়ে শুঙি চাই ক'লে।

' অ। পিছে তোমাতকৈ কম।'

ৰূপাঞ্জলীৰ ধুনীয়া বগা মুখখনে পলকতে ৰঙচুৰা বৰণ ল'লে। তাই এবাৰ কুমাৰলৈ চাই মুৰটো তললৈ হলাই দিলে , পিছমুহূৰ্ততে গাটো ঘূৰাই উভতিবৰ বাবে সাজু হওঁতে পুনৰ শুনা পালে ' ৰূপাঞ্জলী।'

ৰূপাঞ্জলী এখোজ দিও আকৌ ৰৈ গ'ল।

' অহাকালিও আকৌ লগ পামনে? একেলগে ফুৰিম , কথা পাতিম।'

ৰূপাঞ্জলীয়ে কি উত্তৰ দিলে কুমাৰে নুশুনিলে। ৰূপাঞ্জলীয়ে ইতিমধ্যেই ফুলপাহ হাতত লৈ হাঁহি এটা মাৰি দৌৰি গুছি গৈছিল।

কুমাৰ ঠাইতে স্থবিৰ হৈ ৰৈ গ'ল।

' কুমাৰ।'

হৰিনাৰায়ণৰ মাতত সম্বিত ঘুৰাই পাই কুমাৰে বেছ গহীনাই ক'লে ' উভতি যাওঁগে ব'লা।'

' অ , বেলিও লহিয়ালে।'

কুমাৰে হৰিনাৰায়ণে টানি লৈ অনা ঘোঁৰাটোত উঠি বহিল। ঘোঁৰা চেকুৰাই যাওঁতে কুমাৰে সুহুৰিয়াই গৈছিল।

' কুমাৰৰ দেখিছো আনন্দই নধৰে হিয়া।'

' অ। তুমি হ'বলা কাৰণটোও ধৰিব পাৰিছা?'

হৰিনাৰায়ণে হাঁহিলে।

' কাকো নক'বা।'

' মোৰ পৰা অকনো চিন্তা নকৰিব কুমাৰ। পিছে এই কাম গুপুতে গুপুতে হোৱাটোহে মঙ্গল।'

' তুমি চকু ৰাখিবা। আনে যাতে ভূ নাপায়। বুজিছানে?'

' হ'ব বাৰু।' হৰিনাৰয়ণে ক'লে।

দুয়ো ঘোঁৰাৰ গতি তীব্ৰ কৰিলে। বেলি তেতিয়া লহিয়াইছিল , সন্ধিয়া হৈছিল।

**হ**ৰিনাৰায়ণে পিছে নিঃশ্চিন্ত হ'ব নোৱাৰিলে। প্ৰাগজ্যোতিষপুৰৰ কথা সুকীয়া আছিল। অগণন লোকৰ মাজত কোনেও উমান নাপায় কোনে কাৰ সৈতে লেটিপেটি কৰিছে। কিন্তু ৰূপহীনগৰৰ কেইহেজাৰ মান লোকৰ মাজত এনেকুৱা এটা ঘটনা চকুত নপৰাকৈ ৰখাটো অতিশয় দূৰূহ হ'ব। অইনৰ ক্ষেত্ৰত ৰাজকুমাৰ য'ত জড়িত হৈ আছে তাত এই খবৰে পলকতে খলকনি তুলিব। সম্ভৱ হ'লেও মুৰকত হয়তো সেই ধুনীয়া ছোৱালীজনীৰে অনিষ্ট হ'ব বেছি। ভিন দেশৰ চোৰাংচোৱা বুলি অতি সহজে পোতাশালত থ'ব পৰা যাব। এবাৰ পোতাশালত সোমোৱাৰ পিছত কি হ'ব এতিয়া কল্পনা কৰিও হৰিনাৰায়ণ সিয়ঁৰি উঠিল।

হৰিনাৰায়ণৰ হাতত অন্য উপায়ো নাই।

আজি তিনি দিন হ'ল পুৱা আৰু আবেলি কুমাৰ আৰু ৰূপাঞ্জলী নৈৰ ঘাটত লগ লগাৰ। অৱশ্যে কেইটামান মুহূৰ্তৰ বাবেহে। আলেঙে আলেঙে থাকে হৰিনাৰায়ণ। কোনোৱা অহাৰ উমান পালেই হৰিনাৰায়ণে ইংগিত দিয়ে। তথাপিও হৰিনাৰায়ণে জানে বিপদ যিকোনো সময়তে আহিব পাৰে।

হৰিনাৰায়ণৰ দুঃশ্চিন্তা বাঢ়িছিল।

ৰাজকাৰেঙৰ বাটচ'ৰাত ঘোঁৰা দুটা সাজু কৰিব ধৰোতেও হৰিনাৰায়ণ চিন্তা কৰি চাইছিল এই গোপন অভিযাৰ গোপনে ৰখাৰ উপায়।

হৰিনাৰায়ণ হয়তো ভাৱত বিভোৰ হৈ পৰিছিল।

সেয়েহে পিছফালে মাধৱনন্দন আহি ঠিয় হোৱাৰ উমান বৰ দেৰিকৈ পাই উচপ খাই উঠিলে হৰিনাৰায়ণ।

'ঘোঁৰাযে সাজু কৰিছা ক'ৰাবালৈ যোৱা নেকি?' মাধৱনন্দনে সুধিলে।

'কুমাৰে ফুৰিব যাব।'

'তুমি হবলা সংগী হবা?'

'অ।'

'বেছ। পিছে তুমিও জানো শোণিতপুৰলৈ নাযাবা?'

'শোণিতপুৰ?' হৰিনাৰায়ণ আচৰিত হ'ল।

'অ। অহাকালি প্ৰত্যুষতে যাত্ৰা আৰম্ভ কৰিব লাগিব। মহাৰাজৰ আদেশ।'

'কিন্তু........'

'তুমিতো কুমাৰৰ আলধৰা হিচাবে লগতে যাবই লাগিব। আগেয়ে যেনেদৰে গৈছিলা এইবাৰো তেনেদৰে কুমাৰৰ আলধৰা হিচাবে তুমিও যাব লাগিব।'

'মই একো ততকে ধৰিব পৰা নাই।'

মাধৱনন্দনে হাঁহিলে। হৰিনাৰায়ণে আৰু বেছি অস্বস্তি বোধ কৰিলে। হৰিনাৰায়ণক আৰু বেছি বিপাঙত পেলাই মাধৱনন্দনে যাওঁতে ৰিঙিয়াই কৈ গ'ল, 'অহাকালি প্ৰত্যুষতে সকলো গম পাবা, চিন্তা নকৰিবা।'

মাধৱনন্দন গ'লগৈ।

হৰিনাৰায়ণো নৰ'ল। কোবাকুবিকৈ কুমাৰৰ কাৰেঙলৈ বুলি খোজ দিলে। এই দুঃসবাদতো যেনে তেনে কুমাৰক এতিয়াই দিব লাগিব। অন্যথা ভাঙি পৰিব কুমাৰৰ আকুল মন। হৰিনাৰায়ণো ভিতৰি ভিতৰি বেছ উত্তেজিত হৈছিল। মহাৰাজৰ আদেশ মানেইতো শিলৰ ৰেখা, ইয়াৰ পৰা পৰিত্ৰাণৰ কোনো উপায় নাই। কিন্তু হঠাতে শোণিতপুৰলৈ যোৱাৰ প্ৰশ্ন উঠিল কিয়? প্ৰশ্নটোৰ পিছে উত্তৰ নাপালে হৰিনাৰায়ণে। হৰিনাৰায়ণ আৰু বিমোৰত পৰিল কাৰেঙত কুমাৰক লগ নাপায়। মহাৰাজে কুমাৰক মন্ত্ৰণাকক্ষলৈ মাতি পঠিয়াইছে। হৰিনাৰায়ণলৈ অৱশ্যে আদেশ এটাও দি থৈ গৈছে কুমাৰে। কাৰেঙতে কুমাৰলৈ অপেক্ষা কৰাৰ।

হৰিনাৰায়ণ কাৰেঙৰ পকা মজিয়া খনতে বহি ল'লে।

পলবোৰ মনে মনে গণি গ'ল হৰিনাৰায়ণে।

লাহে-লাহে পলবোৰো গণিবলৈ হৰিনাৰায়ণৰ মন নোযোৱা হৈ আহিল।

বেলি লহিয়ালেই। আন্ধাৰো গাঢ় হৈ আহিল। মাজতে অৱশ্যে কোনোবাই চাকি জ্বলাই থৈ গৈছিল। হৰিনাৰায়ণৰ অস্থিৰতা আৰু বাঢ়ি আহিছিল। এসময়ত তন্দ্ৰালু ভাৱ এটাও আহিছিল। সেয়েহে কুমাৰ আহি মাত দিওঁতে হৰিনাৰায়ণে খপজপাই উঠি কুমাৰলৈ চায়ে অবাক হ'ল। কুমাৰৰ মুখত চাকিৰ পোহৰ স্পষ্টকৈ পৰিছিল। সেইকণ পোহৰতে কুমাৰৰ মুখখন অতিশয় শেতাঁ, অস্থিৰ আৰু বিষন্ন দেখাইছিল।

হৰিনাৰায়ণ কুমাৰৰ ওচৰ চাপি আহিল।

'কুমাৰ।'

'হু।'

'ৰূপহীজানৰ.........'

'নালাগে।' কুমাৰে কথাষাৰ কৈ বেছ কিছুপৰ নীৰৱে ৰ'ল।

'কি হ'ল কুমাৰ?'

কুমাৰে একো নক'লে। কি ক'ব?

'অহাকালি প্ৰত্যুষতে হেনো.......'

'গম পাইছো।'

'কিন্তু.......'

'যিটো কাৰণত অহাকালি শোণিতপুৰলৈ যাম সেইতো....... হে ভগৱান..... ৰাজকীয় কামো ইমান ঘৃনণীয় হয়নে?' কুমাৰে বিৰবিৰাই ক'লে।

হৰিনাৰাণে একো উত্তৰ নিদিলে।

কুমাৰ যেন এতিয়া এক প্ৰস্তৰ মূৰ্ত্তি।

## ৪

**ম**হাৰাজ ৰত্নসিংহ বহাৰ পৰা উঠাৰ লগে লগে অৰ্জ্জুন আৰু মাধৱনন্দনো উঠিল। মহাৰাজ ৰত্নসিংহই অৰ্জ্জুন আৰু মাধৱনন্দলৈ চাই ক'লে

‘ তেন্তে তোমালোকে সুকলমে কাৰ্য্য সমাপন কৰি মোলৈ বাতৰি পঠিয়াবা। এই কামটো মাধৱনন্দনেই কৰিবা। অৰ্জ্জুনে কুমাৰৰ লগত থাকিব লাগিব আৰু ইকাণ সিকাণকৈ সহস্ৰ কাণ যাতে নহয় তাৰ প্ৰতি চকু ৰাখিবা।’

মহাৰাজ ওলাই গ’ল কথাখিনিকৈ।

মাধৱনন্দনো যাব ওলাইছিল , অৰ্জ্জুনে তেতিয়াই পিছফালৰ পৰা মাত দিলে ‘ মাধৱনন্দন।’

মাধৱনন্দনে ৰৈ দিলে , পিছফাললৈ ঘুৰি চাই ক’লে ‘ কোৱা।’

‘ আজি মহাৰাজৰ আলধৰা লিগিৰীজনী নতুন নেকি ?’

‘ হয় হবলা। মই পিছে নাজানো।’

‘ মোৰ পিছে সন্দেহ উপজিছে।’

মাধৱনন্দনে অনুচ্চ কণ্ঠে সুধিলে ‘ গুপ্তচৰ বুলি ?’

‘ অ। তাইৰ চকুহাললৈ মন কৰিছিলানে ? যি দুবাৰ তামোলৰ বটা লৈ আহিছিল প্ৰতিবাৰেই তাই তামোলৰ বটা থৈ যোৱাৰ চলতে যেন......’

‘ ময়ো মন কৰিছিলো।’

‘ এবাৰ তাইৰ শুংসুত্ৰ ল’বা নেকি ?’

‘ ব’লা।’ মাধৱনন্দনে সঁহাৰি দিলে।

**মা**লতীয়ে ৰিহাখনৰ আগতো ককালত খামুচি খৰকৈ খোজ দি ৰাজকাৰেঙৰ দক্ষিণমূৰটোলৈ আগবাঢ়িব লওঁতেই পিছফালৰ পৰা কোনোবাই মতা শুনি ঘুৰি চাই কৈ উঠিল ‘ কি হ’ল পাৰ্বতী ?’

‘ তোক অৰ্জ্জুন ডাঙৰীয়াই লগ পাব বিছাৰিছে।’

‘ কোন অৰ্জ্জুন ডাঙৰীয়া ?’ মালতীয়ে সুধিলে।

‘ তই হবলা চিনি নাপাৱ ?’

‘ অ। নামেই শুনা নাই।’

‘ আমাৰ হস্তীবাহিনীৰ সেনাপতি।’

‘ মোক আকৌ কিয় বিচাৰিছে ?’

‘ নাজানো। তোক খবৰ দিব কৈছিল। মই খবৰ দিলো , এতিয়া মই যাওঁ।’

পাৰ্ব্বতী গুছি গ’ল।

মালতী বিপাঙত পৰিল। কি কৰিব এতিয়া তাই? অলপ পিছতে ৰাজকাৰেঙৰ দক্ষিণ মুৰত থকা ৰান্ধনীশালৰ ওচৰলৈ দামোদৰ আহিব। তেতিয়াই দামোদৰক লগ ধৰিব লাগিব। দিনটোৰ সংবাদ তাই গুপুতে ক'ব লাগিব। দামোদৰে সেই সংবাদ ডাঁৰৰ বাতৰি ডাঁৰেদি দিয়াৰ দৰে প্ৰেৰণ কৰিব মহাৰাজ অজিতপালৰ ওচৰত।

মালতী বেছ কিছুপৰলৈ স্থবিৰ হৈ ৰ'ল।

আঁতৰত কাৰোবাৰ পদধ্বনি শুনি তাই চিন্তা কৰিব এৰি দি পুনৰ বেছ বেগেৰে খোজ দি ৰান্ধনীশালৰ দক্ষিণমূৰটো পালে। দিনতে ঠাইখিনি জয়াল যেন হৈ পৰে। গতিকে নিশা এই ঠাইখিনিলৈ কোনো নাহে। ৰখীয়াও নাথাকে। সেইকাৰণেই দমোদৰে তাইক এইখিনিলৈকে সদায় গধূলি আহিব কৈছিল। প্ৰথম দিনা তাইৰ সঁচাকৈয়ে ভয় লাগিছিল। কিন্তু এতিয়া নলগা হ'ল।

'মালতী।' বটগছৰ তলত দামোদৰ ঠিকেই বৈ আছিল। তাইক দেখি দামোদৰে ফুচফুচাই সুধিলে 'আজিৰ খবৰ কি?'

'মন্ত্ৰণাকক্ষত মহাৰাজ আৰু দুজনে বহি আলচ কৰিছিল। ৰাজকুমাৰো আছিল। মই দুবাৰো গৈছিলো তামোলৰ বটা লৈ।'

'শুনি আছো। কৈ যা।'

'প্ৰথমবাৰ সোমাওঁতে একো ভূ-পোৱা নাছিলো। হাতীৰ কথা আলচ কৰি আছিল। মই ধৰিব নোৱাৰিলো।'

'হাতী?'

'অ। তাৰপিছৰবাৰ যাওঁতেহে গম পালো কাইলৈ প্ৰত্যুষতে ৰাজকুমাৰ আকৌ ভ্ৰমণলৈ যাব। ক'লৈ অৱশ্যে গম নাপালো। কিন্তু .....'

'কিন্তু কি?' দামোদৰে সুধিলে।

'মহাৰাজে লগত বহি থকা মানুহদুজনৰ এজনক কৈছিল চাবা যাতে অজিতপালে এই দুৰভিসন্ধিৰ কোনো ভূ নাপায়।'

দুৰভিসন্ধি!

দামোদৰ বিপাঙত পৰিল। কি দুৰভিসন্ধি নিৰ্ণয় কৰিব নোৱাৰিলে মহাৰাজ অজিতপালে সুদাই নেৰে। তেন্তে?

দামোদৰে মালতীক আৰু এষাৰ কথা সুধিব খুজিছিল। কিন্তু দূৰৈত কাৰোবাৰ পদধ্বনি শুনি তেওঁ ফুচফুচাই ক'লে 'মালতী! তই যা। কোনোবা আহিছে। অহাকালি নিশা আকৌ লগ হ'ম।'

দামোদৰে কথাষাৰ কৈয়ে যথেষ্ট ক্ষীপ্ৰ গতিৰে আঁতৰি গ'ল। কিন্তু মালতীয়ে নিজকে লুকুৱাব নোৱাৰিলে। তাই বটগজোপাৰ পৰা আঁতৰি আহিব খোজোতেই ধৰা পৰি গ'ল। দুফালৰ পৰা দুজন আদহীয়া পুৰুষে দৌৰি আহি তাইক ধৰি পেলালে। অন্ধকাৰত মালতীয়ে চিনি নাপালে মুখকেইখন। কিন্তু কণ্ঠস্বৰে তাইক নিঃশ্চিত কৰালে মন্ত্ৰণা কক্ষৰ লোক দুজনৰ হাততেই তাই ধৰা পৰি গ'ল।

'কাৰ লগত কথা পাতিছিলি?'

'মই?'

'অ। তোকে সুধিছো।'

'মই.....' মালতীয়ে সেপ ঢুকিব ধৰিলে। কি ক'ব তাই এতিয়া?

মাধৱনন্দনে অৱশ্যে আগতেই অনুমান কৰি ল'ব পাৰিছিল মালতীয়ে মুখ নোখোলে বুলি। সেয়েহে বহুবেলিৰ মুৰকতো মালতীৰ মুখৰ পৰা সঁচা কথাষাৰ উলিয়াব নোৱাৰি অধৈৰ্য্য হোৱা নাছিল। কিন্তু অৰ্জ্জুনৰ ধৈৰ্য্যৰ সীমা ভাঙি গৈছিল। শাৰিৰীক নিৰ্য্যাতন চলাবলৈ আদেশ দিছিল তেতিয়া। সেয়াও অৱশেষত ফলে নধৰাত ক্লান্ত হৈ পৰা অৰ্জ্জুনক আঁতৰাই আনিলে মাধৱনন্দনে। দুয়ো কাৰাগাৰৰ কোঠালীটোৰ পৰা ওলাই আহি পুনৰ ৰাজকাৰেঙৰ চৌহদত ভৰি দিলে।

কাৰেঙৰ পৰিবেশ এতিয়া শান্ত, নিমাওমাও।

মাধৱনন্দন নীৰৱে গৈ থকা দেখি অৰ্জ্জুনে এইবাৰ মাত লগালে ' মাধৱনন্দন!'

'হু।'

'মোৰ দুঃশ্চিন্তা উপজিছে।'

'তুমি বেছিকৈ চিন্তা কৰিছা।' মাধৱনন্দনে মাত লগালে ' মালতীয়ে আজি বিশেষ একো গম পোৱা নাই। তাই মন্ত্ৰণাকক্ষত কিমানপৰনো আছিল!! সেইকণ সময়ৰ ভিতৰত আমিওতো বিশেষ একো কথা পতা নাছিলো।'

'তথাপিও ......' অৰ্জ্জুন নিঃশ্চিত হ'ব নোৱাৰিলে।

'এই ঘটনাটোতকৈ আৰু বেছি ভয়ংকৰ বিপদৰ সন্মুখীন হ'বলৈ আমি এতিয়া সাহস গোটাবৰ হ'ল। মহাৰাজে অশেষ ভাবি চিন্তি তোমাক আৰু মোক এই গুৰু দায়িত্ব দিছে। এতিয়া তুমি আৰু মই এই সৰু ঘটনাটোতে বিচলিত হ'লে মহাৰাজৰ অৱস্থা কি হ'ব ভাবি চোৱাচোন এবাৰ।'

'মহাৰাজক মালতীৰ কথাটো ক'বা নেকি?'

'অ!'

'এতিয়াই?'

'এতিয়াই নহয়। শেহৰাত্রি আমি যোৱাৰ সময়ত মহাৰাজে আমাক বিদায় জনাব আহিব। তেতিয়াই ক'ম।'

'ঠিক আছে।'

মাধৱনন্দনে ৰাজকাৰেঙৰ চৌহদৰ মাজৰ পকীবাটটোৰে খোজ দি দি এইবাৰ ক'লে 'কিছুসময় জিৰাওঁগৈ ব'লা। প্রথম কুকুৰাই ডাক দিওঁতেই আমাৰ সাজু হ'বৰ হ'ব।'

'ব'লা।' অৰ্জ্জুনে সন্মতি দিলে।

**দা**মোদৰে বেগাই খোজ দিছে।

দৌৰিব খুজিলেই বিপদ। ৰখীয়া পৰীয়াৰ চকু পৰিব, সন্দেহ উপজিব। অৱশ্যে দামোদৰক বেছি ভাগেই চিনি পায়। ৰজাৰ ৰান্ধনীশালৰ খৰি যোগান ধৰোতাক সকলোৰে চিনি পাবই। দামোদৰে তথাপিও জানে এই নিশাখন দামোদৰ কিয় স্বয়ং সেনাপতিও ৰাজআলিৰে অকলশৰে দৌৰি গ'লে ৰখীয়া পৰীয়াৰ ধেনুকাড়ৰ আঘাতে মুহুৰ্ততে কাহিল কৰি পেলাব। গতিকে দামোদৰে কিছু বেগাই আনৰ চকুত স্বাভাৱিক যেন লগা গতিবেগত খোজ দি দি ৰূপহীজানৰ ঘাটৰ ওচৰ চাপিল। ঘাটত তেতিয়া কেইবাখনো নাওঁবন্ধা আছিল। এখন আছিল অকলশৰীয়াকৈ, এমূৰত। ভিতৰৰ চৈত চাকি এটা জ্বলাই কোনোবা এটা শুই আছিল। দামোদৰে চাৰিওফালে এবাৰ চাই চৈৰ ভিতৰলৈ সোমাই গৈ শুই থকা মানুহটোৰ গাত হেঁচুকি দিলে।

মানুহটো প্ৰায় লগে লগে সাৰ পালে।

'এই ৰাতিখন?' মানুহটোৱে শোৱাৰ পৰা উঠি বহি ল'লে।

'বতৰা দিব আহিছো।'

'কি বতৰা?' মানুহটোৱে দামোদৰক চৈতে বহিব দি সুধিলে।

'এতিয়াই সম্পূৰ্ণ বতৰা পোৱা নাই। তুমি মাত্ৰ মহাৰাজক কবাগৈ যে তেওঁৰ বিপক্ষে মহাৰাজ ৰত্নসিংহই কিবা দুৰভিসন্ধি ৰচনা কৰিছে। কি ষড়যন্ত্ৰ ৰচনা কৰিছে সেইয়া পিছতহে গম পাম আৰু তেতিয়াই খবৰ পঠিয়াম। কিন্তু .......'

' কিন্তু কি?'

' থাওঁক সেইবোৰ , পিছত ক'ম।' দামোদৰে বহাৰ পৰা উঠি যাব ওলাই আকৌ ক'লে ' তুমি এতিয়াই যাত্ৰা আৰম্ভ কৰা , ক'তো পিছে নৰ'বা।'

দামোদৰে চৈৰ পৰা ওলাই আহিব খোজোতে মানুহটোৰে সুধিলে ' মালতীৰ ভালনে?'

দামোদৰে মালতীৰ বিষয়ে প্ৰশ্নতো শুনিবলৈ অকণো প্ৰস্তুত নাছিল। দামোদৰ থত্‌মত খাইছিল। কিন্তু নিজকে চম্ভালি লৈ ক'লে , ' অ। ভালেই আছে। তায়েতো মোক এই সংবাদতো দিছিল।'

' তাইৰ ওপৰত খেয়াল ৰাখিবা। তাই মোৰ একমাত্ৰ ভনী।'

' তুমি চিন্তা নকৰিবা। মইতো আছোৱেই।'

দামোদৰ চৈৰ পৰা ওলাই আহিল।

নৈৰ ঠিয় গৰালৈ উঠি আহি আলিত ভৰি দি আকৌ এবাৰ ঘাটলৈ চাই পঠিয়ালে দামোদৰে। নাওঁখন ধীৰে ধীৰে উজনিলৈ বুলি আঁতৰি গৈছে। দামোদৰে স্বস্তিৰ নিশ্বাস এৰিলে। কিন্তু খন্তেক পিছতে আকৌ দুঃশ্চিন্তাত পৰিল। মালতী ধৰা পৰা নাইতো!!

প্ৰথম কুকুৰাই ডাক দিওঁতেই মাধৱনন্দনে টোপনিৰ পৰা সাৰ পাইছিল। মাধৱনন্দনৰ টোপনিও ভালদৰে অহা নাছিল। কিছুমান অহেতুক দুঃশ্চিন্তাই মানুহটোক ভিতৰি ভিতৰি অস্থিৰ কৰি তুলিছিল। মাধৱনন্দনে ভয় খাইছিল এইবাৰ তেওঁ অসফল হ'ব বুলি। অন্য এখন দেশৰ গোপন বতৰা যোগাৰ কৰি অনাতো সহজ। কিন্তু ভিন্ন এখন দেশত মিছা ঘটনা এটাক সঁচা যেন কৰি দেখুৱাব যোৱাটো উজু নহয় , তদুপৰি ধৰা পৰিলেও দেশৰে অমংগল। মাধৱনন্দন হতবাক হৈছিল অৰ্জ্জুন পৰম নিৰ্ভয়ে শুব পৰা দেখি। প্ৰথম কুকুৰাই ডাক দিয়াৰ লগে লগে মাধৱনন্দনে অৰ্জ্জুনক টোপনিৰ পৰা সাৰ পোৱাই দিয়ালে। অৰ্জ্জুনে পিছে সাজু হওঁতে অকণো পলম নকৰিলে। দুয়ো কোঠাৰ পৰা ওলাই আহোতে সন্মুখৰ চোতালত থকা ৰখীয়া এটাই সেৱা জনাই ক'লে ' মহাৰাজ সিংহদ্বাৰত আপোনালোকলৈ বুলি অপেক্ষা কৰি আছে।'

মাধৱনন্দন আচৰিত হ'ল। অন্যদিনা হ'লে তেওঁলোকহে অপেক্ষা কৰি থাকিলহেঁতেন , মহাৰাজ আহিলহেঁতেন পিছত। কিন্তু আজি?

' বেগাই খোজ দিয়া। অন্যথা যাত্ৰা আৰম্ভ কৰোতে অযথা পলম

হ'ব।' অৰ্জ্জুনে ক'লে।

মাধৱনন্দনে একো নামাতিলে।

বেছ বেগাই খোজ দি মাধৱনন্দনহঁত ৰাজঅট্টালিকাৰ সিংহদ্বাৰত গৈ উপস্থিত হ'ল। সিংহদ্বাৰত মাথো এটাই চাকি জ্বলি আছিল। মহাৰাজ ৰত্নসিংহই পায়চাৰী কৰি আছিল। দূৰৈৰ পৰাই তেওঁ অৰ্জ্জুনহঁতক দেখা পালে। কিছু গহীন স্বৰত তেওঁ মাত লগালে ' আৰু পলম নকৰিবা। এতিয়াই যাত্ৰা আৰম্ভ কৰিলেহে দিনৰ ভাগতে শোণিতপুৰ ৰাজ্যৰ সীমাত সোমাব পাৰিবা। পিছে কুমাৰ তোমালোকৰ লগত যাব নালাগে। বেলেগকৈ অকলে যাব। ৰাজকুমাৰ যে শোণিতপুৰলৈ যাব সেই বাৰ্ত্তা ইতিমধ্যে মই প্ৰেৰণ কৰি দিছো। গতিকে তেওঁ গোপনে নগ'লেও হ'ব।'

' আমি কুমাৰক ক'ত লগ পাম?'

' কুমাৰ থাকিব শোণিতপুৰৰ ৰাজঅতিথিশালাত। তাতেই তোমালোকে কুমাৰক লগ ধৰিব পাৰিবা। পিছে সকলো যোগাৰ-পাতি হৈ যোৱাৰ পিছতহে।'

' সেয়ে হ'ব মহাৰাজ।'

অৰ্জ্জুনহঁত যাব ওলাল। কিন্তু মহাৰাজক সেৱা জনাব খোজোতেই মহাৰাজে মাত লগালে , ' মোৰ আলধৰা লিগিৰীজনীক বোলে কাৰাগাৰত থৈছা , হয়নে?'

মাধৱনন্দন অস্বস্তিত পৰিল।

অৰ্জ্জুনে পিছে ততালিকে মাত লগালে ' হয় মহাৰাজ।'

' কি কাৰণে?' মহাৰাজৰ কথাৰ সুৰত এইবাৰ গহীন ভাব এটা ফুটি উঠিল।

' তাইৰ প্ৰতি সন্দেহ উপজিছিল।'

' প্ৰমাণ?'

' সদ্যহতে হাতত একো প্ৰমাণ নাই , কিন্তু অচিৰেই পাম।'

মহাৰাজ ৰত্নসিংহই হুমুনিয়াহ এৰিলে। কিন্তু একো নক'লে। নীৰৱেই ধীৰ খোজেৰে কাৰেঙৰ ভিতৰলৈ সোমাই গ'ল। অৰ্জ্জুনহঁতো বৈ নাথাকিলে। দুয়ো ওচৰতে সাজু কৰি ৰখা দুটা ঘোঁৰাত উঠি ৰূপহীঘাট পালে। ঘাটত কেইবাখনো নাওঁ বন্ধি থোৱা আছিল। দুয়ো এখন চৈ দিয়া ডাঙৰ নাওঁত উঠি ল'লে। বুঢ়া চাৰেংটোৱে যেন অৰ্জ্জুনহঁতলৈকে বাট চাই আছিল , প্ৰায় লগে-লগে তেওঁ নাওঁ মেলি দিলে ভটিয়নী নদীৰ সোঁতত।

'ৰাতিপুৱাল।'

'অ। কুমাৰ। আমাৰো যাবৰ সময় হ'ল। নাওঁ সাজু হ'লেই।'

সূৰ্য্যসিংহই নেদেখা নহয় নাওঁখন সাজু হোৱা। হয়তো আৰু কিছুবেলিৰ পিছতে নাওঁখনে যাত্ৰা আৰম্ভ কৰিব। মহাৰাজে কল্পনা কৰামতে সপোন বাস্তৱত পৰিণত হ'লে এই ঘাটতে আকৌ নাওঁ চাপিব অন্য এক পৰিবেশৰ লহৰ তুলি।

আৰু তেতিয়া ৰূপাঞ্জলীয়ে কি কৰিব!!

আৰু কুমাৰে নিজে?

'কুমাৰ!' হৰিনাৰায়ণে পুনৰ মাত লগালে।

'হু!'

'নাওঁ মেলিলেই। আপুনি চৈৰ ভিতৰতে জিৰণি লওঁকগৈ।'

কুমাৰে কিন্তু একো নক'লে, নীৰৱেই নাওঁৰ চৈৰ ভিতৰলৈ সোমাই গ'ল।

নাওঁখনে ততালিকে যাত্ৰা আৰম্ভ কৰিলে।

৫

এদিন এৰাতিৰ পিছত অৰ্জ্জুনহতঁৰ নাওঁখন এটা অচিন ঘাটত উপস্থিত হৈছিল। তেতিয়া সময় আবেলি। দুজন পুৰুষো বৈ আছিল ঘাটটোত। লগত আছিল দুটা হাতী। অৰ্জ্জুনহঁত নাওঁৰ পৰা নামি ঘাটত ভৰি দিয়াৰ কিছুবেলিৰ মূৰকত নাওঁখন পুনৰ ওভতঁনি যাত্ৰা আৰম্ভ কৰি দিছিল। অৰ্জ্জুনহঁতো ঘাটত বৈ নাথাকিল। তেওঁলোক হাতীএটাত উঠি ল'লে। পুৰুষদুজনৰ এজনে মাউত হৈ হাতীত বহি ল'লে ; ইজনে অন্যটো হাতীত।

আকৌ যাত্ৰা আৰম্ভ হ'ল।

এইবাৰ অটব্য অৰণ্যৰ মাজেৰে।

দিনতে হাবিৰ ভিতৰখন অন্ধকাৰ হৈ পৰিছিল। এখনমান তামোল খোৱাৰ পিছতে গধূলিৰ পাতল অন্ধকাৰে নিমিষতে অৰণ্যখন আৱৰি পেলালে। অৰ্জ্জুনে ইতস্ততঃ বোধ কৰিছিল। কিন্তু মাধৱনন্দনে অৱশ্যে একো আহুকাল পোৱা নাছিল। এই বাটতো তেওঁৰ চিনাকি। এইবাটেদিয়েই তেওঁ বহুকেইবাৰ শোণিতপুৰ ৰাজ্যৰ ৰাজধানীলৈ গৈছে, অৱশ্যে প্ৰতিবাৰেই তেওঁ আছিল বিভিন্ন

ছদ্মবেশত। মাজে সময়ে তেওঁ দুই এঠাইত ৰাত্ৰিযাপনো কৰিব লগা হৈছিল। কেতিয়াবা অৰণ্যৰ মাজত , কেতিয়াবা কোনোবা অচিন গাওঁত। মাত্ৰ এবাৰেই তেওঁ লক্ষ্মীমন্দিৰত আশ্ৰয় লৈছিল।

সেইবাৰ তেওঁ ধৰাও পৰিব ওলাইছিল শোণিতপুৰৰ সৈন্যৰ হাতত। বুঢ়া সন্ন্যাসীৰ ছদ্মবেশটোৱেহে তেওঁক সেইবাৰৰ কাৰণে ৰক্ষা কৰিছিল।

কিন্তু তেওঁ জানে এইবাৰৰ কথা সুকীয়া।

পৰিবেশ , পটভূমি সকলো সুকীয়া।

' মাধৱনন্দন !'

' কোৱা।'

' এই ৰাতিখন গহন অৰণ্যৰ মাজেৰে হাতীৰ পিঠিত গৈ থাকি অস্বস্তি লাগিছে। এনেকুৱা যাত্ৰা মোৰ এয়ে প্ৰথম।'

' আমি পিছে গোটেই ৰাতি যাত্ৰা কৰি থাকিব লাগিব , তেতিয়াহে হয়তো শেহৰাত্ৰিৰ ফালে লক্ষ্মীমন্দিৰ পাব পাৰো।' মাধৱনন্দনে ক'লে।

' কিন্তু বাটপথহীন অৰণ্যৰ মাজত আমি বাট হেৰুৱালে........'

' চিন্তা নকৰিবা। হাতীয়ে বাট নেহেৰুৱাই। মাউতেও চিনি পায়।'

' হয় দেউতা।' মাউতটোৱে লগে লগে মাত লগালে ' বাট হেৰুৱাৰ ভয় নাই। মই বাট ভালদৰে চিনি পাওঁ।'

অৰ্জ্জুন মাউতৰ অভয়ত সন্তুষ্ট নহ'ল।

কিন্তু একো নামাতিলে।

হাতীটো সেইসময়তে ৰৈ গৈছিল।

ৰৈ গৈছিল সন্মুখৰ হাতীটোও।

' কি হ'ল বশিষ্ঠ ?'

' আঁতৰত হাই উৰুমি শুনিছো। কোনোবা আহিছে নাৰায়ণ। তই সাজু হৈ থাকিবি।' সন্মুখৰ হাতীটোৰ মাউত বশিষ্ঠই দূৰৈৰ পৰাই ৰিঙিয়াই ক'লে।

নাৰায়ণ অৱশ্যে আগৰে পৰা সাজু হৈ আছিল।

মাধৱনন্দন আৰু অৰ্জ্জুনেও ধেনু কাঁড় উলিয়াই ল'লে। দুয়োৰো কাণত পৰিছিল দূৰৈৰ পৰা অহা হাই উৰুমিৰ শব্দ।

' শোণিতপুৰৰ সৈন্য।' নাৰায়ণে ফুচফুচাই ক'লে।

' হাতীদুটা ডাঙৰ চাই গছ দুজোপাৰ আঁৰলৈ লৈ যোৱা।' মাধৱনন্দনে

চাৰিওফালে চাই ক'লে।

বশিষ্ঠ আৰু নাৰায়ণে হাতীদুটা ততালিকে ডাঙৰ আহঁত গছ দুজোপাৰ আঁৰলৈ লৈ আহিল। কিছু আতঁৰত জোপোহা এডৰা আৰু বাঁহনি এডৰাও আছিল। মাধৱনন্দনে চাৰিওফালৰ পৰিবেশতো চাই নিশ্চিন্ত হ'ল। এতিয়া এহাত আঁতৰেদি গ'লেও সতকাই কোনেও তেওঁলোকক দেখা নাপায়। আন্যপিনে মাধৱনন্দনে সুঃস্পষ্টকৈ দেখা পাইছে তিনিশহাতমান আতঁৰেদি বিশ-ত্ৰিশজনীয়া সৈন্যৰ দল এটা ঘোঁৰাৰ পিঠিত উঠি যোৱাৰ দৃশ্য। সন্মুখৰ দুজনৰ হাতত দুডাল প্ৰকাণ্ড জোৰ।

' ক'ৰ পৰা আহিছে তেওঁলোক?'

' আমাৰ সীমান্তৰ পৰা হয়তো।' মাধৱনন্দনে উত্তৰ দিলে।

যিটো দিশৰ পৰা সৈন্যৰ দলতো আহি আছিল সেইতো ৰূপহীনগৰৰ সীমান্তলৈকে গৈছে। সেইদেখিয়ে তেওঁ অনুমানতে সেইবুলি কৈছিল। কিন্তু মাধৱনন্দনে বহু চিন্তা কৰিও অনুমান কৰিব নোৱাৰিলে ক'লৈ গৈ আছে সৈন্যদলটো।

ৰাজধানীলৈ নিঃশ্চয় হ'ব নোৱাৰে।

তেওঁলোকে শোণিতপুৰৰ ৰাজধানীৰ সম্পূৰ্ণ ওলোটা দিশলৈকেহে গৈ আছে।

' লক্ষ্মীমন্দিৰলৈ গৈ থকা নাইতো!!'

' ডাঙৰীয়াই ঠিকেই অনুমান কৰিছে। ' নাৰায়ণে মাত লগালে।

' কথা নাপাতিবা।' হঠাতে মাধৱনন্দনে মাত লগালে , ' কোনোবা এটা আমাৰ ফাললৈ ঘোঁৰা দৌৰাইছে।'

দৃশ্যটো অৰ্জ্জুনৰো চকুত পৰিছিল।

' এটা নহয় , দুটা। এটাৰ হাতত জোৰ এপাট।'

' মই জোৰলৈ থকাটোলৈ বুলি কাঁড় পোনাইছো , তুমি আনটোৰ ওপৰত চকু ৰাখিবা।' অৰ্জ্জুনে ক'লে।

মাধৱনন্দনে প্ৰায় লগে-লগেই ধেনুকাঁড় সাজু কৰি ল'লে। ঠিক যিটো সময়ত অৰ্জ্জুনৰ কাঁড়পাত সুতীব্ৰ গতিৰে গৈ সৈন্যটোৰ বুকুত সোমালগৈ , তাৰ পিছৰটো পলকতে আনটো সৈন্যয়ো মাধৱনন্দনৰ কাঁড়পাত বুকুত সাৱটিলৈ চীৎকাৰ কৰি ঘোঁৰাৰ পিঠিৰ পৰা ছিটিকি মাটিত পৰি গ'ল।

' নাৰায়ণ। বশিষ্ঠ। হাতী দৌৰোৱা।'

‘কোন দিশলৈ ডাঙৰীয়া?’

‘ক’ব নোৱাৰো। মাত্র ইয়াৰ পৰা আঁতৰি বলা, যিমান পাৰি সিমান তীব্রগতিৰে।’

অৰ্জ্জুনহতঁৰ ভাগৰ লাগি আহিছিল।

হাতীদুটাও ফোপাইছিল। বহুসময়ধৰি তীব্রগতিৰে অৰণ্যভেদি ঢপলিয়াব লগা হৈছিল। মাজে-মাজে গছবিৰিখৰ ফাঁকে ফাঁকে দেখা বৰণ সলোৱা পূৰৰ ৰাঙলী আকাশখনৰ দৃশ্যই অৰ্জ্জুনহতঁক সকিয়াই দিছিল ৰাতিপুৱাবলৈ আৰু বেছি সময় নাই। এঠাইত সেইদেখিয়েই তেওঁলোকে হাতীদুটা ৰখাইছিল ঠাইডোখৰ কিছু মুকলি। কিছু আঁতৰেদি পাহাৰী জান এটিও বেগেৰে বৈ গৈছে। জানৰ পাৰৰ ঘাহঁনি এডাৰাত হাতীৰ পৰা নামিয়ে কান্ধৰ গামোছাখন পাৰি ভাগৰত শুই দিছিল অৰ্জ্জুনে। মাধৱনন্দনেও ঘাঁহনিডৰাত বহিলৈ নাৰায়ণলৈ চাই ক’লে ‘তোমালোকে জিৰোৱা। হাতীদুটাকো জিৰাব দিয়া।’

‘আমি কিমান দূৰ আঁতৰি আহিলো নাৰায়ণ?’ অৰ্জ্জুনে সুধিলে।

‘বিশ ত্রিশ ক্রোশ মান হ’ব কিজানি।’

‘আৰু দিশ?’

নাৰায়ণে উত্তৰ দিব নোৱাৰি বশিষ্ঠলৈ চালে।

‘আমি পূৱলৈ আহিছো। লক্ষ্মীমন্দিৰটো আছে পশ্চিমত।’

এইবাৰ মাধৱনন্দন দুঃশ্চিন্তাত পৰিল। অৰ্জ্জুনৰো চিন্তা বাঢ়িল। আঁচনি মতে হাতীৰ জাকটো সীমান্তৰ পৰা লক্ষ্মীমন্দিৰলৈ আনিবলৈ এতিয়া বেছ অসুবিধা হ’ব। বিশটা হাতী সীমান্তত ৰৈ থকাৰ কথা। সীমান্তৰ পৰা এজনে আগবঢ়াই আনি অৰণ্যতে এই কেইদিন লুকুৱাই ৰাখিব লাগিব হাতীৰ জাকটো।

‘মাধৱনন্দন!’

মাধৱনন্দনে পাহাৰী জানখনত পানী পিবলৈ ধৰা হাতী দুটালৈ চাই আছিল। অৰ্জ্জুনৰ মাতত দৃষ্টি ঘূৰাই আনি এইবাৰ মাত দিলে, ‘কোৱা।’

‘সেই সৈন্যদুটা কোনো মাৰিলে এই লৈ চিন্তা ভাৱনা বেছি হ’লে মূৰকত ৰাজকন্যাৰ মন্দিৰ যাত্রাও বাতিল হ’ব পাৰে।’

‘হ’ব পাৰে অথবা নহ’বও পাৰে। এইমূহুৰ্তত পোনছাটে কোৱা টান।’ এপলক ৰৈ মাধৱনন্দনে ক’লে ‘লক্ষ্মীমন্দিৰ গৈ নোপোৱা মানে কোনো কথাৰে

চয়-নিচয় কৰিব নোৱাৰিবা। গতিকে আমি পুনৰ কিছু বেলিৰ পিছত যাত্ৰা আৰম্ভ কৰায়ে উচিত হ'ব। অন্ততঃ গধূলিৰ আগে-আগে লক্ষ্মীমন্দিৰ গৈ পালে হাতত কিছু সময় পোৱা যাব।'

অৰ্জ্জুনে শলাগিলে।

বশিষ্ঠহঁতে ইতিমধ্যে পাহাৰী জানখনৰ পৰা হাতী দুটাক লৈ আনিছিল। অৰ্জ্জুনহতঁক পুনৰ যাত্ৰাৰ বাবে সাজু হোৱা দেখি নাৰায়ণে এইবাৰ সুধিলে ' ৰাতিপুৱাৰ জলপান কৰিব নেকি ডাঙৰীয়া?'

অৰ্জ্জুনে অবাক হৈ নাৰায়ণলৈ চালে।

মাধৱনন্দনো অবাক হ'ল।

' এই গহন অৰণ্যৰ বুকুত ৰাতিপুৱাৰ জলপান?'

' হয় ডাঙৰীয়া। আমাৰ হাতত চিৰা , সান্দহ গুড়ি আৰু গুড় আছে।'

' ঠিক আছে তেনেহ'লে। তোমালোকে জলপানৰ যোগাৰ কৰা। আমি হাত মুখ ধুই আহো।'

অৰ্জ্জুনহঁতে জলপান খাই শেষ কৰি আৰু বেছিপৰ নৰ'ল। নাৰায়ণহঁতে হাতীদুটা সাজু কৰি ৰাখি থৈছিলেই ; অৰ্জ্জুনহঁত উঠি বহাৰ লগে লগে পুনৰ হাতীয়ে আৰম্ভ কৰিলে অবিৰত যাত্ৰা।

এইবাৰ পিছে হাতীৰ গতি স্বাভাৱিক , গজেন্দ্ৰ গমন।

অৰ্জ্জুনৰ হাতীৰ পিঠিত একেটা ভংগীতে বহি থাকি এটাসময়ত আমনি লাগি আহিছিল। এঙামুৰি এটা মাৰি মুখখন মুচিবলৈ পাঙোতেই অৰ্জ্জুনৰ হঠাতে খেয়াল হ'ল তেওঁৰ কান্ধৰ গামোচাখন নাই। মাধৱনন্দনক কথাষাৰ কওঁ বুলি ভাবিও অৰ্জ্জুনে ইতস্ততঃ বোধ কৰিলে।

কিন্তু এটাসময়ত মাধৱনন্দনৰো চকুত পৰিছিল অৰ্জ্জুনৰ কান্ধত গামোচাখন নথকাতো। মাধৱনন্দনে সুধি পেলালে অৰ্জ্জুনক। অৰ্জ্জুনে বেকা হাঁহি এটা মাৰি ক'লে , ' সেই জানৰ পাৰতে থাকি গ'ল গামোচাখন। হাতীত উঠাৰ সময়ত পাহৰি থাকিলো গামোচাখন ল'বলৈ। আধাবাটতহে খেয়াল হ'ল। কিন্তু তেতিয়া মনো নগ'ল গামোচা এখনৰ বাবে আকৌ সিমানদূৰ উভতি যাবলৈ।'

' কিন্তু .....' মাধৱনন্দনে বেছ চিন্তাক্লিষ্টভাৱে ক'লে ' গামোচাখনে আমাক বিপদত পেলাবও পাৰে।'

' কেনেকৈ?' অৰ্জ্জুনে শুধিলে।

‘ আমাৰ ৰূপহীনগৰৰ গামোচাৰ ফুলৰ চানেকী কাৰো লগতে নিমিলে। অৱশ্যে....’

‘ অৱশ্যে কি?’ অৰ্জ্জুনৰ কণ্ঠত কিছু অধৈৰ্য্য হোৱাৰ সুৰ।

‘ যদিহে সৈন্যৰ জাকটোৱে এইকেইদিনৰ ভিতৰত গামোচাখন পায় তেতিয়াহে আমি বিপদত পৰিব পাৰো।’

‘ তেতিয়া হ’লে উভতি যাবা নেকি?’

‘ ওহো।’

‘ তেন্তে?’

‘ লক্ষ্মীমন্দিৰ পাবৰ হ’লহি। আৰু মাত্ৰ কেইখনমান তামোলৰ বাট।’

**ল**ক্ষ্মীমন্দিৰ এটা বিৰাটকায় মন্দিৰ। মন্দিৰৰ চূড়াটো আকাশচুম্বী। বেৰবোৰ শিলৰ। বেৰৰ গাত লক্ষ্মী আৰু বিষ্ণুৰ মূৰ্ত্তি ঠায়ে-ঠায়ে বিভিন্ন ভংগীত খাজ কাটি দিয়া হৈছে। মন্দিৰৰ চৌপাযে অলেখ ঘৰ। আটাইবোৰ পিছে বাঁহ-খেৰৰ আৰু ইকৰাৰ। কিছুমানৰ বেৰত মাটি লেটিয়াই দিয়া আছে। অৰণ্যৰ মাজৰ মুকলি পথাৰ এখনৰ সোঁমাজতে আছে প্ৰকাণ্ড মন্দিৰটোৰ গৰ্ভগৃহ আৰু নাটঘৰ। কিছু আঁতৰত আছে এটা পকীঘৰ। সেইটোৱে ৰজাৰ জিৰণিঘৰ। মন্দিৰ দৰ্শন কৰিবলৈ ৰজা আহিলে তাতে জিৰায়।

পকীঘৰটোৰ কিছু আঁতৰত আছে এটা প্ৰকাণ্ড পদুম পুখুৰী। পুখুৰীৰ পূৱৰ কোণটোত থকা ঘৰটোতে অৰ্জ্জুনহঁতে আশ্ৰয় লৈছিল। ঘৰটো লক্ষ্মীমন্দিৰৰ যাত্ৰীৰ বাবেই সজোৱা হৈছিল। অৰ্জ্জুনহঁতে আহি পাওঁতে গধূলি হৈছিল। অতিথি ঘৰটোত জিৰাওঁতে বশিষ্ঠহঁতে লক্ষ্মীমন্দিৰৰ পৰা পাক এটা মাৰি আহিল। তেওঁলোকে খবৰ দিছিল ৰাজকন্যা এই পূৰ্ণিমাত মন্দিৰ দৰ্শন কৰিব আহিবই। লক্ষ্মীমন্দিৰো সেই কাৰণেই চাফ চিকুণ কৰি ৰখা হৈছে। ৰখীয়া পৰীয়াৰো ব্যৱস্থা কৰা হৈছে।

মাধৱনন্দনৰ মুৰত পিছে দুঃশ্চিন্তাই বাহ লৈছে। যেতিয়ালৈকে সৈন্যজাকৰ কোনো খবৰ পোৱা নাযায় তেতিয়ালৈকে দুঃশ্চিন্তা কমাৰ লক্ষণো নাই। মাধৱনন্দনে হুমুনিয়াহ এটা এৰি অৰ্জ্জুনলৈ চালে। অৰ্জ্জুনে ভাগৰত শেতেলীখনতে শুই পৰিছিল। টোপনিও আহিছিল বোধকৰো। মাধৱনন্দনে অৰ্জ্জুনৰ গাতো এবাৰ হেঁচুকি চাই নিঃশ্চিত হ’ল অৰ্জ্জুনৰ গভীৰ টোপনি আহিছে বুলি। মাধৱনন্দনে নাৰায়ণক অৰ্জ্জুনৰ লগত থাকিব কৈ নিজে চাদৰ এখন গায়ে

মূৰে মেৰিয়াই লৈ বশিষ্ঠৰ লগত বাহিৰলৈ ওলাই আহিল।

বাহিৰ খন অন্ধকাৰ।

আঁতৰৰ ঘৰবোৰত জ্বলি থকা চাকিৰ পোহৰ বেৰৰ জলঙাইদি বাহিৰৰ পৰা মনিব পৰা হৈ আছে। মাধৱনন্দন আৰু বশিষ্ঠই চাৰিওফালে সতৰ্ক দৃষ্টি বুলাই লক্ষ্মীমন্দিৰৰ চৌহদত ভৰি দিলে। মন্দিৰৰ চৌহদত কোনো নাই তেতিয়া। গধূলিৰ আৰতি দি পুৰোহিতো কেতিয়াবাই গ'লগৈ। মাধৱনন্দনে ওপৰে-ওপৰে চাই নিঃশ্চিত হ'ল যে মন্দিৰৰ গৰ্ভগৃহৰ মূল প্ৰকাণ্ড কাঠৰ দৰ্জ্জাখন বাহিৰৰ পৰা বন্ধকৰি থ'ব পাৰিলেই তেওঁলোকৰ উদ্দেশ্য সাধিত হ'ব।

কিন্তু.....

চূড়ান্ত মূহুৰ্তটোত ৰাজকন্যাক যদি অকলশৰীয়া কৰিব পৰা নাযায় , তেতিয়া?

মাধৱনন্দন ভাৱত বিভোৰ হৈ পৰিছিল।

সেয়েহে হঠাতে আঁতৰৰ পৰা কোনোবাই মতা শব্দত উমান নাপালেও পিছৰ বাৰৰ মাতত উচপ খাই উঠি পিছলৈ চাই পঠিয়ালে মাধৱনন্দনে।

'অচিনাকি যেন লাগিছে! ক'ৰ পৰা অহা হৈছে? কি পৰিচয়?'

কথাষাৰ সুধি সুধি প্ৰৌঢ় মানুহ এজন ধীৰে-ধীৰে খোজ দি আহি থকা দেখি মাধৱনন্দন ঠাইতে ৰৈ দিলে।

বশিষ্ঠয়ো আহি থকা মানুহজনলৈ চাই পঠিয়ালে।

মানুহজন তেতিয়াও আঁতৰত আছে, মুখখনো চকুত পৰা নাই বশিষ্ঠৰ।

'সেইজন আকৌ লগত কোন?' আকৌ সুধিলে মানুহজনে।

'মই! বশিষ্ঠ।' নিজৰ পৰিচয়তো দি বশিষ্টই এখোজ আগুৱালে।

'কোন বশিষ্ঠ? ' প্ৰশ্নটো সুধি এখোজ আগুৱাই আহিল মানুহজন। এইবাৰ ক'লে তেওঁ , 'অ। আমাৰ হাতী চিকাৰীহে। মই অন্ধকাৰত মনিবই পৰা নাছিলো। বুঢ়া হ'লো নহয়। পিছে....' এইবাৰ চকুৰ দৃষ্টি মাধৱনন্দনৰ মুখত থৈ তেওঁ সুধিলে ' এখেতবা আৰু কোন? নাৰায়ণতো নহয়!!'

'এখেত.....' বশিষ্ঠই ভাবি নাপালে কি বুলি মাধৱনন্দনৰ পৰিচয়তো দিব।

'মই উমানন্দ। বশিষ্ঠৰ মোমায়েক। বিশ্বনাথ বুলি আহিছো। দুদিনমান ইয়াতে কটাম বুলি ঠিৰাং কৰিছো। ভাগৰো গুচিব , আনপিনে পূণ্যও হ'ব।'

মাধৱনন্দনে উত্তৰ দিলে।

‘ এখেত অনংগদেৱ। লক্ষ্মীমন্দিৰৰ পাচনি।’ বশিষ্ঠই আগন্তুকৰ চিনাকিটো নিজেই দিলে।

‘ বোপাদেউ বা কেতিয়া আহিলে!!’।

‘ দুদিনমান হ’ল।’ মাধৱনন্দনে মিছা মাতিলে।

‘ ক’ত আছে?’ সুধিলে অনংগদেৱে।

মাধৱনন্দনে কি উত্তৰ দিব ভাবি ওৰ নাপালে।

‘ ভাগিনৰ লগতে কিজানি?’ আকৌ সুধিলে অনংগদেৱে।

‘ অ।’ শলাগিলে মাধৱনন্দনে।

‘ মন্দিৰ দৰ্শন হ’ল জানো?’

‘ নাই কৰা। অহাকালিলৈহে কৰিম বুলি ঠিৰাং কৰিছো।’

‘ তেতিয়া হ’লে ......’ হঠাতে অৰণ্যৰ ফালৰ পৰা হাই উৰুমি এটা ভাঁহি অহা শুনি অনংগদেৱে কথাষাৰ অসমাপ্ত কৰি বৈ গ’ল। মাধৱনন্দন পিছে লগে লগে নিঃশ্চিত হ’ল শোণিতপুৰৰ সৈন্যজাক আহিছে বুলি। তেওঁ কিছু ভয়ো নোখোৱা নহয়। বশিষ্ঠৰ কাণত কথাএষাৰকৈ তেওঁ উভতি আহি নিজৰ শেতেলীখনতে নিতাল মাৰি শুই বশিষ্ঠলৈ অপেক্ষা কৰি ৰ’ল। অৱশ্যে বেছি সময় অপেক্ষা কৰিব লগা নহ’ল। কিছুসময়ৰ পিছতে বশিষ্ঠও আহি পালে। বশিষ্ঠৰ চকুৱে মুখে উত্তজনাৰ ভাৱ। সেপ ঢুকি বশিষ্ঠই ক’লে, ‘ সিহঁতে আপোনালোকৰ হাতত নিহত হোৱা সৈন্য দুটাৰ মৰাশ পাই চতুৰ্দ্দিশ চলাথ কৰিছে অজান আততায়ীৰ শুংসুত্ৰ বিছাৰি। সিহঁতৰ এটা দলহে ইয়ালৈ আহিছে জিৰাবলৈ বুলি। এটা দল গৈছে ৰাজধানীলৈ।’

মাধৱনন্দনে উশাহ সলালে।

অৰ্জ্জুনেও সেই সময়তে টোপনিৰ পৰা সাৰ পাই উঠি মাত লগালে, ‘ কি হ’ল?’

মাধৱনন্দনে বশিষ্ঠই কোৱা কথাখিনি চমুকৈ বৰ্ণালে।

‘ তেন্তে......’ অৰ্জ্জুনে হতাশামিশ্ৰত কণ্ঠৰে ক’লে ‘ সৈন্যদলটো অৰণ্যত থকালৈকে হাতীৰ জাকটো অনা টান হ’ব।’

‘ তথাপিও যিকোনো উপায়েৰে হ’লেও আনিবই লাগিব।’

‘ কেনেকৈ?’

‘ উপায় আছে।’ মাধৱনন্দনে ক’লে।

অৰ্জ্জুনে মাধৱনন্দনলৈ আশাৰে চাই ৰ’ল।

‘ সীমান্তৰ পৰা হাতীৰ জাকটো এইখিনি পোৱাবলৈ আমাৰ এদিন এৰাতি লাগিব। আনহাতে ৰাজকন্যা আহিব পূৰ্ণিমাৰ দিনাখন , অৰ্থাৎ আজিৰ পৰা তিনিদিনৰ পিছত। গতিকে আমাৰ হাতত অলেখ সময় আছে। সেইবুলিয়ে আমি এনেয়ে বহি শুই থকা উচিত নহ’ব। তুমি আৰু নাৰায়ণে অহাকালি অৰণ্যৰ বাটেদি আমাৰ সীমান্তলৈ যাবা। হাতীৰ জাকটো সীমান্ত পাৰ কৰি আনি এৰাতিৰ বাটত পোৱা পাহাৰখনৰ পাদদেশতে থ’বা। নাৰায়ণকো তাতে থৈ তুমি ইয়ালৈ আহিবা। মই ইতিমধ্যে শোণিতপুৰলৈ গৈ কুমাৰক লৈ আহিম আজিৰ পৰা ঠিক দুদিনৰ অন্তত। সেইদিনাখনৰ ৰাতিয়েই আলচ কৰি ঠিৰাং কৰি পেলাম....’

মাধৱনন্দন বৈ গ’ল হঠাতে।

অৰ্জ্জুন আৰু নাৰায়ণো নীৰৱে ৰ’ল।

বশিষ্ঠই একোণত জ্বলি থকা চাকিটো ফু মাৰি নুমাই দিয়াৰ লগে-লগে কোঠাটো অন্ধকাৰত ডুব গ’ল।

চাৰিওজনে উৎকৰ্ণ গৈ ক্ষণ গণি ৰ’ল।

প্ৰত্যেকৰে কাণৰ পৰ্দাত তেতিয়াও ভাঁহি আছিল বাহিৰৰ চোতালৰ পৰা ভাঁহি অহা কাৰোবাৰ গলগলীয়া কণ্ঠস্বৰ , ‘ বশিষ্ঠ !’

কিছুসময়ৰ পিছত আকৌ কাৰোবাৰ গলগলীয়া কণ্ঠস্বৰ ভাঁহি আহিল , ‘ বশিষ্ঠ !’

বশিষ্ঠই নিঃশব্দে চুচুৰি চুচুৰি মাধৱনন্দনৰ গাৰ কাষ চাপি আহিল। ফুচফুচাই সুধিলে ‘ কি কৰো এতিয়া ?’

‘ মাতটো ধৰিব পাৰিছা ?’

‘ নাই পৰা। কিন্তু চিনাকি যেন লাগিছে।’

‘ সোধাছোন কোন বুলি।’ মাধৱনন্দনে পৰামৰ্শ দিলে।

বশিষ্ঠই দীঘলকৈ উশাহ এটা লৈ আড়ষ্ট কণ্ঠেৰে সুধিলে ‘ কোন ?’

‘ মই। অনংগদেৱ। মন্দিৰৰ পাচনি।’

বশিষ্ঠই মাধৱনন্দনলৈ চালে। মাধৱনন্দনে অৰ্জ্জুনলৈ চাই পঠিয়ালে। চকুৰ ইংগিতৰেই দুয়ো যেন ভাৱ বিনিময় কৰিলে। মাধৱনন্দনে ক’লে ‘ তুমি

দুৱাৰখন খুলি বাহিৰলৈ ওলাই যোৱাটোৱেই উচিত হ'ব বশিষ্ঠ। কিন্তু তেওঁক পৰাপক্ষত ভিতৰলৈ নানিবা। কি কয় মাথো শুনিবা। তুমি কথা কমকৈ ক'বা। আমাৰ প্ৰসংগ এৰাই চলিবা।'

বশিষ্ঠই দুৱাৰ দাংডাল খুলি বাহিৰৰ চোতাললৈ ওলাই গ'ল।

বশিষ্ঠৰ হাতত টিপ চাকি এটা।

বাহিৰৰ চোতালখনত অনংগদেৱ ঠিয় হৈ আছিল। তেওঁ ওচৰত আন এজন পুৰুষ , পুৰুষজনৰ এহাতত জোৰ এপাত। তেওঁক দেখিয়েই বশিষ্ঠই সৰ্ব্বাংগ কঁপি উঠিল অজান আশংকাত। এই অসময়ত ৰাজকীয় সৈন্যএজনক লগ পাবলৈ বশিষ্ঠ অকণো প্ৰস্তুত নাছিল।

' তোমাৰ হাতীটো আছে নে নাই বশিষ্ঠ ?' অনংগদেৱে বশিষ্ঠক ওলাই অহা দেখিয়েই কোনো পাতনি নেমেলাকৈ সুধিলে।

' হাতী ?' বশিষ্ঠ অবাক হ'ল।

' অ। পিছে আমাকহে লাগিছিল। অনংগদেৱে কথাটো গম পাই আপোনাৰ কথা ক'লে। সেইদেখি......' সৈনিকজনে আধাকোৱাকৈ বৈ গ'ল।

' এতিয়া লগত হাতীটো নাই।' বশিষ্ঠই প্ৰায় লগে-লগেই মাত দিলে।

' আকৌ পাহাৰত বনৰীয়া কলগছ খাবলৈ এৰি থৈ আহিলা নেকি ?' অনংগদেৱে সুধিলে।

' অ।' বশিষ্ঠই শলাগিলে।

' তেতিয়া হ'লে হাতীটো লৈ আহিব লাগিব এৰি থৈ অহা ঠাইৰ পৰা। গভীৰ অৰণ্যত আমি গুপ্তঘাটক এজনক বিচাৰি উলিয়াব লাগে। সেইকাৰণেই আমাক হাতীৰ দৰকাৰ হ'ল। আপুনি পিছে অকণো চিন্তা নকৰিব। মহাৰাজৰ পৰা যাতে আপুনি পুৰস্কাৰ পায় তাৰ এটা দিহাও আমি কৰিম।'

' পিছে এই ৰাতিখন........'

' অকলে যাব ভয় কৰিছে যদি আমিও বাৰু আপোনাৰ লগতে যাম।'

বশিষ্ঠই এপলক ভাবি চাই ক'লে ' ঠিক আছে। আপোনালোক মন্দিৰতে **ৰওঁকগৈ মই সাজু** হৈ গৈ আছো।'

' পলম পিছে নকৰিব।' সৈনিকজনে যাওঁতে কৈ গ'ল।

'নকৰো।' কথাষাৰ কৈয়ে বশিষ্ঠ ভিতৰলৈ সোমাই আহি পুনৰ দাংডাল লগাই দিলে। ভিতৰত অৰ্জ্জুনহঁত উৎকৰ্ণ হৈ বহি আছিল। ভিতৰৰ পৰা বাহিৰৰ

প্ৰতিটো শব্দই অৰ্জ্জুনহঁতৰ কাণত পৰিছিল। বশিষ্ঠই সেয়েহে পুনৰ পাতনি মেলিব লগা নহ'ল। বশিষ্ঠই টিপ চাকিটো মজিয়াত থৈ নিজৰ শেতেলীখনত বহি লৈ অৰ্জ্জুনলৈ চালে। অৰ্জ্জুনে মাধৱনন্দনলৈ চাই আছিল। মাধৱনন্দনৰ চকুৰে মুখে ভাৱ-লেশহীন চাৱনি এটা বিৰাজ কৰিছিল।

বেছকিছুপৰ কোঠাটোৰ পৰিবেশ থমথমীয়া হৈ ৰ'ল।

কাৰো মুখত কোনো কথা নাই।

অৱশ্যে সকলোৱে জানে মাধৱনন্দনেই খন্তেক পিছতে এই নীৰৱতা ভংগ কৰিব লাগিব। মাধৱনন্দনৰ মস্তিস্কত এতিয়া পাকঘূৰণি খাই থকা অলেখ চিন্তাভাৱনাবোৰ সুস্থিৰ নোহোৱালৈকে তেওঁক ব্যতিব্যস্ত কৰি কোনো লাভ নাই।

এটা সময়ত সেয়েই হ'ল।

মাধৱনন্দনে মাত লগালে , ' বশিষ্ঠ।'

বশিষ্ঠই মাধৱনন্দনৰ মুখলৈ চাই নীৰৱে ৰ'ল।

' ৰজাৰ সৈন্যই বিচাৰিছে যেতিয়া তুমি নগ'লে আমাৰো বিপদ হ'ব। কিন্তু তুমি যাবা পলমকৈ। মোৰ বোধেৰে শেহৰাত্ৰিৰ পিছতহে যোৱাটো ঠিক হ'ব। আকৌ মন্দিৰৰ পৰা যাত্ৰা আৰম্ভ কৰোতেও যাতে অযথা পলম হয় তাৰ প্ৰতিও চকু ৰাখিবা। কিন্তু চাবা যাতে কোনো পধ্যেই কাৰোৰে মনত সন্দেহৰ ভাৱ নোপজে। পিছে......'

' পিছে কি?'

' হাতীটো য'ত মেলি দিছা অথবা য'ত থাকিব পাৰে তালৈকে পোনে-পোনে নাযাবা। প্ৰথমে বিপৰীত দিশলৈকেহে যাবা। হাতীটো বিচাৰি পাৰিলে অহাকালি গোটেই দিনটো কটাই দিবা। গধুলিৰ সময়তহে যাতে হাতীটো পোৱা তাৰ প্ৰতি চকু ৰাখিবা। কিন্তু আকৌ কৈছো তেওঁলোকে যাতে ঘূণাক্ষৰেও তোমাৰ উদ্দেশ্যৰ উমান পাব নোৱাৰে।'

' তাৰপিছত?'

' তাৰপিছত অৰণ্যত তেওঁলোকক অনাই বনাই ফুৰাবা। আৰু এইখিনি কৰিলেই তোমাৰ কাম শেষ হ'ব।'

' ঠিক আছে।'

' এতিয়া তুমি পুনৰ শুই লোৱা। অকণো চিন্তা নকৰিবা। সময়ত ময়ে তোমাক টোপনিৰ পৰা জগাই দিম।'

৬

দামোদৰৰ বৈ বৈ অধৈৰ্য্য লাগি আহিছিল। আজি তিনিদিন হ'ল বটগছজোপাৰ তলত নিশা নিৰ্দিষ্ট সময়ছোৱাত চোপলৈ বৈ থকা। বেছি সময়ো একেৰাহে বৈ থকাতো নিৰাপদ নহয়। দুখন বা তিনিখন তামোল খাই শেষ কৰাৰ পিছতে দামোদৰ গুছি আহে। আনকালে পিছে এনেকুৱা নহয়। প্ৰথমখন তামোল খাই শেষ নহওঁতেই মালতী আহি উপস্থিত হয়। সেয়েহে এই দুদিন একেৰাহে মালতী আহি নোলোৱাত দামোদৰৰ ধৈৰ্য্যৰ বান্ধ ছিগি গ'ল। গধূলিৰ আন্ধাৰজাক এতিয়া বেছ গাঢ় হৈ আহিছে। বটগছজোপাৰ ঠাল ঠেঙুলিয়ে ঠাইখিনি আৰু বেছি অভেদ্য কৰি তুলিছে। সেইখিনিৰ পৰা কাৰেঙৰ ৰান্ধনীশালটো কিছু ওচৰত। ৰান্ধনীশালৰ খোলা খিৰিকীৰ ফাঁকেৰে দেখা গৈছে ৰান্ধনীশালৰ ৰান্ধনি কেইটাক। হঠাতে দামোদৰৰ খেয়াল হ'ল খিৰিকীৰ ফাঁকেৰে তেওঁকো যিকোনো মূহুৰ্ততে দেখা পাই যাব পাৰে। তদুপৰি গৰু গাড়ীখনৰ পৰা খৰিৰ বোজা নমোৱাও কিজানি এতিয়া শেষ হৈ গৈছে। দামোদৰে শেষবাৰৰ বাবে আঁতৰৰ কাৰেং ঘৰটোলৈ বুলি চাই পঠিয়ালে। তাৰপিছত হুমুনিয়াহ এটা এৰি ধীৰে-ধীৰে খোজ দি পুনৰ ৰান্ধনীশাল পালেহি। ৰান্ধনীশালৰ ৰান্ধনি পুৰন্দৰে দামোদৰক দেখিয়েই কৈ উঠিল , ' মই আকৌ তুমি গুচি গলাই বুলি ভাবিলো খৰি অনা গৰুগাড়ীখন গাৰোৱানটোবে লৈ যোৱা দেখি।'

' গাড়ীখন গ'লেই নেকি?' দামোদৰে ওলোটাই শুধিলে।

' এইমাত্ৰ গ'ল। তুমি হ'বলা গৰুৰ ডিঙিৰ টিলিঙাকেইটাৰ শব্দও নুশুনিলা!!'

' মই সৌ বননিডৰাতে খোজ কাঢ়ি আছিলো , সেইকাৰণেই হ'বলা নুশুনিলো।'

'কিন্তু চাবা আগলৈ খোজ কাঢ়িব মন গ'লে ভুলতো বটগছজোপাৰ তললৈ নাযাবা।'

' বটগছ জোপাৰ তললৈ? ভুত-প্ৰেত ওলাইছে নেকি?' দামোদৰৰ কৌতুহল উপজিল।

' ভুত-প্ৰেত নহয়। কিন্তু তাতকৈয়ো মাৰাত্মক। নহয়নে বাসুদেৱ?' পুৰন্দৰে আঁতৰত পাচলি কুটি থকা ৰান্ধনিটোলৈ চাই মিচিকিয়াই হাঁহি সুধিলে। দামোদৰ ভিতৰি-ভিতৰি যথেষ্ট উত্তেজিত হৈছিল। কিন্তু নিজৰ উত্তেজনা বহু

কষ্টৰে প্ৰশমিত কৰি এইবাৰ কণ্ঠস্বৰত কৌতুহল মিহলাই সুধিলে, ‘ তোমালোকে যে কি কথা পাতিছা মই হ'লে অকণো ধৰিব পৰা নাই।’

‘ তুমি সঁচাকৈয়ে একো গম পোৱা নাইনে?’ পুৰন্দৰ যেন যথেষ্ট আচৰিত হ'ল।

‘ অ।’ দামোদৰে মুৰ জোকাৰিলে।

‘ শুনা তেন্তে।’ পুৰন্দৰে প্ৰায় অনুচ্চ কণ্ঠেৰে ক'লে ‘ আজি এমাহমান আগেয়ে কাৰেঙলৈ এগৰাকী নতুন লিগিৰী আহিছিল। তাইৰ নাম মালতী। দেখাই শুনাই বেছ ধুনীয়া। সেয়েহে এককোবে মহাৰাজৰ আলধৰা হৈছিল। মহাৰাজকো বোলে এই দুদিনতে মুহি পেলাইছিল। কিন্তু.......’

‘ কিন্তু কি?’ দামোদৰৰ বুকুৰ ঢপঢপনি ক্ৰমশঃ বাঢ়ি আহিব ধৰিলে।

‘ আজি দুদিন আগেয়ে তাই হেনো বটগজোপাৰ তলতে ৰাতি কাৰোবাক সংগ দিছিল।’

‘ তাৰ পিছত?’

‘ তাৰ পিছত আৰু হ'ব কি? ধৰা পৰিল আকৌ মাধৱনন্দন চোৰাং চোৰাৰ হাতত। থলেগৈ পোতাশালত।’

‘ পোতাশালত?’

‘ অ। তাইলৈ ব্যথা উপজিছে। কাৰেঙৰ অজস্ৰ লিগিৰীয়ে গোপনে লীলা-খেলা কৰে। বেছি ভাগেই ধৰা নপৰে। কোনোবা কেতিয়াবা ধৰা পৰিলেও আমি পিছে পোতাশালত থোৱা কেতিয়াও শুনা নাই। আজি শুনিলো পোতাশালত তাই আহাৰ পানীও গ্ৰহণ কৰা নাই। শুনি মহাৰাজৰো বোলে দয়া উপজিছে। অহাকালি ৰাতিপুৱাতে মুকলি কৰি দিব হেনো।’

‘ তাইনো কাৰ লগত.....’

‘ কোননো হ'ব আৰু........ আমাৰ ৰখীয়া পৰীয়াৰে কোনোবা এটা হ'ব আৰু। কাৰেঙলৈ বাহিৰা মানুহনো আৰু কোন আহিব? তুমিয়ে ভাবিচোৱাছোন?’

দামোদৰৰ উত্তেজনা কিছু প্ৰশমিত হ'ল।

আশাৰ ৰেঙনি অকণমান ওলাইছে এতিয়া।

দামোদৰ পুৰন্দৰৰ পৰা বিদায় লৈ ঘাটলৈ আহিল।

ৰূপহীজানৰ ঘাটত তেতিয়া কুৰি খনতকৈয়ো অধিক নাওঁ বন্ধা আছে।

দুখনমানতহে টিপ চাকি জ্বলোৱা আছে। তাৰে চৈ থকা নাওঁ আছে মাত্র এখনেই। দামোদৰে সেইখনলৈ বুলি গৰালৈ নামি গ'ল। চৈৰ ভিতৰত নাৱৰীয়া এজনেই আছিল। মালতীৰ ককায়েকজন। দামোদৰেই পোনতে মাত লগালে 'বতৰা দিলানে?'

'দিলো।'

'মহাৰাজে কি ক'লে?'

'বিতং বাতৰি সুধি পঠিয়াইছে। মই পিছে কৈ আহিছো দুই এদিনতে আৰু অধিক খবৰ দিব পৰা যাব বুলি।'

'ঠিক আছে।' দামোদৰে যাবলৈ ওলাই ক'লে, 'অহাকালি ৰাতিপুৱা সাজুহৈ থাকিবা। মই যিকোনো সময়তে আহি ওলাম।'

দামোদৰে কথাযাৰ কৈ শেষ কৰিয়ে নাওঁৰ পৰা নামি আহি গৰাত ভৰি দিওঁতেই পিছফালৰ পৰা কোৱা শুনিলে 'মালতীৰ কুশলনে?'

'অ।'

এইবাৰ দামোদৰ আৰু নৰ'ল। বেগাই খোজ দি গৰাৰ পৰা উঠি আহি ৰাজআলি পালে। আলিত কোনো নাই তেতিয়া। অন্ধকাৰ। দামোদৰৰ অস্বস্তি লাগিল। কি কৰিব এতিয়া তেওঁ? অহাকালি যদি প্রত্যুষতে মালতীক পোতাশালৰ পৰা মুক্তি নিদিয়ে, তেন্তে?

দুঃশ্চিন্তাৰে নিশা উজাগৰে কটালে দামোদৰে।

ৰাতিপুৱাতে দামোদৰ পোতাশাললৈ যোৱা বাটৰ মুখতে উপস্থিত হ'ল। দামোদৰ পিছে বেছি সময় ৰ'ব নালাগিল। দামোদৰে দূৰৈৰ পৰা দেখিলে মালতীক খোজ কাঢ়ি আহি থকা। এই দুদিনতে মালতীৰ শৰীৰত যেন অকালতে বাৰ্দ্ধক্য আহি উপস্থিত হৈছে। থৰক-বৰক খোজ দি মালতী আহি থকা দেখি দামোদৰ নিজে আগবাঢ়ি গ'ল। দামোদৰক দেখিয়েই মালতীৰ শেঁতা পৰা শুকান মুখখনলৈ কিছু জীপ আহিল। দামোদৰে পিছে একো নক'লে। মালতীয়ে নীৰৱে দামোদৰে ইংগিত দিয়া মতে দামোদৰক অনুসৰণ কৰি আহি এটা সময়ত ৰূপহীজানৰ ঘাট পালেহি। ঠিয় গৰাটোৰেদি নামি নাওঁখনত ভৰি দিওঁতে বেছ কষ্ট সহ্য কৰিব লগা হৈছিল। নাওঁৰ চৈৰ ভিতৰত মালতীক দেখিয়েই ককায়েক বিবুধিত পৰিছিল। দামোদৰে আদেশৰ সুৰত কৈ উঠিল, 'এইক লৈ এতিয়াই ৰাজধানীলৈ গুছি যোৱা।'

'কিন্তু....' মালতীয়ে চৈৰ ভিতৰত শুই থকাৰ পৰায়েই মাত দিলে।

' কিন্তু কি হ'ল মালতী?' দামোদৰে সুধিলে।

' পোতাশালৰ ৰখীয়াৰ পৰা গম পাইছিলো মোক ধৰা পেলোৱা মাধৱনন্দন বোলা ডাঙৰীয়াজন কোনোবা অৰ্জ্জুনৰ সৈতে গোপনে শোণিতপুৰলৈ গৈছে। ৰাজকুমাৰো গৈছে, কিন্তু তেওঁ গোপনে যোৱা নাই। কিয় গৈছে পিছে কোনেও নাজানে।'

' এতিয়া পিছে জনাৰো কোনো উপায় নাই।'

মালতীয়ে একো নামাতিলে।

দামোদৰ নীৰৱে ৰ'ল। মালতীৰ ককায়েকে মাথো মাত দিলে ' এতিয়া আমি যাত্ৰা আৰম্ভ কৰাটোৱেই উচিত হ'ব।'

দামোদৰে নীৰৱেই নাৱঁৰ পৰা নামি আহিল।

ৰূপাঞ্জলীৰ দুচকো পুনৰ সজল হৈ আহিল। তিনিদিন তাই ৰাতিপুৱা আৰু আবেলি ৰূপহীজানৰ পাৰে-পাৰে খোজ কাঢ়ি-কাঢ়ি মাজে-মাজে ডিঙি মেলি মেলি দূৰলৈ চাই পঠিয়ায়। প্ৰতিবাৰেই তাই হতাশ হয়। মনটো দুঃশ্চিন্তা আৰু অবুজ বেদনাৰে ভাৰাক্ৰান্ত হৈ পৰে। এটা সময়ত তাই মনটো ওন্দোলাই গুচি আহে ঘৰলৈ। ঘৰটো তাইৰ মনটো নবহে। দিনতো তাই আমন-জিমনকৈ কটাই দিয়ে। ৰূপাঞ্জলীৰ মনৰ পৰিবৰ্ত্তন ৰাধিকাই লক্ষ্য নকৰা নহয়। ৰাধিকাই বহু ভাৱিও ওৰ নাপালে ৰূপাঞ্জলীৰ হঠাৎ হোৱা পৰিবৰ্ত্তনৰ ৰহস্য। সদা লাস্যময়ী ছোৱালীজনী হঠাতে বেদনাগধুৰ হৈ পৰা দেখি ৰাধিকাৰো বেয়া লাগিল। ৰূপাঞ্জলীয়ে দুপৰীয়া পীৰালীত বহি উকা দৃষ্টিৰে আকাশখনলৈ চাই থকা দেখি ৰাধিকাই মাজতে আহি সান্তনাও দিলে ' দেউতাৰৰ কথা ভাবি চিন্তি মন বেয়া কৰি নাথাকিবি। তেওঁ কুশলেই আছে কিজানি। ভগৱানে তেওঁক ভালে কুশলে আকৌ তোৰ ওচৰ পোৱাবহি চাই থাকিবি।'

ৰূপাঞ্জলীয়ে পিছে মুখ ফুটাই ক'ব নোৱাৰিলে যে তাইৰ মনৰ এই অৱস্থাৰ আঁৰত তাইৰ দেউতাক নাই।

আছে অইন কোনোবা এজন।

ৰাজকুমাৰ সূৰ্য্যসিংহ তেওঁৰ নাম।

জীৱনত এই প্ৰথম বাৰৰ বাবে অনাত্মীয় যুৱক এজনক দেখি তাইৰ হিয়া ব্যাকুল হৈ উঠিছে। ৰূপাঞ্জলীয়ে অনুভৱ কৰিলে এই অনুভূতি খিনিয়ে হ'ল প্ৰেম।

আৰু প্ৰথম প্ৰেমৰ আৰম্ভণীতে বিচ্ছেদৰ জ্বালাই তাইক কাহিলো নকৰা নহয়। কিন্তু অচিৰেই আন এটা আঘাতেও যে তাইক পুনৰ ধৰাশায়ী কৰি পেলাব সেয়া তাইৰ সপোনৰো অগোচৰ আছিল। আবেলিৰ গোটেই সময়ছোৱা ৰূপহীজানৰ পাৰে-পাৰে ধীৰে-ধীৰে খোজ কাঢ়ি কটাই এটা সময়ত ৰূপাঞ্জলী আকৌ হতাশ হৈ ঘৰত ভৰি দিছিল। নিশা চিত্ৰসেনে ৰাধিকাক কোৱা শুনিছিল তাই, ' আমাৰ ৰাজকুমাৰ সৌ সিদিনাখন বিদ্যা সাং কৰি আহিছিলহে মাথোন, এতিয়া আকৌ বোলে দেশ ফুৰিবলৈ গ'ল। এইবাৰ গৈছে শোণিতপুৰলৈ। অহা পূৰ্ণিমাৰ পিছতহে ঘূৰি অহাৰ কথা।'

ৰাধিকাই কি ক'লে ৰূপাঞ্জলীৰ শুনিবলৈ ধৈৰ্য্য নাথাকিল।

তাইৰ যেন অন্তৰখন ভাঙি চুৰমাৰ হৈ গ'ল।

এটা কথাই তাইক অনবৰতে ব্যতিব্যস্ত কৰি ৰাখিলে।

ৰাজকুমাৰ হঠাতে বিদেশলৈ গ'ল কিয়?

**ম**হাৰাজ ৰত্নসিংহই ৰাজকাৰেঙৰ মন্ত্ৰণাকক্ষত অস্থিৰ ভাৱে বহুসময় পায়চাৰি কৰি থাকি এটা সময়ত আসনত বহি ল'লে। তেওঁ ভাগৰো অনুভৱ কৰিলে। চকুহাল মুদ খাই আহিল তেওঁৰ।

এইকেইদিন বৰ উত্তেজনাৰে পাৰ হৈ গ'ল।

ৰাজকুমাৰ কুশলে শোণিতপুৰ পোৱাৰ খবৰ পায়ো মহাৰাজৰ উত্তেজনা অকণো কমা নাছিল। অৰ্জ্জুনহতঁৰ পৰা কোনো খবৰ নাপায়ো তেওঁৰ দুঃশ্চিন্তা উপজা নাছিল।

ৰত্নসিংহক ভাৱাক্ৰান্ত কৰিছিল অন্য এটা ঘটনাই।

কাৰাগাৰত মালতীয়ে আহাৰ পানী গ্ৰহণ নকৰা শুনি ৰত্নসিংহ পোনপ্ৰথমে আচৰিত হোৱা নাছিল। কিন্তু দ্বিতীয় দিনাও একে সংবাদ শুনি মহাৰাজ ৰত্নসিংহ যৎকিঞ্চিত বিমোৰত পৰিল। কাৰেঙৰ লিগিৰী এজনী পীৰিতি কৰি ধৰা পৰাৰ পিছত তেনেকুৱা আচৰণ কৰাতো এটা সচৰাচৰ হোৱা ঘটনা নহয়। মহাৰাজে মাধৱনন্দনহঁতে কৰা সন্দেহতো প্ৰথমে অবিশ্বাস কৰিলেও একোবাৰ মনটো জোকাৰণিও দি যায়। সামান্য লিগিৰী এজনীয়ে ৰজাৰ আলধৰা লিগিৰীৰ দৰে লোভনীয় আৰু পৰম আকাঙ্খিত বাব এটা পোৱাৰ পিছত কোনোবা ৰখীয়া পৰীয়াৰ লগত হিয়া দিয়া নিয়া কৰিব জানো!! অৱশ্যে মহাৰাজৰ সন্দেহটো গাঢ় হৈ আহিবলৈ যথেষ্ট সময় ল'লে। ইতিমধ্যেই দয়ালু অন্তৰখনৰ তাড়নাত

পৰি তেওঁ মালতীক মুকলি কৰাৰ আদেশ দি পেলাইছিল আৰু সেয়েহে যি সময়ত চোৰাংচোৱাৰ মুখে খবৰ আহিল যে মালতীয়ে ডাঙৰ সদাগৰী নাওঁ এখনেৰে ভটিয়াই গুচি গৈছে তেতিয়াহে তেওঁৰ বোধগম্য হ'ল তেওঁ কৰা ভুলটোৰ কথা।

ৰত্নসিংহই অৱশ্যে নাওঁখন ধৰিবলৈ বেগী নাওঁৰ দল এটাও পঠিয়াইছিল। কিন্তু সেইয়াও ফুটুকাৰ ফেনহে হ'ল। অধোমুখে ঘূৰি আহিছিল দলটো। তেতিয়াই তেওঁ অনুভৱ কৰিছিল অচিৰেই কালান্তক বিপদে দেখা দিব বুলি।

কিন্তু সেইয়া ইমান কম সময়ৰ ভিতৰতে দেখা দিব বুলি তেওঁ সপোনতো ভাবি পৰা নাছিল।

খবৰটো দিছিল এজন চোৰাংছোৱাই।

চোৰাংছোৱাজনে মালতীক দামোদৰৰ লগত গৈ থকা দেখিছিল।

আৰু দামোদৰ হ'ল ৰাজকাৰেঙৰ খৰি যোগানীয়াৰ। গধূলি গৰু গাড়ীএখনেৰে সি এবোজা খৰি ৰান্ধনীশালত যোগান ধৰে। সেয়েহে তাৰ ৰাজকাৰেঙৰ ৰান্ধনীশাললৈ অবাধ গতি।

আৰু ৰান্ধনীশালৰ ওচৰতে আছে বটগছজোপা!!

মহাৰাজ ৰত্নসিংহই তেতিয়াই দামোদৰক ধৰিবলৈ পৰীয়া পঠিয়াইছিল। সময় যিমানেই পলম হৈছে তেওঁ সিমানেই এতিয়া অধৈৰ্য্য হৈ পৰিছে।

'মহাৰাজ!'

মহাৰাজ ৰত্নসিংহই চকুহাল মুদি থাকি এটা সময়ত হয়তো চিলমিলকৈ টোপনিত পৰিছিল। সেয়েহে চোৰাংচোৱাজন সোমাই আহি সেৱা কৰি প্ৰথমবাৰ মাতোতে সম্বিত ঘূৰাই পোৱা নাছিল। পিছৰবাৰ মতাতহে খপজপাই সাৰ পাই চকুহাল বহলকৈ মেলি দি যথেষ্ট উদ্বিগ্নতাৰে সুধিলে 'কি হ'ল? দামোদৰ ক'ত??'

চোৰাংচোৱাৰ মুখখন শেঁতা পৰা, ভয় খাইছে সি।

'কি হ'ল?' আকৌ সুধিলে মহাৰাজে, 'দামোদৰক পালি নে নাই?'

'পালো।'

'তেন্তে তাক মোৰ ওচৰলৈ লৈ অনা নাই কিয়?' মহাৰাজে খঙৰে সুধিলে।

'দামোদৰক ধৰিবলৈ আমি তিনিজন গৈছিলো।' চোৰাংচোৱাজনে সেপ এটা ঢুকি ক'লে, 'দামোদৰে আমাক ফেপেৰি পাতি ধৰিছিল। আমাৰ দুটাক সি কাটিলেও। মোৰ লগতো তাৰ হতাহতি হ'ল।'

' তাৰপিছত?' মহাৰাজ অধৈৰ্য্য হ'ল।

' মোৰ হাততে সি মৰা পৰিল।' বহুসময় কওঁ নকওঁ কৈ থাকি অৱশেষত ভয়ত বিদীৰ্ণহৈ চোৰাংচোৰাজনে ক'লে।

ৰত্নসিংহ সিমানখিনিলৈকে শুনিবলৈ প্ৰস্তুত নাছিল।

' মন্ত্ৰী বজ্ৰদত্তক খবৰ দেগৈ মই বিচাৰিছো বুলি।' মহাৰাজ ৰত্নসিংহই বহুবেলিৰ মূৰকতহে কথাষাৰ ক'লে।

ৰূপহীজান নৈ খন বহুদূৰ অকাই পকাই গৈ এটা সময়ত পালৰাজ্যত সোমাইছেগৈ , পালৰাজ্যৰ মাজেৰেও বহুদুৰ অকাই পকাই গৈ ওখ-ওখ পাহাৰৰ পৰা বৈ অহা অসংখ্য জান-জুৰিৰ লগ লাগিছে।

মালতীহতেঁ আধাছোৱা বাট গৈয়েই এঠাইৰ পৰা পাৰত বৈ থকা দহজন লোকক নাওঁত উঠাই লৈছিল। তেওঁলোক আছিল পাল ৰাজ্যৰ চোৰাংচোৰা। তেওঁলোক নাওঁত উঠিয়েই অবিৰাম বৈঠা মাৰিবলৈ ধৰিলে। আশাকৰাতকৈ বহুকম সময়ৰ ভিতৰতে পালৰাজ্য পালেগৈ মালতীহঁতে।

মালতীয়ে আগেয়ে মহাৰাজ অজিতপালক স্বচক্ষে কেতিয়াও দেখা পোৱা নাছিল। সেয়েহে পালৰাজ্য পাই মহাৰাজ অজিতপালে তাইক মতা শুনি মালতীৰ শৰীৰত শিহৰণ উঠিল। মহাৰাজ অজিতপালে অৱশ্যে তাইক কোনো কথা সোধা নাছিল। তাই মাথো এফালৰ পৰা কৈ গৈছিল তাইৰ কবলগীয়াখিনি।

মালতীয়ে অৱশ্যে উপলব্ধি কৰিব পৰা নাছিল তাই কোৱা কথাৰ মমাৰ্থ।

বুজিছিল মাথো অজিতপালে।

সেয়েহে মালতী যোৱাৰ পিছতে অজিতপালে আদেশ দিলে ' শোণিতপুৰৰ পৰা ৰাজকুমাৰ সূৰ্য্যসিংহৰ ডাঁৱৰ বাতৰি মই ডাঁৰে পাব লাগিব। আৰু পাব লাগিব চোৰাংচোৰা মাধৱনন্দনৰ বাতৰিও।'

অজিতপালৰ আদেশ লৈ মন্ত্ৰী উগ্ৰসেন আঁতৰি যাব ওলাইছিল। কিন্তু অজিতপালে পুনৰ মাতিল উগ্ৰসেনক। উগ্ৰসেনে অজিতপালক সেৱা এটা কৰি ক'লে ' আদেশ কৰক মহাৰাজ।'

' মই শোণিতপুৰৰ মহাৰাজলৈ বাৰ্ত্তা এটা পঠিয়াম। আপুনি কাকতী এজন পঠিয়াই দিব মোৰ ওচৰলৈ।'

৭

বশিষ্ঠ যোৱাৰ পিছতো মাধৱনন্দনহতঁৰ টোপনি নাহিল। লক্ষ্মীমন্দিৰৰ চৌহদৰ পৰা হাই উৰুমিবোৰ মাজনিশাৰ নির্জ্জনতা ভেদ কৰি মাধৱনন্দনৰ কাণত পৰিছিল। বশিষ্ঠ যোৱাৰ বেছ কিছুপৰলৈকে হাই উৰুমিবোৰ ভাঁহি আহি আছিল। এটাসময়ত হঠাতে সকলো পুনৰ শান্ত হৈ পৰিল। তথাপিও মাধৱনন্দনৰ টোপনি নাহিল। এশ এবুৰি দুঃশ্চিন্তাই মাধৱনন্দনৰ মনৰ স্থিৰতাখিনি নিঃশেষ কৰি দিছিল। শেহৰাত্রিহে খন্তেকৰ বাবে চিলমিলকৈ টোপনি আহিছিল। কিন্তু প্রথম কুকুৰাৰ ডাকতে খকমকাই সাৰ পায়েই মাধৱনন্দনে অর্জ্জুন আৰু নাৰায়ণক টোপনিৰ পৰা জগাই দিলে। মাধৱনন্দনে নিজেও শেতেলীখনৰ পৰা উঠি লৈ ক'লে ' তোমালোক দুয়ো সোনকালে সাজু হৈ লোৱা। প্রত্যুষতে যাত্রা আৰম্ভ নকৰিলে অযথা পলম হ'ব।'

নাৰায়ণে বিস্ময়ৰ চাৱনিৰে চাই সুধিলে ' ক'লৈ যাব লাগিব আমি?'

' তোমালোক দুয়ো যাবা আমাৰ ৰাজ্যৰ সীমান্তৰ পৰা হাতীৰ পালটো আনিবলৈ।'

'আৰু তুমি?' এইবাৰ সুধিলে অর্জ্জুনে।

' মই যাম শোণিতপুৰলৈ।'

অর্জ্জুর্ন সাজু হওঁতে পলম নকৰিলে। কিন্তু ঘৰটোৰ পৰা ওলাই যোৱাৰ আগমূহূর্তত বেছ চিন্তিত হৈ সুধিলে ' মোৰ কিন্তু এটা কথা ভাবি বেছ দুঃশ্চিন্তা হৈছে। আমি হাতী পালটো লৈ আহোঁতে যদি বশিষ্ঠহতঁৰ লগত মুখামুখি হওঁ আমাৰ বিপদ কুলাই পাচিয়ে নধৰা হ'ব।'

' ময়ো সেইটো চিন্তা কৰি চাইছো।' মাধৱনন্দনে ক'লে ' বশিষ্ঠক অৱশ্যে কৈ পঠিয়াইছো সৈন্যজাকটো আমাৰ সীমান্তৰ পৰা আঁতৰলৈ লৈ যাবলৈ। উত্তৰৰ পর্ব্বতৰ ফাললৈকে লৈ যাবলৈ চেষ্টা কৰিব কৈছো।'

' বশিষ্ঠ সফল নহ'বও পাৰে।'

' বশিষ্ঠই পাৰিব। মোৰ বিশ্বাস আছে। গোটেইখন হাবি তাৰ নখদর্পনত।'

অর্জ্জুনে আৰু একে নামাতিলে।

' আমি পূর্ণিমাৰ আগনিশা ইয়াতে আকৌ লগ হ'ম। মনত ৰাখিবা।'

' ঠিক আছে।'

অৰ্জ্জুনহঁত যোৱাৰ পিছতে মাধৱনন্দনো ওলাই আহিল।

বাহিৰত তেতিয়া কাহিলী-কাহিলী পোহৰ হৈছে।

কুঁৱলীৰ গাঢ়তা তেতিয়াও কমা নাই।

মাধৱনন্দনে কুঁৱলীৰ গাঢ়তাৰ আলমতে সকলোৰে অলক্ষিতে ঠাইখিনিৰ পৰা আঁতৰিব পাৰিলেই যেন সকলো বিপদৰ ওৰ পৰিব তেনেকুৱা এটা চিন্তাৰে বেছ খৰখোজেৰে খোজ দি লক্ষ্মীমন্দিৰৰ ওচৰ চাপোতেই মন কৰিলে কোনোবাই যেন তেওঁক পিছফালৰ পৰা মাতিব ধৰিছে। প্ৰথম বাৰ নুশুনাৰ ভাও ধৰিছিল, পিছৰবাৰ নোৱাৰিলে। নিচেই ওচৰৰ পৰা কোনোবাই মতা শুনি অৱশেষত ৰৈ যাবলৈ মাধৱনন্দন বাধ্য হ'ল।

'অ। উমানন্দহে। মই পিছে অইন কোনোবা বুলিহে ভাৱিছিলো।'

মাধৱনন্দনে পিছলৈ ঘূৰি চালে।

লক্ষ্মীমন্দিৰৰ পাচনি অনংগদেৱে মন্দিৰৰ চোতালৰ পৰা মাধৱনন্দনক কথাষাৰ কৈছিল। মাধৱনন্দনে ঘূৰি চোৱা দেখি পুনৰ মাত লগালে 'ক'লৈ যাব ওলাইছে এই ৰাতিপুৱাতে?'

'ৰাজধানীলৈ।'

'শোণিতপুৰলৈ? কেনেকৈ যাব? পদব্ৰজে?'

'আঁ। পিছে আঁহতগুৰিত সদাগৰ দুজনমান আছে। মোৰ চিনাকী, বন্ধু। তেওঁলোকৰ ঘোঁৰাবাগী আছে। সেইখিনিৰ পৰা তেওঁলোকৰ ঘোঁৰাবাগীৰেই শোণিতপুৰলৈ যাম বুলি ভাৱি থৈছো।' কথাষাৰ কৈয়ে মাধৱনন্দনে আকৌ খোজ দিবলৈ আৰম্ভ কৰিলে, যেন বৰ ব্যস্ত।

'আজি নিশালৈ ৰ'লে বশিষ্ঠও কিজানি আহি পাবহি। তাৰ হাতীৰেই......'

'কিন্তু আঁহতগুৰিলৈ এদিনৰহে বাট। এতিয়া গ'লে গধুলিৰ আগেয়ে গৈ পাম।'

'হয় পিছে।'

মাধৱনন্দনে ইতিমধ্যেই বেছ কিছুদুৰ আগুৱাই আহিছিল। অনংগদেৱে আৰু এষাৰ কথা সুধিছিল, মাধৱনন্দনে শুনা নাপালে। খৰ খোজেৰে মাধৱনন্দন আগবাঢ়ি গ'ল।

মাধৱনন্দনৰ লক্ষ্য হ'ল আঁহতগুৰি।

আঁহতগুৰিলৈ মাধৱনন্দন আগতেও আহিছিল।

গাওঁখন বেছ ডাঙৰ। হাতী , গৰু , মহ আদি বিভিন্ন জন্তুৰ বেপাৰৰ ঠাই। গাওঁখনৰ প্ৰায় প্ৰত্যেকৰে লগতে মাধৱনন্দনৰ চিনাকী আছে। পৰিচয়ো একেটাই , উমানন্দ। গৰুৰ বেপাৰী। উমানন্দ হিচাবে মাধৱনন্দনে দুবাৰ এশ গৰু কিনি নিছিল আঁহতগুৰিৰ পৰা। কিনিছিল সাত্যাকি বোলা এজনৰ পৰা। সেয়া যোৱা বছৰৰ কথা। মাধৱনন্দনে সেয়েহে ভাবি থৈছিল সাত্যাকিৰ পৰা ঘোঁৰাবাগী এখন লৈ আশা কৰাতকৈ বহু আগেয়েই শোণিতপুৰ পাব পৰা যাব বুলি।

আঁহতগুৰি পাওঁতে মাধৱনন্দনৰ গধূলি হৈছিল।

তথাপিও সাত্যাকিৰ ঘৰটো উলিওৱাত ভুল নহ'ল।

কিন্তু হতাশাই আবৰি ধৰিলে তাৰ কেইটামান মুহুৰ্ত্তৰ পিছতহে।

সাত্যাকি ঢুকাইছে!!

খবৰটো বিনামেঘে বজ্ৰপাতৰ দৰে হ'ল মাধৱনন্দনৰ বাবে। সাত্যাকিৰ ঘৰৰ পদুলিমুখতে সাত্যাকিৰ পুত্ৰ এজনক লগ পাই তেওঁৰ মুখতে সংবাদটো শুনি মাধৱনন্দন শিল পৰা কপৌৰ দৰে হ'ল। মাধৱনন্দনৰ তেনে অৱস্থা দেখি সাত্যাকিৰ পুত্ৰজনো অবাক হ'ল। কি ক'ব ভাবি ওৰ নাপাই অৱশেষত তেওঁ মাত লগালে ' এতিয়া দেউতাৰ হৈ ময়ে বাণিজ্যৰ কামখিনি চোৱাচিতা কৰি আছো। আপুনি অকনো অসুবিধা নাপাব। আমাৰ ঘৰতে আজি জিৰণি লওঁক। কালিলৈ আপুনি যিমান বিচাৰে সিমানেই গৰুৰ ব্যৱস্থা কৰি দিব পাৰিম।'

' এইবাৰ কিন্তু মই বাণিজ্যৰ কামত অহা নাই।'

সাত্যাকীৰ পুত্ৰৰ মুখত হতাশাৰ অভিব্যক্তি প্ৰকাশ পালে।

' মই শোণিতপুৰলৈ যাব ওলাইছো। সোনকালেই ৰাজধানী পাব লগা হোৱা কাৰণেই ভাবিলো পুৰণি বন্ধু সাত্যাকীৰ পৰা ঘোঁৰা এটা বা ঘোঁৰাবাগী এখনৰ ব্যৱস্থা কৰি লওঁ।' উদ্দেশ্যতো কৈ উঠি মাধৱনন্দনে পুনৰ ক'লে ' পিছে ৰাজধানীৰ পৰা ওলটি আহিহে বাণিজ্যৰ কথা পাতিব পাৰিম। তেতিয়াহে ......'

সাত্যাকীৰ পুত্ৰৰ মুখখন পুনৰ উজ্বল হ'ল।

' কেতিয়াকৈ যাব ?' সুধিলে সাত্যাকীৰ পুত্ৰই।

' আজিয়েই। এতিয়াই।'

খন্তেক মৌন হৈ ৰ'ল সাত্যাকীৰ পুত্ৰ। পিছত ক'লে ' তেতিয়া হ'লে ঘোঁৰাবাগী এখনেই লাগিব। আমাৰ ঘৰৰ ঘোঁৰাবাগীখনেই ব্যৱস্থা কৰি দিব পাৰিম। চালকজনো দেউতাৰ দিনৰে। ৰাজধানীৰ পথ তাৰ নখ দৰ্পনত। আপুনি কোনো

অসুবিধা নাপাব। অহাকালি প্ৰত্যুষতে ৰাজধানী গৈ পাব। পিছে কেতিয়াকৈ ওভতিম বুলি ভাৱিছে?'

'তিনিদিন মানৰ পিছতে উভতিম। পাৰিলে আৰু সোনকালে উভতিবৰ বাবে চেষ্টা কৰিম। কাৰণ ইয়াতেইতো আচল কামখিনি কৰিব লাগিব। এশ গৰু অকলে বাছনি কৰাতো উজু কাম নহয়।' কথাষাৰ কৈ মাধৱনন্দনে হাঁহিলে।

সাত্যাকীৰ পুত্ৰৰ মুখখন আৰু বেছি উজ্বল হৈ পৰিল।

'আপুনি এখন্তেক জিৰাঁওকগৈ। মই বাগীখনৰ চালকজনক মতাই আনো। চিন্তা নকৰিব চালকজন বুঢ়া যদিও শোণিতপুৰৰ মহাৰাজৰ তলতে এসময়ত কাম কৰিছিল। আপুনি ভালেই পাব।'

সাত্যাকীৰ পুত্ৰই মাধৱনন্দনক আথে-বেথে ভিতৰলৈ লৈ গ'ল। ভিতৰৰ কোঠা এটাত মাধৱনন্দনক জিৰাব কৈ সাত্যাকীৰ পুত্ৰ পুনৰ ওলাই গ'ল। মাধৱনন্দন পিছে দুঃশ্চিন্তাত পৰিল। চালকজন শোণিতপুৰৰ মহাৰাজৰ তলত কাম কৰাৰ কথাটোৱেই কিছু আহুকালৰ সৃষ্টি কৰিলে। মাধৱনন্দনে চকুহাল মুদি চিন্তা কৰিব ধৰিলে। তেওঁ নিজৰ চিন্তাত কিছু বিভোৰ হৈ পৰিছিল। সেয়েহে সাত্যাকীৰ পুত্ৰই এসময়ত আহি মাত লগাওঁতে খপজপাই উঠি চকুহাল মেলি দিওঁতে দেখিলে সাত্যাকীৰ পুত্ৰই লগত এজন প্ৰৌঢ় লোকক লৈ তেওঁৰ কাষতে আহি ঠিয় হৈছে। পলকতে মাধৱনন্দনে বুজিলে তেৱেঁই ঘোঁৰাবাগীৰ চালক।

'এৱেঁই বিদুৰ। ঘোঁৰাবাগীৰ চালক।'

বিদুৰে সেৱা জনালে।

মাধৱনন্দন কিছু অপ্ৰস্তুত হ'ল। বিদুৰলৈ একেঠিৰে বহুসময়লৈ চাই ৰ'ল। বিদুৰৰ মুখখন চিনাকীযেন লাগিল মাধৱনন্দনৰ।

'আমি এতিয়াই যাত্ৰা আৰম্ভ কৰিম।' নিজকে চম্ভালিলৈ মাধৱনন্দনে ক'লে।

'মই সাজু হৈয়েই আহিছো।'

ওৰেটো বাট বিদুৰে অনৰ্গল কথা কৈয়েই গ'ল। মাধৱনন্দনে মাথো সঁহাৰি দি গ'ল। বহুবেলিৰ মুৰকতহে মাধৱনন্দনে প্ৰথমবাৰৰ বাবে মাত লগালে 'মই তোমাক আগতে কৰবাত লগ পাইছিলো। চিনাকি যেন লাগিছে। এতিয়া পিছে মনত পেলাব পৰা নাই।'

'আঁহতগুৰিতে আগেয়ে দেখিছিল হবলা।'

'হয় কিজানি।' মাধৱনন্দনে ক'লে। তেওঁ অৱশ্যে জানে আহঁতগুৰিত বিদুৰক দেখা নাছিল। দেখিছিল অইন কৰবাত। কিন্তু ক'ত?

'মোৰো প্ৰথম দেখোতেই চিনাকি যেন লাগিছিল।'

ঘোঁৰাবাগীখন কিছু লেহেম গতিৰে আগবাঢ়িছিল। বাগীখনৰ সন্মুখত প্ৰকাণ্ড জোৰ এপাট। জোৰপাটৰ যিকণ পোহৰ আলিবাটত পৰিছিল সি যথেষ্ঠ নহয়। কিন্তু বিদুৰ সচাঁকৈয়ে পাকৈত বাগীচালক। পৰম আত্মবিশ্বাসেৰে চলাই নিছে বাগীখন।

'তুমি কেতিয়াবা ৰূপহীনগৰলৈ গৈছিলানে?'

'গৈছিলো। পিছে বহু বছৰ আগেয়ে। আমাৰ মহাৰাজৰ লগত গৈছিলো।'

মাধৱনন্দনৰ মনত পৰি গ'ল।

সেইয়া দহ বছৰৰ আগৰ কথা। শোণিতপুৰৰ মহাৰাজৰ লগত প্ৰায় কুৰিজন সৈনিক গৈছিল। মাধৱনন্দনে ছদ্মবেশত সেই সৈনিক কেইজনক আলেঙে-আলেঙে লগ ধৰিছিল। দুজনমানে মাধৱনন্দনৰ ফান্দত ভৰি দিছিল। সোণৰ মোহৰ কেইটামানলৈ মাধৱনন্দনক কথা দিছিল শোণিতপুৰৰ ৰাজধানীৰ গোপন বতৰা সৰবৰাহৰ।

আৰু তেতিয়াৰ সেইকেইজনৰ ভিতৰতে বিদুৰ আছিল নেকি?

যদিহে আছিল তেতিয়াহ'লে সুবিধা হ'ব অনেক।

'ৰূপহীনগৰ কেনেকুৱা লাগিছিল?'

'ভাল। পিছে আমি মাত্ৰ এসপ্তাহহে আছিলো।'

'ৰূপহীনগৰত সোণৰ উভৈনদী।' কথাষাৰ কৈ মাধৱনন্দনে বিদুৰলৈ চালে। বিদুৰৰ মুখৰ ভাব্যন্তৰ লক্ষ্য কৰি মাধৱনন্দন ভিতৰি-ভিতৰি বেছ উত্তেজিত হ'ল।

'অ। আমিও শুনিছিলো।'

'তোমালোকে কি শুনিছিলা ক'ব নোৱাৰো। আমি পিছে বেপাৰীবোৰে শুনিছিলো অইন কথা এটা।' মাধৱনন্দনে কিছুপৰ বৈ পুনৰ ক'লে 'শুনামতে শোণিতপুৰৰ মহাৰাজৰ কেইজনমান গা-ৰখীয়াক গোপনে আমাৰ মহাৰাজে সোণৰ মোহৰ দিছিল। গোপন খবৰ জনাবৰ বাবে।'

মাধৱনন্দনৰ মনটো আনন্দত নাচি উঠিল।

বিদুৰে সেপ ঢুকিব ধৰিছিল।

' পিছত কি হ'ল নাজানো। আমিনো ৰাজকীয় কথাৰ কি ভূ পাম? আমি হ'লো বেপাৰী মানুহ। বেপাৰৰ জগতখনৰ বাহিৰে অন্য পৃথিৱীখনৰ বা-বাতৰি লবলৈ ইচ্ছাও নাই, সময়ো নাই।'

মাধৱনন্দনে লক্ষ্য কৰিলে বিদুৰে বাগীৰ গতি কমাই আনিছে। মাধৱনন্দনে কিছু আচৰিত হৈ সুধিলে ' কি হ'ল বিদুৰ? বাগীৰ গতি কমাইছা যে?'

মাধৱনন্দনৰ চকু-মুখলৈ চাই ক'লে ' আপোনাক সেই মানুহজনৰ নিচিনা যেন লাগিছে যিজনে.......'

' তোমালোকক সোণৰ মোহৰ দিছিল, নহয়নে?

' তাৰমানে.....' বিদুৰে আকৌ সেপ ঢুকিলে।

' সেইজন মই নহয়, তেওঁ মোৰ আত্মীয়হে। মোৰ কান সমনীয়া। আমাৰ দুয়োৰে চেহেৰাত যথেষ্ট মিল আছে। বহুতেই ভুল কৰে।' মাধৱনন্দনে ক'লে।

' তেঁৱে আপোনাক সকলো কথা কৈছিল হবলা!!'

' অ।' মাধৱনন্দনে এইবাৰ পোনপটীয়াকৈ সুধি পেলালে ' তুমিও তাৰমানে সোণৰ মোহৰ লৈছিলা?'

' লৈছিলো।' বহুপৰৰ পিছতহে বিদুৰে উত্তৰ দিলে। কথাষাৰ কৈ ঘোঁৰাবাগীখনৰ লেকাম টানিলে।

বাগীয়ে এইবাৰ আকৌ যাত্ৰা আৰম্ভ কৰিলে।

মাধৱনন্দনে নিঃশ্চুপ হৈ ভাবিব ধৰিলে কেনেকৈ বিদুৰক কামত লগোৱা যায়!! মাজে মাজে মাধৱনন্দনৰ মনত সন্দেহৰ ভাৱো ওপজে।

বিদুৰক আৱশ্যক হ'ব জানো কেতিয়াবা!!

দিনৰ বেলাতে শোণিতপুৰৰ ৰাজধানীত উপস্থিত হ'ল মাধৱনন্দন। ৰাজঅতিথিশালাত ৰাজকুমাৰ মাত্ৰ এদিন আগেয়েহে আহি উপস্থিত হৈছিল। লগত হৰিনাৰায়ণ। মাধৱনন্দন ভিতৰি-ভিতৰি বেছ দমি গ'ল। কুমাৰৰ মুখখন যথেষ্ট শেঁতা পৰিছে। হয়তো এইয়া যাত্ৰাৰ ভাগৰ। অথবা আগন্তুক তিনিটা দিনৰ কথা ভাবিয়েই মানুহটো অৱশ, ক্লান্ত হৈ পৰিছে। অৱশ্যে মাধৱনন্দন নিৰাশ নহ'ল। কুমাৰ হ'ল এটা চাবি দিয়া পুতলা। পুতলাটোৰ চাবিপাত আছে এতিয়া

তেওঁৰ হাতত।

‘ কুমাৰে মিছাকৈয়ে দুঃশ্চিন্তা কৰি আছে।’

‘ ভৱিষ্যতৰ কথা ভাৱিয়ে মনত আশংকা হৈছে।’

‘ ভৱিষ্যতৰ কথা ভাবি পাৰাপাৰ নাপাব। মাত্ৰ এই চাৰিদিনৰ কথাকে ভাৱক।’

‘ চাৰিদিন?’ কুমাৰ যেন আচৰিত হ’ল।

‘ অ। আজি প্ৰথম দিন।’

‘ তাৰমানে.....’

‘ শুনক।’ মাধৱনন্দনে ক’বলৈ আৰম্ভ কৰিলে, ‘ আজি আপুনি বাৰ্ত্তা এটা শোণিতপুৰৰ মহাৰাজৰ ওচৰলৈ পঠিয়াব লাগিব যে আপুনি আজি লক্ষ্মীমন্দিৰ ভ্ৰমণ কৰিবলৈ যাব। মহাৰাজৰ পৰা সন্মতি পালেই আমি যাত্ৰা আৰম্ভ কৰিম।’

‘ শোণিতপুৰৰ মহাৰাজে মই এইসময়ত লক্ষ্মীমন্দিৰ ভ্ৰমণ কৰাটো পছন্দ নকৰিবও পাৰে। তেওঁ যদি সন্মতি নিদিয়ে তেতিয়া?’

‘ তেতিয়া হ’লে গোপনে যাব লাগিব।’

‘ গোপনে?’ কুমাৰে ভয় খালে।

‘ অ। অতি গোপনে।’

মাধৱনন্দনে কথাষাৰ ক’লে যদিও ভিতৰি মানুহটো বেছ চিন্তিত হৈছিল। তেওঁ মনতে পাঙি থোৱা আঁচনিখন নিঁখুত। ক’তো তেওঁ ছিদ্ৰ এটা ৰখা নাই। কিন্তু ভৱিষ্যতৰ কথা কোনে ক’ব পাৰিব!! তেওঁ নিজৰ মনৰ বতৰা কুমাৰক উমান ল’বলৈ সুবিধা নিদি প্ৰসংগটোৰে সলাই পেলালে। কুমাৰৰ মনটো বেছ ফৰকাল হোৱাৰ পিছত হৰিনাৰায়ণৰ হতুৱাই মহাৰাজলৈ বাৰ্ত্তা পঠিয়ালে লক্ষ্মীমন্দিৰ যাত্ৰাৰ ইচ্ছাৰ কথা। মাধৱনন্দনে পিছে আনুসংগিক দুটা প্ৰসংগও সন্নিবিষ্ট কৰি পঠিয়ালে ঃ কুমাৰ ৰূপহীনগৰৰ সদাগৰ এজনৰ নিজৰ ঘোঁৰাবাগী এখনেৰে যাব। লগত কোনো অংগৰক্ষক নালাগে। নিশাটো কটাই মন্দিৰ দৰ্শন কৰিয়ে কুমাৰ অৰণ্যৰ বাটেদি ৰূপহীজানৰ বুকুৰেদি নিজ ৰাজ্যলৈ উভতিব।

মাধৱনন্দন বেছিপৰলৈ দুঃশ্চিন্তাত ৰ’ব লগা নহ’ল।

হৰিনাৰায়ণে কম সময়ৰ ভিতৰতে আহি জনালে মহাৰাজৰ সন্মতিৰ কথা।

কিন্তু মহাৰাজৰ চৰ্ত্ত এটাই থাকিল ঃ কুমাৰৰ লগত তিনিজন অংগৰক্ষক যাব।

মাধৱনন্দন কিছু সময়লৈ তভক মাৰি ৰৈ অৱশেষত মনতে আঁওৰালে তিনিজনহে, হওঁক, কোনো ভয় নাই।

## ৮

দুকুৰি হাতীৰ পালটো বেছ শৃংখলিত ভাৱে গহন অৰণ্যৰ বুকু ফালি পশ্চিমলৈ ধাৱমান হৈ গৈ আছে। সন্মুখৰ প্ৰকাণ্ড দঁতাল হাতী এটাত অৰ্জ্জুন আৰু নাৰায়ণ, পিছৰ হাতীকেইটাৰ পিঠিত মাথোন এজনকৈ মাউত বহি আছে। নিচেই পুৱাৰে পৰা এপলকো জিৰণি নোলোৱাকৈ হাতীৰ জাকটো একেটা ছন্দোময় গতিতে অগ্ৰসৰ হৈ আছে। মাজতে নাৰায়ণে এবাৰ জিৰণি ল'ব খুজিছিল, অৰ্জ্জুনে নিদিলে। অৰ্জ্জুনৰ দুঃশ্চিন্তা ক্ৰমে বাঢ়ি আহিব ধৰিছিল। আজি গধুলিৰ আগে আগে হাতীৰ জাকটো নিৰ্দ্দিষ্ট ঠাই পাব লাগিব, তাকো অতি সংগোপনে। বাটত শোণিতপুৰৰ সৈন্য, চোৰাংচোৱা অথবা শোণিতপুৰৰ হৰিণ চিকাৰী দলৰ লগত মুখ-মুখি হ'লে কি হ'ব সেই ভাবিয়েই অৰ্জ্জুনৰ দুঃশ্চিন্তা ক্ৰমান্বয়ে বেছি হৈ আহিব ধৰিলে। এই গহন অৰণ্যৰ মাজত অৱশ্যে কোনো জনপদ নাই। ৰূপহীজানৰ পাৰতহে দুই এখন গাওঁ আছে। সেইফালৰ পৰা নিঃসংকোচ হ'ব পাৰি যদিও অৰ্জ্জুনে জানে সাৱধানীৰ মৰণ নাই।

বেলিটো তেতিয়া লহিয়াবলৈ আৰম্ভ কৰিছিল।

নাৰায়ণে হাতীৰ খোজৰ গতি আৰু দ্ৰুত কৰালে। নাৰায়ণক অনুকৰণ কৰি পিছৰ হাতীকেইটাৰ গতিও আৰু খৰ হ'ল।

'আৰু মাত্ৰ দুখনমান তামোলৰহে বাট আছে।' নাৰায়ণে ক'লে 'আমি এই গতিৰে গ'লে সময়তকৈ আগেয়ে গৈ পাম। আপোনাৰ দুঃশ্চিন্তাৰ কোনো কাৰণ নাই।'

নাৰায়ণে নিজৰ কথাযাৰ শেষ নকৰাকৈ হঠাতে তভক মাৰি ৰ'ল। নাৰায়ণৰ চতুৰ হাতীটোও ঠাইতে ৰৈ গ'ল। নাৰায়ণে উৎকৰ্ণহৈ যেন কিবা শুনিব খুজিলে। অৰ্জ্জুনৰ মনৰ উত্তেজনা তেতিয়া দ্ৰুতভাৱে বাঢ়ি গৈছিল। সুধিলে 'কি হ'ল নাৰায়ণ?'

'আঁতৰত কুকুৰৰ ভুকভুকনি শুনিছো।'

'এজাক কুকুৰৰ নে....'

'এজাক নহয়। তিনি বা চাৰিটামান কুকুৰ হ'ব।' নাৰায়ণে কিছুপৰৰ

পিছত পুনৰ ক'লে ' হৰিণা চিকাৰী দলৰ হ'ব পাৰে। নহ'লে ৰজাৰ চোৰাংচোৱা দলৰ।'

অৰ্জ্জুনে বুজি পালে বিপদ সন্নিকট।

কেইমুহূৰ্তমান অৰ্জ্জুনৰ অথলে গ'ল। অৱশেষত নিজকে সুস্থিৰ কৰি তুলি অৰ্জ্জুনে নাৰায়ণক নিজৰ দঁতাল হাতীটো আগুৱাই লৈ যাব আদেশ দিলে। যাওঁতে অৱশ্যে হাতীৰ জাকটো ঠাইতে ৰৈ থাকিবলৈ ইংগিত এটাও দি গ'ল।

বেছ কিছুদূৰ আগুৱাই যোৱাৰ পিছতহে কুকুৰৰ ভুকভুকনিৰ মিলিত কণ্ঠস্বৰ সুস্পষ্টভাৱে অৰ্জ্জুনৰ কাণত পৰিব ধৰিলে। অৰ্জ্জুন এটা সময়ত নিঃশ্চিত হ'ল, কুকুৰ এজাক নহয়, খুব বেছি পাঁচটামান হ'ব পাৰে। দূৰৈত গছৰ পাতৰ ফাঁকে-ফাঁকে প্ৰথম কুকুৰটো চকামকাকৈ এবাৰ দেখাও পালে অৰ্জ্জুনে।

' হৰিণ চিকাৰীৰ কুকুৰ।'

' অ।' শলাগিলে অৰ্জ্জুনে।

অৰ্জ্জুনে জানে চিকাৰী কুকুৰৰ দলটোৱে হৰিণাৰ জাক দেখিলে পিছে-পিছে খাপ পাতি ৰৈ থকা চিকাৰীৰ দলক সম্ভেদ দিয়ে। চিকাৰীৰ দল তেতিয়া আহে সম্পূৰ্ণ সৰ্জ্জিত হৈ। এই পৰিস্থিতিত শোণিতপুৰৰ চিকাৰীৰ দল এটাক অটব্য অৰণ্যৰ মাজত লগ পোৱাৰ ইচ্ছা সমূলি নাই অৰ্জ্জুনৰ।

সেয়েহে এখন্তেক চিন্তা কৰি চাই অৰ্জ্জুনে কান্ধৰ পৰা ধেনুকাঁড়পাত পলকতে নমাই আনিলে। নাৰায়ণে তলকিব পৰাৰ আগেয়েই কাঁড়পাত সুতীব্ৰ বেগে গৈ আগবাঢ়ি অহা কুকুৰ এটাৰ বুকু বিদাৰী দিলে। কুকুৰটো এখন্তেক ছটফটাই থাকি অৱশেষত ঠাইতে ঢলি পৰিল। অৰ্জ্জুনে দ্বিতীয় কুকুৰটোও অৱলীলা ক্ৰমে ধৰাশায়ী কৰি দিলে। তৃতীয়তো অৰ্জ্জুন সফল হ'ল। কিন্তু চতুৰ্থ কুকুৰটো প্ৰথমবাৰত বাছি গ'ল। দ্বিতীয়বাৰত কাঁড়পাত সোঁ-ভৰিখন চুই গ'ল। কুকুৰটো পিছ হুহকি লেকেচিয়াই-লেকেচিয়াই আঁতৰি গ'ল। পঞ্চমটো বেছ কিছুপৰলৈ ঠাইতে ভুকভুকাই ৰৈছিল, পিছত সিয়ো অৰ্জ্জুনৰ ধেনুকাঁড়ৰৰ লক্ষ্যৰ পৰা আঁতৰি অৰণ্যৰ গছ-বিৰিখৰ মাজত লুকাই গ'ল। অৰ্জ্জুনে এইবাৰ পিছৰ হাতীকেইতাৰ মাউতকেইটাৰ হতুৱাই কুকুৰকেইটাৰ শৱকেইটা গাত খান্দি মাটিত পুতি পেলালে। কাঁড়কেইপাত অৱশ্যে উলিয়াই লবলৈ নাপাহৰিলে।

' বাকী কুকুৰকেইটাই চিকাৰীদলটোক লৈ আনিব নেকি বাৰু?'

' এতিয়া বেলি লহিয়ালেই। চিকাৰী দলটো ৰাতিৰ আন্ধাৰত আৰু আগ নাবাঢ়ে নিশ্চয়। সিহঁত এতিয়া শিবিৰতে থাকিব। ৰাতিপুৱালেই কুকুৰকেইটা

বিচাৰি চিকাৰীবোৰে গোটেই অৰণ্যখন তহিলং কৰিব।'

নাৰায়ণৰ কথাত অৰ্জ্জুনে একো নামাতিলে।

পিছৰ সময়খিনি তড়িৎ গতিৰে পাৰ হ'ল।

অৰ্জ্জুনহঁতৰ হাতীৰ জাকটো অন্ধকাৰ অৰণ্য ভেদি পুনৰ পশ্চিমলৈ বুলি ঢাপলি মেলিলে। বাটত অৰণ্যে অৰণ্যৰ মাজতে জুই একুৰাও দেখিছিল অৰ্জ্জুনহঁতে। বোধহয় চিকাৰীৰ দলটো!! নাৰায়ণৰ কথাই সঁচা হ'ল। ছয়জনমান মানুহে জুই একোৰা বেড়ি ধৰি বহি থকা দেখিছিল অৰ্জ্জুনহঁতে।

অৰ্জ্জুনহঁত নৰ'ল।

হাতীৰ গতি আৰুহে বেছি হ'ল।

**গ**ধূলিৰ বেছ কিছুপৰৰ পিছতহে অৰ্জ্জুনহঁতে নিৰ্দিষ্ট ঠাইখিনি পালে। হাতীৰ জাকটোক তাতে ৰ'ৰকৈ নাৰায়ণ আৰু অৰ্জ্জুন এইবাৰ খোজকাঢ়ি অগ্ৰসৰ হ'ল। লক্ষ্মীমন্দিৰ পাওঁতে ৰাতিপুৱাইছিল। বশিষ্ঠৰ ঘৰটোত তেতিয়া কোনো নাছিল। অৰ্জ্জুনে শেতেলীখন পায়ে চিৎ হৈ শুই দিলে। কেতিয়াযে টোপনিয়ে গ্ৰাস কৰি পেলালে অৰ্জ্জুনে ততকে নাপালে। ভাগৰত অৱসন্ন হৈ পৰা দেহটোৰ অৱসাদখিনি গুচাওতে বেছ কিছুপৰ সময় ল'লে অৰ্জ্জুনে। দুপৰীয়াৰ ৰ'দজাকৰ ৰেঙনি বেৰৰ জলঙাইদি চকুৰে-মুখে পৰাতহে অৰ্জ্জুনে ধৰফৰাই সাৰ পালে। ওচৰত নাৰায়ণক নেদেখি অৰ্জ্জুন চিন্তিত হৈ বাহিৰৰ চোতাল পালে।

বাহিৰৰ চোতালৰ পৰা লক্ষ্মীমন্দিৰৰ একাংশ চকুত পৰিল অৰ্জ্জুনৰ। এজুম মানুহৰ মাজত নাৰায়ণক দেখা পাই অৰ্জ্জুন আচৰিত হ'ল। অৰ্জ্জুনকো দেখা পালে নাৰায়ণে। কিছুসময়ৰ পিছত নাৰায়ণ অৰ্জ্জুনৰ ওচৰ পালেহি। নাৰায়ণৰ চকুৰে-মুখে আতংকৰ প্ৰচ্ছায়া এটা ফুটি উঠিছে।

নাৰায়ণে কোনো ভনিতা নকৰাকৈ ক'লে ' আমি দেখা পাই অহা চিকাৰীৰ দলটো অলপ আগতে আহি পাইছে। দলটোৰ তিনিটা চিকাৰী কুকুৰ অৰণ্যৰ মাজত হেৰুৱাটো বোলে নাশ্ৰুত-নাশ্ৰুত ঘটনা। তাতে এটা কুকুৰৰ ভৰিত আঘাতৰ চিন। তেওঁলোকে ভয় খাই উভতি আহিছে। ৰাজকীয় সৈন্যৰ দল এটা লক্ষ্মীমন্দিৰত থকাৰ সম্ভেদ পাইয়ে তেওঁলোক ইয়ালৈ আহিছে। দুজন চিকাৰীয়ে সৈন্যৰ জাকটো বিচাৰি গৈছে। বাকীকেইজন ইয়াতে আছে। ভয়তে তেওঁলোক.....'

' চিন্তা কৰিব নালাগে। ভিতৰলৈ আহা এতিয়া।'

অৰ্জ্জুন ভিতৰলৈ সোমাই আহিল।

নাৰায়ণৰ মুখৰ অভিব্যক্তিত আতংকসনা চাঁৱনিতো কিন্তু ৰৈ গ'ল। মুখেৰে একো নমতাকৈ নাৰায়ণৰ ভিতৰলৈ সোমাই আহিল। দুৱাৰৰ ডাংডাল মাৰি ভিতৰৰ শেতেলীকনত বহিব লওঁতেই কোনোবাই বাহিৰৰ পৰা মতা শুনিলে ' নাৰায়ণ! অ নাৰায়ণ!!'

' কোন?' ফুচফুচাই সুধিলে অৰ্জ্জুনে।

' বোধহয় অনংগদেৱ।'

' এই অসময়ত?'

নাৰায়ণে শেতেলীৰ পৰা উঠি গৈ দুৱাৰৰ ডাংডাল খুলিব গৈয়ো হঠাতে ৰৈ গ'ল। অৰ্জ্জুনলৈ উভতি চাই সুধিলে ' আপোনাক ইয়াতে দেখি যদি তেওঁৰ সন্দেহ উপজে!!'

অৰ্জ্জুনেও ঠিক একেটা কথাকে চিন্তা কৰিছিল।

' তুমি দুৱাৰ খন খুলি বাহিৰৰ চোতালত গৈ কথা পতা। তেওঁক ভিতৰলৈ নানিবা। মোৰ প্ৰসংগ ওলালেও এৰাই চলিবা।' অৰ্জ্জুনে অভয় দিলে।

নাৰায়ণে ভয়ে ভয়ে দুৱাৰৰ ডাংডাল খুলি বাহিৰৰ চোতাললৈ ওলাই গ'ল। অৰ্জ্জুনে বেৰৰ জলঙাইদি চাওঁতে দেখিলে লক্ষ্মীমন্দিৰৰ পাচনি অনংগদেৱৰ লগত নাৰায়ণে চোতালৰ এমূৰত কথা পাতিব ধৰিছে। পদুলি মুখতে থকা বকুলফুলৰ গছ এজোপাৰ ছাঁ পৰিছে ঠাইখিনিত। নাৰায়ণ আৰু অনংগদেৱ দুয়ো পিঠি দি থকা বাবে দুয়োৰো মুখৰ অভিব্যক্তি অৰ্জ্জুনৰ চকুত ধৰা নপৰিল।

বেছ কিছুপৰলৈ কথা পতাৰ পিছতো অনংগদেৱ যোৱাৰ উদ্ৰেক নকৰা দেখি অৰ্জ্জুনৰ মনত সন্দেহ উপজিল। অনংগদেৱৰ মনত অন্য কিবা ভাৱ নাইতো!!

হঠাতে লক্ষ্মীমন্দিৰৰ চোতালত হাই-উৰুমি শুনা পালে অৰ্জ্জুনে। অৰ্জ্জুনক অবাক কৰি অনংগদেৱ এক প্ৰকাৰ দৌৰিয়ে ওলাই গ'ল। যাওঁতে অৱশ্যে নাৰায়ণকো এহাতেৰে টানি লৈ যাব নাপাহৰিলে।

অৰ্জ্জুন কিংকৰ্তব্য বিমূঢ় হৈ ৰ'ল।

প্ৰথম কেইমুহূৰ্তমান এনেয়ে পাৰ হ'ল। পিছলৈ অৰ্জ্জুনৰ মনৰ কৌতুহল বাঢ়ি আহিব ধৰিলে। অৰ্জ্জুনে চাদৰ এখনকে গা-মুৰে ঢাকি লৈ ঘৰটোৰ পৰা ওলাই আহিল।

অৰ্জ্জুনৰ চকুত পৰিল লক্ষ্মীমন্দিৰৰ চৌহদত এজুম মানুহ গোট খাইছে। জুমটোৰ মাজত নাৰায়ণ আৰু অনংগদেৱকো দেখা পালে অৰ্জ্জুনে। নাৰায়ণেও দেখা পালে অৰ্জ্জুনক। জুমটোৰ পৰা আঁতৰি আহি নাৰায়ণ আওহেতীয়া চুকএটাত

ঠিয় হোৱা দেখি অৰ্জ্জুনো সেইখিনিলৈ খোজ দিলে।

‘ কি হ’ল?’ ওচৰ চাপি আহি সুধিলে অৰ্জ্জুনে।

‘ ৰাজধানীৰ পৰা দল এটা আহিছে।’

‘ কি খবৰ আনিছে?’

‘ ৰাজকন্যা পূৰ্ণিমাৰ আগনিশা পাবহি বোলে।’

‘ তাৰমানে মাত্ৰ এৰাতিহে আছে।’

বিদূৰৰ সুদক্ষ হাতৰ পৰশত ঘোঁৰাবাগীখন উল্কাবেগে আগবাঢ়িছিল।

মাজে-মাজে অৱশ্যে ৰৈ যায় ঘোঁৰাবাগীখন। ঘোঁৰাকেইটাই জিৰণি লোৱাৰ সময়কনত মাধৱনন্দনে বিদূৰৰ লগতে কথা পাতে। বিদূৰৰ মনৰ সংকোচখিনি ক্ৰমান্বয়ে নাইকিয়া হৈ আহিছিল।

মাধৱনন্দনৰ দুঃশ্চিন্তা কিঞ্চিৎ পাতলিছিল।

অন্ততঃ আপদ কালত বিদূৰৰ পৰা সহায়কণ পোৱা যাব।

আহঁতগুৰি পাওঁতে দুপৰীয়া হৈছিল। কিন্তু মাধৱনন্দনহঁত নৰ’ল। এতিয়া এপলকো অযথা নষ্ট হ’ব দিব নোৱাৰি।

আবেলি লক্ষ্মীমন্দিৰ পাওঁতে মাধৱনন্দনহঁতৰ গা-মন অৱশ হৈ পৰিছিল। ৰাজঅট্টালিকাতে কুমাৰৰ থকাৰ ব্যৱস্থা কৰি মাধৱনন্দন ওলাই আহিল।

লাহে-লাহে গধূলি হৈ আহিছিল।

চোতালতে জুই একুৰা ধৰি অৰ্জ্জুন , নাৰায়ণ আৰু মাধৱনন্দন বহি পৰিল।

অৰ্জ্জুনৰ মুখখন শেঁতাপৰা। মাধৱনন্দন আহি পোৱাৰ অৰ্থই হ’ল সংঘাতময় সময়ৰ আৰম্ভণী হ’ল।

‘ তোমাক দুশ্চিন্তাই বেঢ়ি ধৰিছে দেখিছো।’

‘ এৰা।’

‘ মাজতে এতিয়াও কিছু সময় হাতত আছে।’

‘ সময়ক লৈ মোৰ অকণো চিন্তা হোৱা নাই।’

‘ তেন্তে?’ অৰ্জ্জুন আচৰিত হ’ল।

‘ পূৰ্ণিমাৰ পূজাত বোলে অলেখ মানুহ গোট খাব। অন্ততঃ তিনিশ মান নিশ্চয় হ’ব। এজনক চকুত ধূলি মৰা সহজ। কিন্তু তিনিশ মানুহক ভেড়া

বনোৱাটো সহজ নহয়। তাতে আকৌ এশ ৰণুৱা সৈন্যও থাকিব। ৰাজকন্যাৰ লগতে আহিব , তেওঁলোক ৰাজকন্যাৰ অংগৰক্ষক। হেজাৰ বিপদ হ'লেও ৰাজকন্যাৰ কাষৰ পৰা তেওঁলোকক আঁতৰাই পথাব পৰা নাযাব। সৈন্যদল ইয়াত এটা থাকিলে কেনেকৈ.....'

' চিন্তা নকৰিবা। উপায় এটা আছে।' অৰ্জ্জুনে ক'লে।

' কি উপায় ?' মাধৱনন্দনে সুধিলে।

' শুনা।' অৰ্জ্জুনে গলহেকাৰী এটা মাৰি কিবা এযাৰ ক'ব ওলাইয়ো হঠাতে ৰৈ গ'ল। অৰ্জ্জুনৰ চকুৰ দৃষ্টি পদুলিমুখৰ কাষতে থকা বকুলফুলৰ গছ জোপাত স্থিৰ হৈ ৰৈ গৈছিল। গছজোপাৰ তলখন এনেও আন্ধাৰ। সেইদেখি নিশাৰ অন্ধকাৰত স্পষ্টকৈ একো মনিব নোৱাৰি। তাৰ মাজতো দুটা ছায়ামূৰ্তি অস্পষ্টভাৱে ছয়া-ময়াকৈ দেখা পোৱা যেন পালে অৰ্জ্জুনে।

অৰ্জ্জুনে ঠিক লগে-লগেই বহাৰ পৰা উঠি গৈছিল। পিছৰ পলকতে একে উশাহতে পদুলিমুখ পালেগৈ। অৰ্জ্জুনৰ চকুত পৰিছিল অন্ধকাৰৰ মাজেৰে দুজন লোক দৌৰি পলাই যোৱা।

অৰ্জ্জুন বিবুধিত পৰিল।

মানুহদুজন লক্ষ্মীমন্দিৰৰ চৌহদলৈ দৌৰি পলাই গ'লে হয়তো অৰ্জ্জুন বিবুধিত নপৰিলহেঁতেন। কিন্তু তেওঁলোক গ'লগৈ সম্পূৰ্ণ বিপৰীত দিশে। অৰ্জ্জুনে জানে সেই দিশতেই আছে অটব্য অৰণ্যখন। গছ বিৰিখৰ অন্তহীন শাৰীবোৰ শেষ হৈছেগৈ ৰূপহীজান নদীত।

' কোন ধৰিব পাৰিলানে ?'

' ওঁহো।'

' বিচাৰি যাওঁ ব'লা।'

' নালাগে। এই অন্ধকাৰত অৰণ্যৰ মাজত কাক বিচাৰিবা ? তদুপৰি হৈ-চৈ হ'লে আমাৰে ক্ষতি হ'ব।'

মাধৱনন্দনে একো নামাতিলে।

পদুলিমুখৰ পৰা উভতি যাব ওলাওঁতে মাধৱনন্দনৰ চকুত পৰিল জোৰ এপাট লৈ মানুহএজন আহি থকাৰ দৃশ্য। মানুহজনৰ খোজ কঢ়াৰ ভংগীটো দূৰৈৰ পৰা দেখিয়েই চিনাকীযেন লাগিল মাধৱনন্দনৰ।

' নাৰায়ণ!' মাতিলে মাধৱনন্দনে।

নাৰায়ণ ওচৰতে থিয় হৈ আছিল। সৰুকৈ সঁহাৰি এটা দিলে।

মাধৱনন্দনে আকৌ সুধিলে ' হাতত জোৰ লৈ অৰণ্যৰ বাটেদি কোন আহিছে ধৰিব পাৰিছানে ?'

' অনংগদেৱ যেন লাগিছে।'

' এৰা। তেওঁৱেই হয়। কিন্তু এই ৰাতিখন.....'

মাধৱনন্দনৰ কথা শেষ নহ'লেই , দূৰৈৰ পৰা অনংগদেৱৰ মাতষাৰ ভাঁহি আহিল ' নাৰায়ণ নেকি হে?'

'ঠিকেই ধৰিছে। কিন্তু এই ৰাতিখন ক'ৰ পৰা আহিছেো ?'

'গৈছিলো আলি কেঁকুৰীটোৰ মুখলৈ। নতুনকৈয়ে বাটচ'ৰা এটা সজা হৈছে তালৈকে। কিন্তু..........'

' কিন্তু কি হ'লনো ?' সুধিলে নাৰায়ণে।

অনংগদেৱ ইতিমধ্যে ওচৰ চাপি আহিছিল।

' অদ্ভুত দৃশ্য এটা দেখি বাটৰ পৰায়ে উভটি আহিলো।' অনংগদেৱ আৰু কিছু ওচৰ চাপি আহি ক'বলৈ আৰম্ভ কৰিলে ' কি দেখিলো জানা ? দুজন পুৰুষ , গাতো ক'লা কাপোৰেৰে ঢকা। দুয়ো লৰৰি আহি মোৰ আগেদিয়েই পাৰ গৈ গ'ল। অৰণ্যৰ মাজেৰে যোৱা পথেৰে দুয়ো দৌৰিব ধৰা দেখি মাতো দিছিলো , নৰ'ল , মাতো নিদিলে। পিছত দুটা ঘোঁৰাত উঠি যোৱা যেনো ভাব হ'ল।'

কথাষাৰ কৈ অনংগদেৱ পদুলিমুখ পাই ৰৈ গ'ল।

**ও**খ-ওখ গছ বিৰিখৰ লানি নিছিগা বিশৃংখল শাৰী।

গছৰ ডাল পাতে অন্ধকাৰৰ গাঢ়তা আৰু বেছি গাঢ় কৰি আনিছে।

লুঙলুঙীয়া পথটো অন্ধকাৰতে নিমজ্জিত হৈ আছে যদিও অশ্বাৰোহীদুজনৰ যেন তালৈকে অকণো ভ্ৰূক্ষেপেই নাই , চিন্তা কৰা নাই।

এপলক ৰ'লেই যেন বিপদে আগুৰি ধৰিব।

' কিমান দূৰ আহিলোনো ?' এজেনে সুধিলে।

' কেই দণ্ড হ'ল খেয়াল ৰখা নাই। কিন্তু ৰাতিপুৱাবৰ হৈছেই।'

' ৰোৱা যাওঁক নেকি ?'

' ৰ'বৰ সকাম নাই। মহাৰাজক যিমান সোনকালে খবৰ দিব পৰা যায় সিমানেই আমাৰ মংগল।'

'ঠিকেই কৈছা।' সঁহাৰি দিলে লগৰজনে।

এই যাত্ৰাৰ যেন অন্ত নাই। অৱশ্যে এদিন এই যাত্ৰাৰ অন্ত পৰিবই। তেওঁলোকৰ পৰা খবৰ পাবলৈ যিজন অপেক্ষা কৰি আছে তেওঁ এলা-পেচা লোক নহয়। স্বয়ং পাল ৰাজ্যৰ ৰজা অজিতপাল। তেওঁ বাৰে পতি সুধি আছে লক্ষ্মীমন্দিৰৰ খবৰ কি? মাধৱনন্দনৰ খবৰ কি? ৰাজকুমাৰ সূৰ্য্যসিংহৰ খবৰ কি?

এই তিনিওটা প্ৰশ্নৰ এটাৰো উত্তৰ নাই এতিয়া। যোৱা চাৰিদিনৰ আগৰ ঘটনাহে জনা আছে। লক্ষ্মীমন্দিৰৰ পৰা গহন অৰণ্যৰ বুকু ফালি পাল ৰাজ্যলৈ অহাটো সহজ কথা নহয়। বেগীঘোঁৰাৰে আহিলেও চাৰিদিনৰ বাট। অশেষ কষ্টৰ বাট সেইয়া।

পদে পদে বিপদৰ ভয়।

তথাপিও উপায় নাই।

মহাৰাজ অজিতপালৰ আদেশ প্ৰতিদিনৰ খবৰ তেওঁ পাব লাগিব।

সেইমতে পায়ো আছে খবৰবোৰ। ভাল বেয়া সকলো।

মহাৰাজ অজিতপাল সেইদেখি গধূলিৰ সময়খিনি বৰ অস্থিৰ হৈ পৰে। ঠিক এইখিনি সময়তে গুপ্তচৰৰ দলটো আহে। নতুন খবৰ দিয়ে। সেইয়া চাৰিদিন আগৰ খবৰ হ'ব পাৰে , কিন্তু অজিতপালৰ বাবে সেইয়াই নতুন খবৰ। আৰু প্ৰতিটো খবৰেই অজিতপালৰ বাবে মূল্যবান।

আজি বা কি খবৰ পাব তেওঁ!!

## ৯

**ল**ক্ষ্মীমন্দিৰৰ চৌহদটোত এটা উদুলি-মুদুলি ভাৱ।

ৰাজঅতিথিশালাত আছে ৰাজকুমাৰ সূৰ্য্যসিংহ। দিনতো কুমাৰে অতিথিশালাতে কটালে। আবেলি সময়তহে কুমাৰ বাহিৰলৈ ওলাই আহিছিল।

লক্ষ্মীমন্দিৰক বেঢ়ি ধৰি যি এক ক্ষুদ্ৰ জনপদ গঢ়ি উঠিছে তাৰ প্ৰত্যেকৰে মনত আজি এক উছৱ মুখৰ ভাৱ। অতিথিশালাত আছে বিদেশী এক ৰাজকুমাৰ। অলপপিছতে আহিব নিজ ৰাজ্যৰে ৰাজকন্যা।

অনংগদেৱৰ ব্যস্ততাৰ আজি যেন শেষ নাই।

নিজকে তেওঁ চম্ভালি ৰাখিব পৰা নাই। লক্ষ্মীমন্দিৰৰ মূল পুৰোহিত হংসদেৱক পূজাৰ আয়োজনত যথাৰীতি সহায় কৰি থকাৰ মাজতেও তেওঁ বাৰে

পতি মন্দিৰৰ বাটচ'ৰালৈ একোবাৰ লৰৰি আহে। গহন অৰণ্যলৈ যোৱা পথটোৰে দূৰ -দিগন্তলৈ চাই তেওঁ যেন উদাস হৈ পৰে, খন্তেকপিছতে তেওঁ আকৌ উভতি আহে।

'কিহে অনংগ! আজি যেন তোমাৰ বৰ চিন্তাক্লিষ্ট হৈ থকা লাগিছে! কাৰণটোনো কি?' মাজতে এবাৰ সুধি পেলালে হংসদেৱে।

অনংগদেৱ যেন প্ৰশ্নটোলৈ অলপো প্ৰস্তুত হৈ থকা নাছিল। চমুকৈ মাথো উত্তৰ দিলে ' কাৰণ একো নাই। এজন আছে পৰৰাজ্যৰ ৰাজকুমাৰ। অলপপিছতে আমাৰ ৰাজকন্যাও আহি পাবহি। সেইকাৰণেই উৎকণ্ঠা বাঢ়িছে।'

অনংগদেৱৰ উত্তৰটো শুনি হংসদেৱ সন্তুষ্ট হৈছিল।

কিন্তু অনংগদেৱ নিজে সন্তুষ্ট হোৱা নাছিল। কিয় জানো আজি বেছ ভাৰাক্ৰান্ত হৈ পৰিছে তেওঁৰ। অমংগলৰ আশংকাই যেন তেওঁক বেঢ়ি ধৰিছে।

অনংগদেৱ আকৌ এবাৰ বাহিৰলৈ ওলাই আহিল।

তেতিয়াই সূৰ্য্যসিংহৰ লগত মুখামুখি হ'ল অনংগদেৱ।

এপলকৰ বাবে অনংগদেৱ থমকি ৰ'ল। দেৱমূৰ্ত্তিযেন চেহেৰাৰ কুমাৰক দেখি অনংগদেৱ কিঞ্চিত বিবুধিত পৰিল। মিঠামুখীয়া অপৰূপ কান্তিৰ মুখখন সচাঁকৈয়ে মোহনীয়। কিন্তু শৰীৰটো? বাউসী, কলাফুল আৰু বুকুৰ গঠনত পৌৰুষ সুলভ শক্তিৰ অস্তিত্ব বিচাৰি অনংগদেৱ ব্যৰ্থ হ'ল।

এওঁ জানো পাৰিব শত্ৰুক সংহাৰ কৰিব?

অনংগদেৱে নিজেই নিজকে প্ৰশ্ন কৰিলে।

অনংগদেৱে সেৱা এটা জনাই আঁতৰি আহোঁতে দূৰৈত তিনিজন লোক মন্দিৰৰ বাটচ'ৰাইদি কোবাকুবিকৈ খোজ কাঢ়ি অহা দেখি আকৌ ৰৈ গ'ল। মানুহকেইজনক তেওঁ চিনি পালে। নাৰায়ণ, তেওঁৰ লগৰ বশিষ্ঠৰ মাতুল উমানন্দ আৰু অন্য এজন। অনংগদেৱ আচৰিত হ'ল তিনিও খৰখোজেৰে আহি কুমাৰৰ ওচৰত ঠিয় হোৱা দেখি। খন্তেক পিছতে কুমাৰ উভতি খোজ ল'লে ৰাজঅতিথিশাললৈ, পিছে-পিছে চাৰিও জনে খোজ পেলালে।

অনংগদেৱে ৰহস্যৰ গোন্ধ পালে।

গধূলিৰ পূজাৰ আয়োজনৰ মাজতো তেওঁ মাজে-মাজে একোবাৰ বাটচ'ৰালৈ আৰু পিছৰবাৰ অতিথিশালালৈ চাই পঠিয়ায়।

অতিথিশালাতো নিজান হৈ পৰি আছিল।

অনংগদেৱ নিজৰ অজানিতে কেতিয়া যে মন্দিৰৰ চৌহদৰ পৰা ওলাই আহিল ততকে ধৰিব নোৱাৰিলে। ৰাজঅতিথিশালাৰ দুৱাৰমুখত ভৰি দিওঁতেহে অনংগদেৱৰ খেয়াল হ'ল তেওঁ ক'লৈ আহিছে। তেওঁ উভতিব খুজিও নোৱাৰিলে। ইতিমধ্যেই তেওঁৰ অস্তিত্ব আনে ধৰা পেলাইছিল। ভিতৰৰ কোঠালী এটাৰ পৰা উমানন্দ ওৰফে মাধৱনন্দন ওলাই আহি অনংগদেৱক দেখিয়েই থমকি ৰ'ল।

'আপোনালোকৰ লগত নাৰায়ণক দেখা পাই ভাৱিলো.....'

'নাৰায়ণ আছিল হয় , কিন্তু এতিয়া নাই। ওলাই গ'ল।'

'ক'লৈ ?' সুধিলে অনংগদেৱে।

'ক'ব নোৱাৰো।' মাধৱনন্দনৰ ছুটী উত্তৰ।

'যাওঁ তেতিয়া হ'লে।' কথাষাৰ কৈ অনংগদেৱ উভতি গ'ল।

মাধৱনন্দন এইবাৰ যথেষ্ট বিপাঙত পৰিল। অনংগদেৱৰ প্ৰতিটো কথা , প্ৰতিটো পদক্ষেপেই তেওঁ আকৌ এবাৰ জুকিয়াই চালে। অনংগদেৱৰ এই কৌতুহল যদি স্বভাৱজাত হয় তেতিয়া হ'লে দুঃশ্চিন্তাৰ কাৰণ নাই। যদিহে তেওঁৰ চালচলনৰ আঁৰত দুষ্টবুদ্ধি লুকাই আছে তেতিয়া হ'লে তেওঁলোক সাৱধান হ'বৰ হ'ল। কিন্তু হাততনো কিমান সময় আছে এতিয়া ? খুব বেছি আৰু কেইদন্ডমানহে আছে। অলপ পিছতে ৰাজকন্যা পাবহি। আৰু তাৰ ঠিক পিছতে.....

'ডাঙৰীয়া !!'

পিছফালৰ পৰা হৰিনাৰায়ণৰ মাতটো শুনি মাধৱনন্দনে মাত দিলে 'কি হ'ল হৰিনাৰায়ণ ?'

'কুমাৰে মাতিছে।'

'গৈ আছো বুলি কোৱাগৈ।'

হৰিনাৰায়ণ গ'লগৈ।

মাধৱনন্দনৰ মনৰ উত্তেজনা তেতিয়া ক্ৰমশঃ আৰু বাঢ়ি আহিছিল। দূৰৈত হাইডৰুমিৰ শব্দ তেওঁৰ কাণত পৰিছিল।

ইয়াৰ অৰ্থ এটাই হ'ব।

ৰাজকন্যা পালেহি!!

তাৰমানে তেওঁলোক সাজু হ'বৰ হ'ল!!

এটা দীঘল সমদল। সন্মুখৰ শাৰীত দুজন ঘোঁৰাচোৱাৰী সৈনিক ,

এজনৰ হাতত পতাকা এখন। তাৰ ঠিক পিছতে ঘোঁৰাবাগী এখন। বাগীখনৰ মধুচতো সুদৃশ্য পতাকা এখন উৰি আছে। বাগীখনৰ পিছত আৰু এখন সৰু বাগী আহি আছে , সেইখনত কিন্তু কোনো পতাকা নাই। তদুপৰি সন্মুখৰ খনৰ দৰে সুসজ্জিতো নহয়। তাৰপিছত প্ৰায় এশজন অশ্বাৰোহী সৈনিকৰ দল এটাও আহি আছে। দলটো লেহেম গতিৰে আহি লক্ষ্মীমন্দিৰৰ বাটচ'ৰাটোৰ পোনে-পোনে থকা সৰু অট্টালিকাটোৰ চৌহদলৈ সোমাই গ'ল। ঠিক সেইমুহূৰ্ততে চৌহদৰ উদুলি-মুদুলি পৰিৱেশটো আৰু যেন ৰঙেৰে ওপচি পৰিল। এজুম মানুহে উৎসুক হৈ বেঢ়ি ধৰিলে চৌহদৰ শিলৰ বেৰখন। ডিঙি মেলি-মেলি চাই ৰ'ল ঘোঁৰাবাগীখনৰ পৰা লয়লাস ভংগীৰে নামি ভিতৰলৈ সোমাই যোৱা ৰাজকন্যা উত্তৰাক।

তেতিয়া বেলি লহিয়াবলৈ উপক্ৰম কৰিছিল।

খন্তেক পিছতে আকাশখনে বৰণ সলাব।

অইন দিনাখন ঠিক এইখিনি সময়ত সন্ধিয়াৰ আৰতিৰ বাবে দহজনমানহে লোক গোট খায় লক্ষ্মীমন্দিৰত। আজি পিছে শতাধিক হৈছে। সেই মানুহৰ জুমৰ মাজত মাধৱনন্দনো আছে। তেওঁ এফালৰ পৰা সিফাললৈ এনেয়ে খোজকাঢ়ি আছে। চকুৰ দৃষ্টি অৱশ্যে এঠাইতে বৈ থকা নাই। অকলশৰীয়া হৈ থকাৰ বাবেই হবলা তেওঁৰ মনৰ মাজত থকা অস্থিৰতা আৰু বাঢ়িছে।

অৰ্জ্জুন আৰু নাৰায়ণ কেতিয়াবাই অৰণ্যৰ ভিতৰলৈ সোমাই গৈছে। গধূলিৰ লগে-লগে মন্দিৰৰ ডবা-শংখ বজাৰ শব্দৰে চৌদিশ মুখৰিত হোৱাৰ সময়তে তেওঁলোক আকৌ আহি ওলাব।

লগত থাকিব এজাক হাতী।
বলিয়া হাতী!!

এই শব্দটোৰে চৌদিশ ৰজন-জনাই দিব। বিশৃংখল পৰিস্থিতি এটাৰ সৃষ্টি হ'ব তেতিয়া। আৰু সেইটোৱেই হ'ব তেওঁলোকৰ বাবে সুৱৰ্ণ সুযোগ!

হঠাতে মাধৱনন্দনৰ অন্তৰাত্মা কঁপিও উঠে। অৰ্জ্জুনৰ বুদ্ধিতো অৱশেষত যদি সফল নহয় তেওঁলোকৰ সকলো উদ্যম অথলে যাব। কিন্তু মাধৱনন্দনেও জানে অৰ্জ্জুনৰ পৰামৰ্শমতে কাম নকৰিলেও হাতত এতিয়া অন্য কোনো গত্যন্তৰো নাই।

অৰ্জ্জুনে যোৱাৰ আগতেই ব্যৱস্থাতো কৰি গৈছিল। সোণৰ মোহৰ কেইটামানৰ বিনিময়ত অট্টালিকাটোৰ ৰান্ধনীজনে সন্মত হৈছিল ৰাজকন্যাৰ

অংগৰক্ষক দলটোক মায়াবী ফটিকাৰে আপ্যায়ন কৰিবলৈ। ইমানদূৰ বাটকুৰি বাই আহি অৱশেষত শীতল অথচ ৰঙীন মায়াবী ফটিকাৰ স্পৰ্শ ল'বলৈ কাৰনো ইচ্ছা নাযাব?

মাধৱনন্দন ৰৈ আছে বাতৰিটো শুনিবলৈ।

ব্যৱস্থা মতে বিদূৰে বন্ধনশালাৰ পৰা ফটিকা বিতৰণ হৈ যোৱাৰ খবৰটো দিয়াৰ কথা মাধৱনন্দনক।

আকাশখনৰ ৰঙচুৱা বৰণটো নাইকিয়া হৈ আহিল। গধূলিৰ অন্ধকাৰজাক পাতল যদিও চাৰিওফালে চাকিবোৰ জ্বলি উঠিছে। তাৰ লগে-লগে লক্ষ্মীমন্দিৰৰ চৌহদটো আৰু যেন উজ্জ্বল আৰু উত্তাল হৈ উঠিছে। চাৰিওফালে শ-শ চাকিৰ জ্বলন্ত শিখাই এক অপৰূপ সৌন্দৰ্য্যৰ আভা ছটিয়াই দিছে।

চাকিৰ পোহৰৰ মাজতে বিদূৰক আহি থকা দেখি মাধৱনন্দনৰ মনটো ভাল লাগি গ'ল। এটা আওঁহতীয়া চুকলৈ গৈ মাধৱনন্দনে চাৰিওফালে চাই সন্তুষ্ট হ'ল। ওচৰত কোনো নাই। বিদূৰ ওচৰ চাপি অহাত মাধৱনন্দনে ব্যগ্ৰ হৈ সুধিলে ' খবৰ কি?'

' সকলোকে ফটিকা দিয়া হ'ল। খালেও। কিন্তু.....'

' কিন্তু আৰু কি?'

' তিৰোতা অংগৰক্ষক সাঁত গৰাকী আছে। তেওঁলোক ৰৈ গ'ল।'

মাধৱনন্দন দমি গ'ল। নাৰী যেতিয়া তেওঁলোক ৰাজকন্যাৰ ওচৰে-পাজৰেই থাকিব। হেজাৰ বিপদ হ'লেও। মাধৱনন্দনে জানে ৰাজকন্যাক অকলশৰীয়া কৰিব নোৱাৰিলে তেওঁলোকৰ সমস্ত কল্পনা ধূলিস্যাৎ হ'ব।

' তেওঁলোকে কি কৰি আছে এতিয়া?' সুধিলে মাধৱনন্দনে।

' অট্টালিকাতে আছে। বাহিৰলৈ ওলোৱা নাই। ৰাজকন্যাৰ ওচৰতে শিলৰ মূৰ্ত্তি একোটাৰ দৰে ৰৈ আছে।'

বিদূৰ গ'লগৈ।

মাধৱনন্দনে হুমুনিয়াহ এটা পেলালে। মনটো তেওঁৰ ভাৰাক্ৰান্ত হৈ পৰিছিল। তেওঁ খুটা এটাও আউজি ঠিয় হৈ আছিল। ঠাইখিনি অন্ধকাৰ। দূৰৈৰ পৰা সতকাই তেওঁক নেদেখি। কিন্তু মাধৱনন্দনৰ চকুত সকলো ধৰা পৰিছে। মাধৱনন্দন যেন বেছ নিৰ্ব্বিকাৰ।

তেওঁ অলস ভাৱে সন্মুখলৈ চাই ৰৈছিল।

হয়তো বেছ কিছুপৰলৈ তেওঁ তেনেকৈয়ে স্থিৰ হৈ ৰৈ থাকিলহেঁতেন। কিন্তু হঠাতে মন্দিৰৰ দুৱাৰৰমুখত ঘোঁৰাৰ শব্দ শুনি তেওঁ সচকিত হৈ উঠিল। মাধৱনন্দনৰ চকুত পৰিল ঘোঁৰাচোঁৱাৰী এজন দুৱাৰমুখত আহি ৰৈছে , চাৰিওফালে সৰ্তকতাৰে চকু ফুৰাইছে। মাধৱনন্দনে নিজকে খুটাটোৰ আঁৰ কৰি ঘোঁৰা চোৱাৰীজনলৈ চালে।

ঘোঁৰাচোৱাৰীজন থুলন্তৰ , মূৰত পাগুৰী এটা। গাটোত এখন জন্তুৰ নোমাল ছালেৰে তৈয়াৰী চাদৰ মেৰুওৱা আছে। চাদৰখনেই মাধৱনন্দনৰ শৰীৰলৈ উষ্ণ তেজৰ ঢল বোৱাই দিলে। সেই চাদৰ খনেই অনামী লোকজনৰ পৰিচয় তুলি ধৰিলে। পালৰাজ্যৰ উত্তৰৰ পাহাৰৰ সিপাৰে থকা পাহাৰীলোকসকলে তেনে চাদৰ গুঠে। তাৰ অৰ্থও এটাই হ'ব। ঘোঁৰাচোৱাৰীজনৰ লগত পালৰাজ্যৰ সম্পৰ্ক এটা আছে।

হঠাতে ক'ৰ পৰা জানো সাউতকৰে মানুহএজন আহি ঘোঁৰাচোৱাৰীজনৰ ওচৰতে উপস্থিত হ'ল। তেওঁৰ লগত অচিন ঘোঁৰাচোৱাৰীজনে লক্ষ্মীমন্দিৰৰ দুৱাৰমুখৰ পৰা লাহে-লাহে আঁতৰি গ'ল।

মাধৱনন্দনো পিছে-পিছে খোজ দিলে।

কিছুদুৰ গৈয়েই জুপুৰী ঘৰ এটাৰ সন্মুখত ঘোঁৰাচোৱাৰীজন ঘোঁৰাৰ পৰা নামিল , লগত যোৱাজনৰ লগত তেওঁ জুপৰীঘৰটোলৈ সোমাই গ'ল। মাধৱনন্দনেও চাৰিওফালে এবাৰ সৰ্তক দৃষ্টি বুলাই জুপুৰীঘৰটোৰ ওচৰ চাপি গ'ল। বেৰৰ জলঙাৰে চাকি এটাৰ পোহৰ মাধৱনন্দনৰ চকুত পৰিল। কিন্তু মাধৱনন্দনে আৰু ওচৰ চাপি যাবলৈ ইতস্ততঃ বোধ কৰিলে। এতিয়া তেওঁৰ হাতত আছে এক গধুৰ দায়িত্ব। এটা ভুল পদক্ষেপেই তেওঁলৈ সৰ্ব্বনাশ মাতি আনিব।

মাধৱনন্দনে কিছুসময় ৰৈ থাকি উভতি আহিল।

তেওঁ জানে আৰু এখন মাত্ৰ তামোল খোৱাৰ পিছতেই আৰম্ভ হ'ব এখন নতুন নাটক। তেওঁ সেই নাটকৰে এজন ভাৱৰীয়া। কিন্তু তেওঁও নাজানে পৰবৰ্ত্তী দৃশ্যটোৱে শেষ দৃশ্য হ'ব নে নাটক আৰু দীঘলীয়াহে হ'ব।

**ল**ক্ষ্মীমন্দিৰৰ চৌহদত গোটখোৱা মানুহৰ জুমটোৰ মাজত হঠাতে চাঞ্চল্য বাঢ়ি গ'ল। ৰাজকন্যা উত্তৰা লাহে-লাহে খোজ দি আহি লক্ষ্মীমন্দিৰৰ '

পদুলীমুখত ভৰি দিয়াৰ লগে-লগে চৌহদটো যেন আৰু বেছি উজ্বল হৈ উঠিল। ৰাজকন্যাক চৌদিশে সাতগৰাকী তিৰোতাই বেঢ়ি ধৰি মন্দিৰৰ ভিতৰলৈ লৈ আনিলে।

দুৱাৰমুখতে হংসদেৱ আৰু অনংগদেৱে ৰাজকন্যাক অভ্যৰ্থনা জনালে।

পদুলিমুখৰ পৰা মন্দিৰৰ গৰ্ভগৃহলৈ বেছ দূৰ। উত্তৰা লাহে-লাহে খোজ দি অহা কাৰণে বেছ সময় ল'লে। উত্তৰা গৰ্ভগৃহ দুৱাৰমুখ পোৱাৰ লগে-লগে মন্দিৰত ডবাৰ কোব পৰিল। খন্তেক পিছতে সন্ধ্যাৰ আৰতি হ'ব। লয়লাস ভংগীৰে দুগৰাকী যুৱতীয়ে নাচোনৰ তালে-তালে ধূপ-ধূনাৰে আৰতি কৰিব। সেইসময়তে আয়তীয়ে নামো গাব। ক্ৰমান্বয়ে নৃত্য আৰু সংগীতৰ মূৰ্চ্চনা সপ্তমত উঠিব। ধূনাৰ ধোঁৱাই মন্দিৰৰ ভিতৰ আৰু বাহিৰ উদুলি-মুদুলি কৰি পেলাব। কোনেও কাকো নেদেখা পৰিস্থিতি এটাৰ সৃষ্টি হ'ব। আৰু সেইটোৱেই হ'ব পৰম আকাংঙ্খিত মুহূৰ্ত।

মাধৱনন্দনে মানুহৰ জুমটোৰ ভিতৰতে ক্ষণ গণি ৰ'ল।

তেওঁৰ যেন এতিয়া উশাহ-নিশাহ লবলৈকো আহৰি নাই। চাৰিওফালে চকু ফুৰাই আছে তেওঁ। মন্দিৰৰ খুটাবোৰৰ আৰু মানুহবোৰৰ মূৰবোৰৰ মাজেৰে তেওঁ দূৰৈৰ গহন অন্ধকাৰ অৰণ্যৰ বুকুলৈ মাজে-মাজে চাই আছে। অৰণ্যৰ বুকুত দুডাল জোৰ এবাৰ দেখা পাই তেওঁ সকাহ পালে। অৰ্জ্জুনহঁত যথাসময়তে উপস্থিত হৈছে!!

নৃত্য আৰু সংগীতৰ তাল আৰু বেছি উত্তাল হৈ পৰাৰ লগে-লগে মাধৱনন্দনৰ অন্তৰাত্মা এবাৰ কঁপি উঠিল। কিন্তু তেওঁ ততালিকে নিজকে সম্বৰণ কৰি পেলালে। তেওঁ মানুহৰ ভিৰ ঠেলি বাহিৰলৈ ওলাই আহিল। তেওঁ আকৌ অলপ আগতে ঠিয় হোৱা আঁওহঁতীয়া চুকটোত উপস্থিত হ'ল। সেইখিনিতে জোৰ এপাট খুটা এটাত আঁৰি থোৱা আছিল। সেইডাল তেওঁ এহাতত লৈ বতাহত ইফালে-সিফালে লৰাই দিলে। প্ৰথমবাৰ লাহে-লাহে, পিছৰবাৰ বেছ খৰকৈ জোৰপাট লৰাই তেওঁ অৰণ্যৰ বুকুলৈ আশাৰে চাই পঠিয়ালে। অৰণ্যৰ বুকুতো জোৰ এপাট বতাহত কঁপিছে, এবাৰ সোঁ-ফালে, পিছৰ বাৰ বাওঁফালে।

ক্ৰমান্বয়ে অৰণ্যৰ বুকুত আৰু দুডালমান জোৰ বতাহত কঁপিব ধৰিলে। লাহে-লাহে আগবাঢ়ি আহিছে জ্বলন্ত জোৰ কেইপাটৰ শিখা। মাধৱনন্দন আৰু কিছুক্ষণ ঠাইতে ৰৈ থাকিল। এটাসময়ত তেওঁ চুকটোৰ পৰা ওলাই আহিল। তেওঁ মানুহৰ জুমটোৰ মাজত থকা হৰিনাৰায়ণক বিচাৰোঁতে কিছুক্ষণ ল'লে।

সময় হ'লনে?' হৰিনাৰায়ণেই প্ৰথমে সুধিলে।

'হৈছে।'

'মই কুমাৰক মাতোনে?'

'এতিয়াই নহয়।'

'কেতিয়া?' সুধিলে হৰিনাৰয়ণে।

'মই গৰ্ভগৃহৰ মূল কাঠৰ দুৱাৰখন ভিতৰৰ পৰা বন্ধ কৰি দিম। ঠিক তেতিয়াই...'

'বুজিছো।'

মাধৱনন্দনে ভিৰ ঠেলি আগুৱাই গ'ল। তেওঁ গৰ্ভগৃহৰ মূল কাঠৰ দৰ্জ্জা খনৰ ওচৰ চাপিহে উশাহ সলালে। তেওঁৰ পৰা কেইখোজমান আঁতৰত ৰাজকন্যা উত্তৰা ঠিয় হৈ আছে, তেওঁৰ চৌপাশে সাতগৰাকী তিৰোতা অংগৰক্ষিকা। তেওঁলোকো ঠিয় হৈ আছে অলস ভাবে। মাধৱনন্দনৰ মনলৈ এইবাৰহে যেন যৎকিঞ্চিত সাহস আহিল।

হঠাতে অদূৰত গগন ফলা চিঞৰৰ এটাই চৌদিশ ৰজন-জনাই পেলালে 'হাতী! বলীয়া হাতীৰ জাক আহিছে।'

সংগীতৰ তালেও চিঞৰটো ৰুধিব নোৱাৰিলে।

প্ৰায় প্ৰত্যেকৰে কাণত সোমাইছিল শব্দটো।

মাধৱনন্দনে যি অনুমান কৰিছিল সেইয়াই হ'ল। মুহূৰ্ততে চৌদিশে হুৰাদুৰা লাগি গ'ল। পৰিস্থিতিটো যে ইমান সোনকালে বিশৃংখল হৈ পৰিব মাধৱনন্দনেও অনুমান কৰি ল'ব পৰা নাছিল। ধূপ আৰু ধূনাৰ ধোঁৱাই কোনেও কাকো নেদেখা কৰি তোলাৰ বাবেই চিঞৰ বাখৰ আৰু বেছি হ'ল। মাধৱনন্দনে প্ৰথমেই গৰ্ভগৃহৰ মুল কাঠৰ দৰ্জ্জাখন ঠেলি আনি সৰু ফাঁক এটা কৰি ৰাখি চাৰিওফালে চালে। ৰাজকন্যা উত্তৰাৰ ওচৰত মাত্ৰ তিনিগৰাকী অংগৰক্ষিকা ঠিয় হৈ আছে, চাৰি গৰাকী মানুহৰ ঠেলা-হেচাৰ পৰা ৰাজকন্যাক বচোৱাৰ চেষ্টাত ব্যস্ত। মাধৱনন্দনে আগবাঢ়ি গৈ ৰাজকন্যাৰ আৰু ওচৰ চাপি মাততো কঁপাই-কঁপাই মাত দিলে 'ৰাজকুমাৰী! চিন্তা নকৰিব। আপুনি গৰ্ভগৃহৰ ভিতৰলৈ সোমাই যাওঁক।'

'ৰাজকুমাৰী! আহক! আহক!!' অংগৰক্ষিকা এগৰাকীয়েও মাত দিলে।

উত্তৰাই ইতস্ততঃ কৰিলে।

কিন্তু সেইমুহূৰ্ততে মন্দিৰৰ পদুলিমুখতে হাতী এটাৰ উৎকট আৰ্তনাদে ৰাজকুমাৰীক ভয়তে বিতত কৰি পেলালে। তেওঁ একেলৰে গৈ দৰ্জ্জাখনৰ সৰু ফাঁকটোৰে ভিতৰলৈ সোমালেগৈ। মাধৱনন্দনে এই সুযোগটোলৈকে অপেক্ষা কৰি আছিল। উত্তৰা সোমাই যোৱাৰ আগতেই দৰ্জ্জাখনৰ ফাঁকটো আগভেটা কৰি ৰাখিছিল। উত্তৰা সোমাই যোৱাৰ লগে-লগে তেওঁ ফাঁকটোৰে সোমাই গৈ দুৱাৰখন জপাই ভিতৰৰ পৰা ডাংডাল মাৰি দিলে।

'ৰাজকুমাৰী! আপুনি চিন্তা নকৰিব। সৌ কুঠৰীটোতে আপুনি বহক। বলীয়া হাতীয়ে এতিয়া আৰু আপোনাক অনিষ্ট কৰিব নোৱাৰে।' মাধৱনন্দনে সান্ত্বনা দিলে।

'কিন্তু...... মোৰ সখীসকল.... তেওঁলোক.....'

'আপুনি বিতত নহ'ব। এখন্তেক ৰওক। মই বাহিৰৰ পৰা চাই আহো।'

মাধৱনন্দন আৰু নৰ'ল। তেওঁ গৰ্ভগৃহৰ আৰু ভিতৰলৈ সোমাই গ'ল। গোটেই গৰ্ভগৃহটোত মাত্ৰ কেইগছমানহে চাকি জ্বলি আছিল। মাধৱনন্দনে চাকিৰ অনুজ্বল পোহৰতে বেছ খৰখোজেৰে ভিতৰৰ দৰ্জ্জা এখনৰ ওচৰ চাপিল। টোকৰ দুটা মান দিয়াৰ লগে-লগে বাহিৰৰ পৰা দৰ্জ্জাখন মেল খালে। অন্ধকাৰতে হৰিনাৰয়ণ আৰু কুমাৰৰ মুখদুখন দেখি মাধৱনন্দনে সকাহ পালে।

'কুমাৰ। আপুনি ভিতৰলৈ সোমাই যাওঁক। ৰাজকন্যা ভিতৰৰ মূল কোঠাটোতে বহি আছে। এইয়াই সুযোগ। অন্তিম সুযোগ।' কথাষাৰ কৈ মাধৱনন্দনে ওলাই গৈ কুমাৰক একপ্ৰকাৰ ঠেলি ভিতৰলৈ সোমাই দিলে। কুমাৰ ভিতৰলৈ সোমাই যোৱাৰ লগে-লগে কাঠৰ দৰ্জ্জাখনৰো তেওঁ ডাংডাল মাৰি দিলে। এইবাৰহে যেন তেওঁ নিশ্চন্ত হ'ল।

'ব'লা।' মাধৱনন্দনে ক'লে।

হৰিনাৰায়ণে মাধৱনন্দনৰ পিছে-পিছে খোজ পেলালে।

'চৌদিশে হুলুস্থুল লাগি গৈছে।'

'অ।' মাধৱনন্দনে সহাঁৰি দিলে 'অৰ্জ্জুন আৰু নাৰায়ণে ঠিকেই কাম কৰিছে। এতিয়া চিন্তা থাকিল বিদূৰকলৈ।'

হৰিনাৰায়ণে এইবাৰ একো নামাতিলে।

'বিদূৰে এতিয়া উৰাবাতৰি সৃষ্টি কৰিব লাগিব। ইয়াতো, আইঁতগুৰিতো। বনজুইৰ দৰে বিয়পি পৰিব লাগিব বাতৰিতো।' মাধৱনন্দনে আপোনমনেৰে কথাষাৰ কৈ উশাহ সলালে।

দুয়ো লক্ষ্মীমন্দিৰৰ সন্মুখৰ পদুলিমুখলৈ বুলি খোজ লৈছিল। অদূৰত এজাত হাতীৰ মিলিত আৰ্তনাদ আৰু ভয়াৰ্ত মানুহৰ চিঞৰ বাখৰ তেওঁলোকৰ কাণত পৰিল।

'হৰিনাৰায়ণ।'

'কওঁক।'

'তুমি কাযৰ পকীবেৰখন বগাই মন্দিৰৰ ভিতৰলৈ সোমাই যোৱা। প্ৰচাৰ কৰি দিবা ৰাজকন্যা আৰু আমাৰ কুমাৰক তুমি একেলগে দেখিছা। মনত থাকিবনে?'

'থাকিব। কিন্তু আপুনি ক'লৈ যায়?'

'মোৰ বহুত কাম।' মাধৱনন্দনে চমুকৈ কৈ থ'লে।

**অ**ৰ্জ্জুনক বিচাৰি ওলাওঁতে মাধৱনন্দনে বেছ হাবাথুৰি খালে। দুবাৰমান হাতী একোটাৰ মুখা-মুখিও হৈছিল। কোনোমতেহে বাচিছিল। লক্ষ্মীমন্দিৰৰ চৌহদতো জনশূণ্য হৈ পৰিছে। অ'ত-ত'ত কৰবাৰ পৰা চিঞৰ বাখৰবোৰ মাজে-মাজে ভাঁহি আহি মাধৱনন্দনৰ কাণত নপৰা নহয়। মাধৱনন্দনে অৱশেষত অৰ্জ্জুনক লগ পাইহে সকাহ পালে। অৰ্জ্জুনৰ চকুৱে মুখে তৃপ্তিৰ হাঁহি। মাধৱনন্দন কিন্তু নিৰ্ব্বিকাৰ, চকুৱে মুখে ভাৱলেশহীন চাৱনি এটা। অৰ্জ্জুনে মাধৱনন্দনৰ মুখৰ অভিব্যক্তি লক্ষ্য কৰি মাত দিলে 'তোমাক এতিয়াও দুঃশ্চিন্তাত থকা যেন লাগিছে। আমি যি বিছাৰিছিলো তেনেকৈয়েতো সকলো ঘটিছে। আনকি অলপ আগতে হৰিনাৰায়ণেও সকলোৰে আগত কৈ ফুৰিছে আমাৰ কুমাৰ আৰু উত্তৰাক একেলগে দেখাপোৱাৰ কথা।'

'কিন্তু...'

'কিন্তু কি?'

'শেষ ৰাত্ৰিলৈ হাতীজাক ইয়াতে থাকিব লাগিব। সমস্ত জুপুৰী, ঘৰ দুৱাৰ, বাট পথ, কলগছ আদি ভাঙি ছিগি চুৰমাৰ কৰি থৈ যাব লাগিব। শেষ ৰাত্ৰিৰ লগে-লগেই হাতীৰ জাক আকৌ গহণ অৰণ্যৰ মাজলৈ তুমি লৈ যাব লাগিব। অৰণ্যৰ বাটেদিয়েই তুমি আমাৰ ৰাজ্যলৈ গুচি যাব লাগিব।'

'মোৰ কাৰণে তুমি চিন্তা নকৰিবা।'

'তোমাৰ কাৰণে মই এতিয়া অকণো চিন্তা কৰা নাই। মোৰ চিন্তাৰ হেতু অন্য এটাহে।' মাধৱনন্দনে অজ্ঞাত ঘোঁৰাচোৰাৰীজনৰ প্ৰসংগ চমুকৈ বৰ্ণাই

উশাহ সলালে।

অৰ্জ্জুন নীৰৱে ৰ'ল।

এপলক আগৰ মুখৰ অভিব্যক্তিও ততালিকে সলনি হ'ল। তাৰ ঠাইত বিৰাজ কৰিছে এখন চিন্তাক্লিষ্ট মুখ। অৰ্জ্জুনে তলমুৰ কৰি কিবা চিন্তা কৰি হঠাতে তলমুৰটো ওপৰ কৰিয়েই উচখাই উঠিল। অদূৰত অন্ধকাৰত ছায়ামূৰ্ত্তি এটা লৰচৰ কৰি আছে। এই মুহূৰ্তত বনৰীয়া হাতীৰ তাণ্ডৱত যেতিয়া সকলো নিৰাপদ আশ্ৰয়ত সোমাবলৈ ল'ৰা-ঢপৰা কৰিছে সেইসময়ত মুকলি ঠাই টুকুৰাত কোনো নিৰীহ মানুহ থকাতো স্বাভাৱিক ঘটনা নহয় , হ'ব নোৱাৰে।

' মাধৱনন্দন !'

' কি ?'

'তুমি দক্ষিণফালে চোৱাচোন এবাৰ। মানুহ এজন চোপ লৈ থকা যেন লাগিছে।'

মাধৱনন্দনে ততালিকে মূৰ ঘূৰালে।

' তুমি ঠিকেই কৈছা। বোধহয় মই দেখা .....' মাধৱনন্দনে আধাকোৱাকৈয়ে নীৰৱ হ'ল।

জোপোহা এডৰাৰ আঁৰত ছায়ুমূৰ্ত্তিটো লুকাবলৈ চেষ্টা কৰা যেন দেখা পালে মাধৱনন্দনে। তেওঁ চেপা কণ্ঠেৰে ক'লে ' তুমি সোঁহাতে দৌৰি যোৱা। মই পোনে-পোনে আগবাঢ়ো।'

' ঠিক আছে।'

অৰ্জ্জুনে প্ৰথমে ধীৰে-ধীৰে, পিছত খৰকৈ খোজ দি আঁতৰি গ'ল। মাধৱনন্দনে কিন্তু পোনছাটেই দৌৰিব ধৰিছিল। দুয়ো দুফালেদি দৌৰি আহি জোপোহা এডৰাৰ আঁৰৰ পৰা পলাবলৈ উদ্রেক কৰা মানুহজনক জপটিয়াই ধৰিলে। অৰ্জ্জুনে খাপাৰ পৰা সৰু অথচ ধাৰাল চুৰী এখন উলিয়াই লৈছিল। মানুহজনৰ লগত জোট-পোট লাগোতে কোন তলকতয়ে চুৰীখন মানুহজনৰ পেটত সোমাই গৈছিল তাৰ উমানকে নাপালে অৰ্জ্জুনে। মানুহজনে গেঙনী এটা মাৰি নিথৰ হৈ পৰি যোৱা মুহূৰ্ততে মাধৱনন্দনেও চেপা কণ্ঠে গেঙনি এটা মাৰি ঠাইতে ঢলি পৰিল। অৰ্জ্জুনে দেখিলে মাধৱনন্দনৰ বাউসীত কাঁড় এপাত লাগি আছে!! অৰ্জ্জুনে চাৰিওফালে সচকিত হৈ চাওঁতে দেখিলে দূৰৈত ক'লা চাদৰ এখনেৰে সৰ্ব্বাংগ ঢকা ঘোঁৰাচোৰাৰী এজন তীব্ৰবেগে ঘোঁৰা চেকুৰাই অটব্য অৰণ্যৰ বুকুলৈ ঢাপলি মেলিছে।

‘ মাধৱনন্দন !’

মাধৱনন্দন নিমাতে থকা দেখি অৰ্জ্জুনে ততালিকে কাঁড়পাত বাউসীৰ পৰা উলিয়াই দিলে। বাউসীৰ ক্ষতস্থানতো গাৰ চাদৰ এখনেৰে আটিলকৈ বান্ধি মাধৱনন্দনক ডাংকোলাকৈ তুলিব ধৰোতেই মাধৱনন্দনে যন্ত্ৰনাকাতৰ স্বৰেৰে সেহাঁই-সেহাঁই ক'লে , ‘ কোন তলকত যে কাঁড়পাত আহি বিন্ধিলেহি ধৰিবই নোৱাৰিলো।’

‘ তুমি কথা নকবা। মই তোমাক অতিথিশালালৈ লৈ যাওঁ। তাতে তুমি জিৰাই ল'লেই সকাহ পাবা। ক্ষতস্থানটো মুঠেই গভীৰ নহয়। বনদৰবেই এদিনতে ঘাঁ শুকুৱাই পেলাব।’

‘ ঠিক আছে। তুমি কিন্তু হাতীজাক....’

‘ মোৰ কাৰণে তুমি চিন্তা নকৰিবা।’

মাধৱনন্দনে চিন্তা কৰিবলৈ সচাঁকৈয়ে এৰি দিলে। চকুপতাদুখন লাহে-লাহে জাপ খাই আহিব ধৰিলে। ক্ৰমশঃ সমস্ত শৰীৰটোৰেই অৱশ হৈ আহিব ধৰা যেন পালে তেওঁ।

চকুহাল মেলিদিয়েই মাধৱনন্দন উচপ খাই উঠিল।

এতিয়া ভৰ দুপৰীয়া।

কোঠাৰ খিৰিকীৰ ফাকেৰে অহা ৰ'দৰ পোহৰে জলমলাই ৰখা কোঠাটোত তেওঁ অকলে নহয়। কাষত হৰিনাৰায়ণ ঠিয় হৈ আছিল। হৰিনাৰায়ণে তেওঁক সাৰ পোৱা দেখিয়েই আথে-বেথে সুধিলে ‘ যন্ত্ৰণাৰ উপশম হৈছেনে ?’

‘ যন্ত্ৰণা ?’

‘অ। শেহ ৰাত্ৰি অৰ্জ্জুনদেৱে মোকেই ৰখীয়া কৰি থৈ গ'ল। তেতিয়াৰে পৰা মই ইয়াতে আছো। আপুনিও যন্ত্ৰণাত মাজে-মাজে গেঙনি মাৰি আছিল। কাহিলি-কাহিলি পুৱাৰ পৰাহে আপোনাৰ গেঙনি মৰা বন্ধ হ'ল।’

‘ কিন্তু.....’

‘ কুমাৰৰ কথা সুধিছে?’

‘ অ।’

‘ খবৰ ভালেই।’

‘ মানে ?’

'সকলোতে জনাজনি হৈ গ'ল যে আমাৰ কুমাৰ আৰু উত্তৰা আইদেউ মন্দিৰৰ গৰ্ভগৃহৰ ভিতৰতে ৰাত্ৰিযাপন কৰিলে। ৰাতিপুৱালত প্ৰায় সকলোৱে লক্ষ্মীমন্দিৰতে গোট খাইছিল। গৰ্ভগৃহৰ কাঠৰ দুৱাৰখন ভাঙি খুলি দিওঁতে শেতেলী এখনতে দুয়োকো সকলোৱে দেখা পালে।'

মাধৱনন্দনে আকৌ চকুহাল মুদি দিলে।

হুমুনিয়াহ্ এটা ওলাই আহিল মুখৰ পৰা।

## ১০

এসপ্তাহ বৰ উদ্বিগ্নতাৰে পাৰ হৈ গ'ল।

বনজুইৰ দৰে ছাটি-ফুটি গৈছিল বাতৰিতো। প্ৰথমেই লক্ষ্মীমন্দিৰ, পিছত আঁহতগুৰি আৰু প্ৰায় লগে-লগেই শোণিতপুৰলৈ বিয়পি গৈছিল বাতৰিতো। সকলোৰে মুখত এতিয়া এটাই প্ৰশ্ন ঃ ৰাজকন্যাৰ এতিয়া কি হ'ব? বন্ধ কুঠৰীত একেলগে ৰাত্ৰিযাপন কৰাতো এটা অভাৱনীয় কথা, তাকো অবিবাহিত এক যুৱতীৰ বাবে।

শোণিতপুৰৰ মহাৰাজে বাতৰিতো শুনিয়ে বিচলিত হৈছিল। তেওঁ ঠিৰাং কৰিব পৰা নাছিল কি কৰিব এতিয়া তেওঁ। এই বাতৰিতো অজিতপালৰ কাণত পৰিলেই সৰ্বনাশ হ'ব। বিবাহৰ বাবে অমান্তি হ'ব অজিতপাল।

আৰু তেতিয়া?

অৱশেষত তেওঁ সিদ্ধান্তটো লৈ পেলালে। সিদ্ধান্তটো লৈয়েই তেওঁ বৈ নাথাকিল। হাতে কামে লাগি গ'ল। দুদিনতে যে এনেকুৱা এটা ঘটনা ঘটিব পাৰে তেওঁৰ সপোনৰো অগোচৰ আছিল। এটা কথাই তেওঁৰ মনতো মাজে-মাজে কঁপাই থৈ যায়। হঠাৎ বনৰীয়া হাতীৰ জাক এটা ওলাল ক'ৰ পৰা? অৱশ্যে পিছলৈ তেওঁ চিন্তা কৰিব এৰি দিলে। এতিয়া একমাত্ৰ জীয়ৰীৰ ভৱিষ্যতটোৱেই তেওঁৰ প্ৰধান চিন্তা। অজিতপালে এনেকুৱা এটা ঘটনা শুনি বিবাহৰ বাবে আপত্তি কৰাৰ আগেয়েই তেওঁ উত্তৰাৰ সদ্‌গতি লগাব লাগিব। তেওঁ অকণো বিলম্ব নকৰি মহাৰাজ ৰত্নসিংহলৈ প্ৰস্তাৱ পঠিয়াইছিল। মহাৰাজ ৰত্নসিংহই যেন এনেকুৱা এটা প্ৰস্তাৱলৈকে ব্যাকুল হৈ আছিল। ততালিকেই তেওঁ সন্মতি জনাইছিল। আনকি এদিনো পলম কৰা নাছিল।

বিয়াখন লক্ষ্মীমন্দিৰতে সম্পন্ন হৈছিল।

ৰত্নসিংহ অৱশ্যে ঘোৰা নাছিল।

ৰূপহীনগৰত এতিয়া অলেখ কাম তেওঁ যি বিচাৰিছিল সেইমতেই তেওঁ ফল পালে। এতিয়া তেওঁৰ হাতত হেজাৰ হাতীৰ বল। অজিতপালৰ এতিয়া সাধ্য নাই ৰূপহীনগৰৰ ফালে শেণচকু দিবলৈ। সেয়েহে ৰত্নসিংহৰ অন্তৰখন আনন্দত থৌকি-বাথৌ হৈছিল। অৰ্জ্জুন হাতীজাকৰ দলটোৰ সৈতে ৰূপহীনগৰ পোৱাৰ পিছত দুদিনো জিৰাব নোৱাৰিলে। এইবাৰ ৰত্নসিংহই তেওঁক এজাক বনুৱা সৈন্যৰে সৈতে লক্ষ্মীমন্দিৰলৈ পঠিয়ালে। সম্পূৰ্ণ সজ্জিত হৈ অৰ্জ্জুনে আকৌ এবাৰ যাত্ৰা কৰিলে। এইবাৰ সংগোপনে নহয়। এইবাৰৰ উদ্দেশ্যও মহৎ, কুমাৰক সস্ত্ৰীক আদৰি আনা। অৰ্জ্জুনে এজাক সৈন্যলৈ যাবলৈ আপত্তি কৰিছিল। কিন্তু আপত্তি নৰজিল। মহাৰাজৰ এতিয়া এটাই কথা। সম্পূৰ্ণ ৰাজকীয় সন্মানেৰে আহিব লাগিব নৱদম্পতি।

আজি মহাৰাজৰ মনতো উগুল-থুগুল হৈ আছে।

আজি সপ্তাহটোৰ শেষ দিন। সূৰ্য্যসিংহই আজিয়েই লক্ষ্মীমন্দিৰৰ পৰা যাত্ৰা আৰম্ভ কৰাৰ কথা। পৰহি প্ৰত্যুষতে ৰূপহীঘাটত নাওঁ চাপিবহি।

তেওঁ মাথো এতিয়া ক্ষণবোৰ গণি গ'ল।

সময়ো যেন এতিয়া বৰ ধীৰ গতিত আগুৱাইছে, মহাৰাজ ৰত্নসিংহৰ এনে ভাৱ হ'ল।

**গ**হন অৰণ্যৰ মাজৰ বাটৰে উল্কাবেগে ধাৱমান হৈছে সমদলটো। আগৰ শাৰীত চাৰিজন অশ্বাৰোহী, পিছৰ শাৰীত এখন ঘোঁৰাবাগী, বাগীখনৰ ওপৰত পতাকা এখন উৰি আছে। বতাহত প্ৰচণ্ডবেগে কঁপিছে পতাকাখন।

ঘোঁৰাবাগীখনৰ পিছত এজাক অশ্বাৰোহী সৈন্যৰ দল। প্ৰত্যেকৰে সৰ্ব্বাংগ ক'লা নোমাল ছালেৰে ঢকা।

ঘোঁৰাবাগীখনৰ ভিতৰত অজিতপাল বহি আছে।

তেওঁৰ চকুহাল মুদখোৱা। মুখখনত এক সীমাহীন আক্ৰোশত উত্তাল হোৱা অভিব্যক্তি। ভিতৰি-ভিতৰি তেওঁ এতিয়াও খং আৰু উত্তেজনাত কঁপি আছে। নিজকে তেওঁ নিয়ন্ত্ৰণত ৰাখিব পৰা নাই।

দিনৌ তেওঁ একোটাকৈ আচৰিত খবৰবোৰ পাই আছিল। খবৰবোৰে তেওঁৰ মনলৈ ভাবান্তৰ ননা নহয়। কিন্তু লক্ষ্মীমন্দিৰত এজাক বলীয়া হাতীৰ উপদ্ৰৱৰ খবৰটোৱে তেওঁক হতবাক কৰি পেলালে। তেওঁ বুজিছিল এই ঘটনাৰ

আঁৰৰ কাহিনী। তেওঁ শোণিতপুৰলৈ খবৰ পঠাব খুজিছিল।

কিন্তু এদিনৰ পলমতে সৰ্বনাশতো ঘটি গ'ল।

ইতিমধ্যেই কুমাৰ সূৰ্য্যসিংহ আৰু ৰাজকুমাৰী উত্তৰাৰ বিবাহৰ খবৰটো বনজুইৰ দৰে বিয়পি পৰিছিল। তেতিয়াই তেওঁ ঠিক কৰিছিল তেওঁ প্ৰতিশোধ ল'ব। প্ৰচণ্ড এক প্ৰতিশোধ। খঙৰ ভমকত তেতিয়াই তেওঁ ধাৱমান হৈছিল অৰণ্যৰ মাজৰ বাটেৰে। লগত আনিছিল পাঁচশ ৰণুৱা। উদভ্ৰান্তৰ দৰে তেওঁ ৰূপহীনগৰলৈ ঢাপলি মেলিছিল। এপলকো ক'তো ৰোৱা নাছিল তেওঁ। এখন্তেক ৰ'লেই যেন হাতৰ মুঠিৰ পৰা সুলকি পৰিব আৰু একোটা অমূল্য সম্পদ।

এৰা উত্তৰা সঁচাকৈয়ে অমূল্য সম্পদেই আছিল।

উত্তৰাৰ লগে-লগে অৱধাৰিত ভাবে হাতৰ মুঠিলৈ আহিলহেঁতেন শোণিতপুৰৰ দুহেজাৰ সৈনিকৰ দল। ৰূপহীনগৰেও এদিন তেওঁৰ শৌৰ্য্যৰ ওচৰত বিনাযুদ্ধই মূৰ দোৱালেহেঁতেন। কিন্তু এদিনৰ আকস্মিক ঘটনা এটাই তেওঁৰ সকলো আশা, ৰঙীন কল্পনা মুহূৰ্ততে ধূলিস্যাৎ কৰি দিলে। তেওঁ এতিয়া অকলশৰীয়া। লগত মাথো পাঁচশ সৈনিকৰ এটা জাক। এই সৈন্য জাকটোৰেই তেওঁ উত্তৰৰ পাহাৰীয়া ৰাজ্যকেইখনত ত্ৰাসৰ সৃষ্টি নকৰা নহয়, কৰিছিল। কিন্তু ভৈয়ামত সফল হ'বনে তেওঁ?

অজিতপালৰ মনত সংশয়ৰ ভাৱ এটা জুমুৰি দি আছিল।

তেওঁৰ হাতত থকা পাচঁশ সৈনিকৰ দলটো যথেষ্ট নহয়। কিন্তু ৰূপহীনগৰ এতিয়া সম্পূৰ্ণৰূপে অৰক্ষিত হৈ আছে। সৈন্যবলো এতিয়া পৰ্য্যাপ্ত নহয়। কিন্তু আৰু দুদিন পিছতে ৰূপহীনগৰৰ চেহেৰা সলনি হ'ব। তেতিয়া হয়তো এতিয়াৰ নিৰীহ ৰূপহীনগৰেই তেওঁলৈ বুলি আঙুলি টোঁৱাব।

সেইকাৰণেই অজিতপালে এতিয়া ধুমুহাৰ গতিত আগুৱাই আহিছে।

ক'তো এপলকৰ বাবেও ৰোৱা নাই অজিতপাল।

হঠাতে বাগীখন ৰৈ গ'ল।

অজিতপাল সচকিত হ'ল।

বাগীখনৰ খিৰিকীৰে তেওঁ মূৰটো উলিয়াই দিলে। তেওঁৰ সেনাপতিজন আগুৱাই অহা দেখি অলপ হুটা মাতেৰে সুধিলে 'কি হ'ল?'

'মহাৰাজ! ৰূপহীনগৰলৈ আৰু মাত্ৰ অলপহে দূৰ আছে। এই অৰণ্যখন পাৰ হ'লেই জনবসতি আৰম্ভ হ'ব। আমি এতিয়া ইয়াতে ৰোৱাই উচিত হ'ব। নিশাৰ অন্ধকাৰৰ লগে-লগে ধুমুহাৰ গতিৰে ৰূপহীনগৰত সোমামগৈ।'

ঠিক আছে।’

অজিতপালে আকৌ বাগীৰ খিৰিকীখনৰ পৰা মূৰটো ভিতৰলৈ সুমুৱাই আনিলে। তেওঁ আকৌ চকুহাল জপাই বাগীখনতে শুই দিলে।

অজিতপালে অৱশ্যে জানে তেওঁৰ এতিয়া টোপনি নাহে।

মনটো অশান্তিত গুজৰি-গুমৰি থাকিলে কাৰো টোপনি আহিব নোৱাৰে।

**ম**হাৰাজ ৰত্নসিংহৰ অৱশ্যে গভীৰ টোপনি আহিছিল।

যোৱা তিনি সপ্তাহৰ ভিতৰত প্ৰথমবাৰৰ বাবে মনতো মুকলি হোৱা যেন লাগিছিল। সেইকাৰণেই অন্ধকাৰত ডুব খাই থকা ৰাজপ্ৰাসাদৰ দক্ষিণকোণৰ দুৱাৰত হোৱা হুলস্থুলটো তেওঁৰ কাণতেই পৰা নাছিল। ক্ৰমান্বয়ে বেছি হৈ অহা চিঞৰৰ বাখৰে তেওঁৰ গভীৰ টোপনি অৱশেষত হৰণ কৰি নিলে। খকমককৈ সাৰ পাই পালেংখনত বহি লওঁতেই শুনা পালে কোঠাৰ দুৱাৰমুখত কাৰোবাৰ হতাহতিৰ শব্দ। তাৰ মাজতেই একেলগে বহুকেইজনৰ মিলিত কলৰৱে তেওঁক কঁপাই পেলালে। তেওঁ পালেঙৰ পৰা নামি কাষতে থকা ওখ পীৰা এখনৰ পৰা তৰোৱালখন হাতৰ মুঠিত লৈ কোঠাটোৰ দুৱাৰমুখত ঠিয় হ'ল।

দুৱাৰখন খুলিয়েই ‘ কি হৈছে?’ বুলি চিঞৰি সুধিয়েই তেওঁ বুজি পালে এক ভয়ানক বিপদে আগুৰি ধৰিছে তেওঁক। প্ৰাসাদৰ ভিতৰত কলা নোমাল চাদৰেৰে সৰ্ব্বাংগ ঢকা এজুম মানুহ এই মাজনিশা প্ৰৱেশ কৰাতো সাধাৰণ কথা নহয়। হাতত এতিয়া এশ সৈনিকো সাজু হৈ থকা নাই।

এপলকৰ বাবে ৰত্নসিংহ বিচলিত হৈ পৰিছিল। কিন্তু খন্তেকতে তেওঁ নিজকে সম্বৰণ কৰি ল'লে। হাতৰ মুঠিত থকা তৰোৱালখন দাঙি তেওঁও আগবাঢ়ি গ'ল। বহুবছৰ তেওঁ নিজ হাতৰ অস্ত্ৰৰ জনজননি শুনা নাছিল। বয়সে হাতৰ মুঠিৰ শক্তিও কমাই আনিছিল। মনত অৱশ্যে তেতিয়াও হেজাৰ হাতীৰ বল।

প্ৰচণ্ড এক ৰণহুংকাৰ তুলি তেওঁ জপিয়াই পৰিল দুৱাৰমুখত গোট খোৱা এজুম আক্ৰমণকাৰীৰ ওপৰত। প্ৰথম তিনিটা ঘাপত তিনিজনক ধৰাশায়ী কৰি চতুৰ্থজনলৈ চোঁচা লওঁতেই তেওঁৰ খেয়াল হ'ল বাওঁহাতৰ বাউসীত কোনোবাই যেন তেওঁক আঘাট কৰিছে। মুৰটো বাওঁফাললৈ হলাই নিওঁতেই অনুভৱ কৰিলে এইবাৰ যেন তেওঁৰ সমস্ত পিঠিখনেই আঘাটেৰে জৰ্জৰিত হৈ উঠিছে। ৰত্নসিংহই জানে এই আঘাটৰ মৰ্মাৰ্থ। হয়তো আৰু মাত্ৰ কেইটামান পলকহে

হাতত আছেগৈ জীৱনৰ শেষ নিস্বাস এৰিবলৈ। মনলৈ তেওঁৰ তেতিয়াহে যেন এক অপাৰ , দুৰ্জ্জেয় সাহস আহিল। তেওঁ প্ৰচণ্ড এক চিঞৰ মাৰি সন্মুখত থকা দুজন অচিনাকী লোকক একেটা ঘাপতে ধৰাশয়ী কৰি তৃতীয়জনৰ ডিঙিলৈ তৰোৱালখন আগবাঢ়াই দিলে। তেওঁৰ তৰোৱালখনৰ আগটোৱে মানুহজনৰ ডিঙিটো চুই যোৱাৰ দৃশ্য চকামকাকৈ তেওঁ দেখাও পালে। কিন্তু পিছৰটো পলকত তেওঁও মজিয়াত ঢলি পৰিল।

লগে-লগে তেওঁৰ দেহৰ ওপৰত আচম্বিতে জপিয়াই পৰিল তিনিজন অচিনাকী আততায়ী। তেওঁলোকৰ উদ্যত তৰোৱালে কেউপিনৰ পৰা ৰত্নসিংহৰ নিৰ্জীৱ শৰীৰটো খোচা বিন্ধা কৰি ৰক্তাক্ত কৰি পেলালে।

‘ হৈছে আৰু। তহঁতজাক এতিয়া অন্য কোঠালৈ যাগৈ। মই এতিয়া মহাৰাজক খবৰ দিওঁ।’ পিছফালৰ পৰা কোনোবা এজনে হুটা মাতেৰে কথাযাৰ কৈ উভতি খোজ ল’লে।

গোটেই ৰাজপ্ৰাসাদটো তেতিয়া অজস্ৰজনৰ বেদনাকাতৰ হাঁহাকাৰে উত্তাল কৰি পেলাইছিল। প্ৰাসাদৰ বাটচ’ৰাৰ তোৰণৰ মুখত শুকুলা ঘোঁৰা এটাৰ পিঠিত বহি থাকি অজিতপালে দৃশ্যবোৰ চাই মনলৈ এক পৈশাচিক আনন্দৰ জোঁৱাৰ অহা যেন পালে। তাৰমাজতেই মহাৰাজ ৰত্নসিংহৰ মৃত্যু সংবাদে তেওঁৰ মনলৈ থৌকি-বাথৌ ভাবৰ জোঁৱাৰ আনিলে।

‘ কিন্তু.....’ তেওঁৰ সন্মুখত উপস্থিত হোৱা সেনাপতিজনে মাত লগালে।

‘ কিন্তু কি ?’

‘ আমাৰ আশীজন ৰনুৱা ৰনত পৰিল।’

‘ আশীজন ?’ অজিতপাল বিস্ময়ত হতবাক হ’ল।

‘ হয় মহাৰাজ। স্বয়ং ৰত্নসিংহৰ হাততে আমাৰ ছয়জন মৰা পৰিল।’

অজিতপাল দুঃশ্চিন্তাত পৰিল। তেওঁৰ হাতত এতিয়া চাৰিশমান সৈনিকহে আছেগৈ। এইকণ ৰনুৱাৰ দলেৰে তেওঁ দিনৰ পোহৰত কাৰ লগত যুঁজিব ? ইতিমধ্যে যদি লক্ষ্মীমন্দিৰলৈ যোৱা সৈন্যজাক আৰু শোণিতপুৰৰ ৰাজকুমাৰী উত্তৰাৰ লগত অহা এহেজাৰ সৈনিকৰ দলতো উপস্থিত হয় কি কৰিব তেওঁ ?

‘ মহাৰাজ!’

‘ হুঁ!’

'কুৰিজন সৈনিকক প্ৰাসাদৰ তলত থকা গুপ্ত কুঠৰীত থকা ৰত্নভাণ্ডাৰৰ মণি মুকুতা গোটাবলৈ লগাই দিছো। যিখিনি মণি মুকুতা আছে সেইখিনিৰ আধাও লৈ যাব পাৰিলে আমাৰ আৰু চিন্তা নাই।'

'আধা নহয় , সমস্ত মনি মুকুতা , সোণ-হীৰা সামৰি-সুতৰি ল'ব লাগিব।'

'তেতিয়া হ'লে ৰাতিপুৱাই যাব।'

'যাওঁক। আমি ৰাতিপুৱাই উভতনি যাত্ৰা আৰম্ভ কৰিম।'

অজিতপালে কথাষাৰ ক'লে যদিও তেওঁৰ মনৰ খুদুৱনি ৰৈ গ'ল। তেওঁ বাৰু কিয় ৰূপহীনগৰলৈ আহিছিল? অপমানৰ পোতক ল'বলৈ? মহাৰাজ ৰত্নসিংহক হত্যা কৰিবলৈ? ৰূপহীনগৰক নিঃশ্চিহ্ন কৰিবলৈ? নে ৰূপহীনগৰ অধিকাৰ কৰিবলৈ?

অজিতপালে বহু ভাবিও উত্তৰটো নাপালে।

তোৰণৰ সন্মুখৰ মুকলি ঠাইখিনিতে অজিতপাল ৰৈ থাকিল। ৰাতিপুৱাৰ পোহৰত তেওঁৰ চকু-মুখ পুৰিছিল। এবাৰ নিজৰ ঘোঁৰাবাগীখনত গৈ জিৰাব খুজিও তেওঁ ৰৈ গৈছিল। ঘোঁৰাবাগীখনত ৰূপহীনগৰৰ ৰাজভঁৰালৰ অমূল্য সম্পদখিনি বোজাই কৰি থোৱা আছে।

অকল অৱশ্যে এখন নহয়, তিনিখন ঘোঁৰাবাগীত মেটমৰা বোজাইলৈ অজিতপালে অৱশেষত আকৌ উভতনি যাত্ৰা আৰম্ভ কৰিলে। এইবাৰ যাত্ৰাৰ বিৰাম নাই , যিমানেই কম সময় লাগে সিমানেই মংগল।

কিন্তু.....

অজিতপাল আগে-আগে গৈছিল। ঘোঁৰাটোৰ গতি আছিল লেহেম। নগৰৰ চাৰিওফালে তেতিয়া মৃত্যশীতল নীৰৱতা। ভয়ত কঁপি আছিল নগৰবাসী। ৰাজপ্ৰাসাদৰ বিপৰ্য্যয়ৰ বাতৰি হয়তো সদৰি হৈছিল। অজিতপাল অৱশ্যে সাজু হৈ আছিল। কিন্তু নগৰৰ সীমালৈকে ক'তো বাধা নোপোৱা দেখি অজিতপালে ভিতৰি-ভিতৰি বেছ স্বস্তি অনুভৱ কৰিলে। নগৰৰ সীমা পাৰ হ'ল যেতিয়া ৰূপহীজানৰ কাষেৰে যোৱা পথেৰে এতিয়া তেওঁ এতিয়া বেছ নিৰাপদেই যাব পাৰিব। অজিতপালে ঘোঁৰাৰ গতি আৰু অলপ দ্ৰুত কৰিব ওলাইয়ো ৰৈ গ'ল। ৰ'বলৈ বাধ্য হ'ল।

নদীৰ পাৰৰ এই নিৰিবিলি নিজান ঠাইত এগৰাকী পাটগাভৰু নিৰ্ব্বিকাৰ চিত্তেৰে নদীৰ বৈ থকা জলৰাশিলৈ একান্তমনেৰে গছএজোপাৰ ছাঁত ঠিয় হৈ চাই

আছিল।

গাভৰু হয়তো আত্মবিভোৰ হৈ পৰিছিল। সেয়েহে একেলগে হঠাতে কেইবাটাও ঘোঁৰাৰ কদমৰ শব্দত গাভৰু যেন উচপ খাই উঠিল। নদীৰ গৰাৰ কাষৰ পৰা উঠি আহি ৰাজআলিৰ ঠিক সোঁমাজতে ৰৈ দিলে। তেনেকৈয়ে খন্তেক পৰ ৰৈ থাকিয়েই গাভৰু গৰাকীয়ে যেন সম্বিত ঘূৰাই পালে। আৰোহীকেইজনযে নিজৰ প্ৰিয়জন নহয় সেইয়া অনুভৱ কৰিয়েই গাভৰু গৰাকীয়ে দুখোজমান পিছুৱাই গৈ পিছত ভিৰাই লৰ মাৰিলে কাষৰ ঘৰটোলৈ।

কিন্তু ইতিমধ্যেই পলম হৈ গ'ল।

অজিতপালৰ দুচকুৰ দৃষ্টি গাভৰুৰ চেহেৰাটোত স্থিৰ হৈ ৰৈ গৈছিল। জপনা পাৰ হৈ ঘৰৰ ভিতৰলৈ সোমাই যোৱা গাভৰু গৰাকীৰ অপৰূপ ধুনীয়া মুখখনে তেওঁক পলকতে সন্মোহিত কৰি পেলালে।

'কোন এই সুন্দৰী?'

'নাজানো মহাৰাজ। বোধহয় এই ঘৰৰে জীয়ৰী।'

'ধুনীয়া। বৰ ধুনীয়া।'

'হয় মহাৰাজ। শোণিতপুৰৰ ৰাজকন্যাতকৈয়ো বেছি ধুনীয়া।'

কথাষাৰে অজিতপালক শেলে বিন্ধাদি বিন্ধিলে। তেওঁৰ মুখখনে ততালিকে বৰণ সলালে। হাতৰ মুঠিও টান হৈ আহিল।

'গাভৰুক লৈ আনক। এনেকুৱা ধুনীয়া লিগিৰী আৰু ক'তো নাপাম।'

**ম**ৰিশালীৰ নিৰ্জ্জনতাকো চেৰ পেলালে ৰূপহীনগৰৰ পৰিৱেশে। নগৰৰ কোনো এটা আলিবাটতে ক'তো এজনো পথিক নাই। ৰাজপ্ৰসাদত মাথো কান্দোনৰ ৰোল। দিনটোৰ শেষলৈ অৱশ্যে সি উচুপনিলৈ পৰিণত হৈ আহিল। নিশালৈ পৰিৱেশ আৰু বেছি নিমাওমাও হৈ আহিল। প্ৰাসাদটো মাথো চল্লিশজন সৈনিকে বেঢ়ি ধৰি ৰাখিলে। আৰু ৰণুৱা সৈনিকো নাই ক'তো।

পিছদিনাখন দুপৰীয়ালৈ পৰিৱেশ কিছু যেন সুস্থিৰ হ'ল। তথাপিও সকলোৰে অন্তৰত উৎকণ্ঠা আৰু চেপা উত্তেজনাৰ ভাৱ। কিন্তু আবেলিলৈ পৰিৱেশটো হঠাতে সলনি হৈ গ'ল। প্ৰথমে অৰ্জ্জুন আহি ওলাল লক্ষ্মীমন্দিৰলৈ নিয়া সৈন্যজাকলৈ। দলটো নগৰত প্ৰৱেশ কৰাৰ পিছতহে এজন দুজনকৈ নাগৰিক ভিৰ কৰিলে ৰাজপথত। গধূলিলৈ ৰাজকুমাৰ সূৰ্য্যসিংহও আহি ওলাল , লগত

নৱপৰিণীতা উত্তৰা। কুমাৰক দেখি প্ৰাসাদত আকৌ কান্দোনৰ ৰোল উঠিল।

কুমাৰো ম্ৰিয়মান হৈছিল। কিন্তু শোকত ভাগি পৰি কান্দিবলৈ সময় নাপালে। মহাৰাজ ৰত্নসিংহৰ সংকাৰ হোৱাৰ আগতেই কুমাৰৰো অভিষেক হৈ গ'ল। কুমাৰ এতিয়া অকল ৰাজকুমাৰ নহয়। তেওঁ এতিয়া মহাৰাজ সূৰ্য্যসিংহ।

পিছৰ সময়খিনি কেনেকৈ যে পাৰ হৈ গ'ল কুমাৰৰ খেয়ালেই নাথাকিল। দিনটোৰ ব্যস্ততাখিনি অতিক্ৰম কৰি গধূলিৰ আন্ধাৰ পোহৰৰ মায়াজালত নিজকে উটুৱাই দিব খুজিও থমকি ৰ'ব লগা হ'ল কুমাৰ। দিনটোৰ প্ৰথমবাৰৰ বাবেহে যেন কুমাৰ বাস্তৱৰ লগত মুখামুখি হ'ব লগা হ'ল। তেওঁৰ সন্মুখত তেতিয়া অৰ্জ্জুন , মাধৱনন্দন , প্ৰধান মন্ত্ৰী , আৰু দুজন সেনাপতি।

মন্ত্ৰণাকক্ষত তেতিয়া চেপা উত্তেজনাৰ ভাৱ।

' আমি নিশাতেই যাত্ৰা আৰম্ভ কৰিব লাগিব। আমাৰ পাচঁশ আৰু শোণিতপুৰৰ এহেজাৰ সৈন্য এই দুই মিলিত শক্তিৰ আগত অজিতপাল কোন কুটা ?'

' কিন্তু.......'

' কিন্তু কি মহাৰাজ ?'

' অজিতপাল পৰাক্ৰমী যুঁজাৰু। শক্তিশালীও।'

' আমিওতো ভীৰু নহয়।' অৰ্জ্জুনে মাত লগালে।

' আমাৰ হাতত এতিয়া ধন-সোণ একোৱেই নাই। সকলোৱেইতো এতিয়া অজিতপালৰ হাতত। কেনেকৈ যুঁজৰ খৰছ চম্ভালিব ? তদুপৰি অনৰ্থক ৰক্তক্ষয়ৰ প্ৰয়োজন আছে জানো ? যি লৈ গ'ল লৈ যাব দিয়ক। আমি আকৌ সম্পদ গুটাব পাৰিম।' সূৰ্য্যসিংহই আপোনমনে কৈ গ'ল।

অৰ্জ্জুন আৰু মাধৱনন্দনে আকৌ এবাৰ যুক্তি দৰ্শালে।

সূৰ্য্যসিংহ যেন নিৰ্ব্বিকাৰ , নিৰুদ্বেগ।

অৱশেষত মাধৱনন্দনে মাত লগালে ' বুজিলো বাৰু অনৰ্থক ৰক্তক্ষয়ৰ প্ৰয়োজন নাই। কিন্তু অজিতপালেতো অমাৰ্জ্জনীয় অপৰাধ কৰিছে।'

' যুদ্ধত ইজনে-ইজনক কটা-কটি কৰেই।'

' মই ৰক্তক্ষয়ৰ কথা কোৱা নাই।'

' কি কথা ?' সূৰ্য্যসিংহই কিছু আচৰিত হৈ সুধিলে।

' তেওঁ আমাৰ জীয়ৰী এগৰাকীকো বলেৰে লৈ গৈছে।' মাধৱনন্দনে

বহুবেলিৰ পিছত গহীনাই মাত দিলে।

‘ মাত্ৰ এগৰাকী?’

‘ এগৰাকী হ’লেও.....’

‘ যুদ্ধত অবলা স্ত্ৰীৰ ওপৰত বিজয়ীজনে অত্যাচাৰ কৰেই। অজিতপালে যদি সামান্য স্ত্ৰী এগৰাকীতে সন্তুষ্ট হৈছে তেন্তে হ’ব দিয়ক। কোনো ক্ষতি নাই।’ কথাষাৰ কৈয়েই সূৰ্য্যসিংহ বহাৰ পৰা উঠি গুছি গ’ল।

মন্ত্ৰণা কক্ষ আকৌ নিজান হৈ পৰিল।

সূৰ্য্যসিংহৰ অন্তৰখন কিন্তু উত্তাল হৈ ৰ’ল। কাৰোবাৰ সান্নিধ্য পাবৰ মন গৈছে এতিয়া। কিন্তু কাক সূৰ্য্যসিংহই ঠিৰাং কৰিব নোৱাৰিলে। নিজৰ কোঠাতে খৰকৈ পায়চাৰী কৰি থাকি তেওঁ যেন নিজকে বুজিবলৈ চেষ্টা কৰি চালে। তেওঁ বাৰু হঠাতে সলনি হৈ গ’ল নেকি?

মাথো কেইদিনমান আগলৈকে ৰূপহীনগৰৰ এগৰাকী ধুনীয়া মুখে তেওঁক সততে আমনি কৰিছিল। সেই ধুনীয়া মুখৰ গৰাকীকে চিৰজীৱনৰ লগৰী হিচাবে পাবলৈ মনেৰে কামনা কৰিছিল কুমাৰে। আনকি লক্ষ্মীমন্দিৰলৈ যাত্ৰাৰ সময়ছোৱাতো মনতো ইছাট-বিছাট কৰিছিল। কিন্তু লক্ষ্মীমন্দিৰৰ সেইদিনাৰ দুৰ্ঘটনাটোৱে সকলো নিমিষতে সলনি কৰি দিলে। লক্ষ্মীমন্দিৰৰ গৰ্ভগৃহৰ অন্ধকাৰ কুঠৰীত ৰাজকুমাৰী উত্তৰাক লগ পাওঁতে মনলৈ কোনো ভাৱান্তৰ অহা নাছিল। কিন্তু প্ৰথম প্ৰহৰৰ পিছতেই দৃশ্যপাট হঠাতে সলনি হৈ গ’ল। উত্তৰাৰ প্ৰতিটো বুদ্ধিদীপ্ত কথা, জ্ঞানৰ গৰিমাই তেওঁৰ অন্তৰলৈ এক নতুন ঢৌৰ লহৰ তুলিলে। তেওঁক এতিয়া উত্তৰাকো লাগে। আৰু লাগে সেই ৰূপাঞ্জলীকো। হয়তু জ্ঞানৰ গৰিমা নথকা ৰূপাঞ্জলীক অকল দুবাহুৰ মাজত ৰাখি থবলৈকে ভাল লাগিব। অন্ততঃ কোনোবা এটা মায়াবী নিশাৰ অন্ধকাৰত।

কোঠাটোলৈ কোনোবা এজন সোমাই অহা যেন লগাত সূৰ্য্যসিংহ পায়চাৰী কৰিব এৰি ঠাইতে ৰৈ গ’ল। হৰিনাৰায়ণক দেখি সূৰ্য্যসিংহই সকাহ পালে।

হৰিনাৰায়ণ নিচেই ওচৰ চাপি আহিল।

‘ কুমাৰ!’ হৰিনাৰায়ণে আগৰ সম্বোধনেৰেই মাতিলে।

‘ কৈ যোৱা।’

‘ মই নদী ঘাটলৈ গৈছিলো। চিত্ৰসেনৰ ঘৰলৈকো গৈছিলো।’

‘ নদীঘাট? চিত্ৰসেনৰ ঘৰলৈ? কিয়?’

' ৰূপাঞ্জলীৰ....'

' তাইকে আলধৰা কৰি আনিম বুলি ঠিক কৰিছো। কেনে হ'ব হৰিকাই?' কুমাৰে সুধিলে।

' কিন্তু....... ৰূপাঞ্জলীতো.....'

' ৰূপাঞ্জলী মান্তি হ'বই। চিত্ৰসেনকো মান্তি কৰাব পৰা যাব। নাযাবনে?'

হৰিনাৰায়ণে ততালিকে একো ক'ব নোৱাৰিলে। কুমাৰে হয়তো ৰূপাঞ্জলীৰ কথা একোকে নাজানে। অজিতপালৰ ৰাজকাৰেঙৰ ক'ৰবাত এচুকত বন্ধী হৈ আছে। হয়তো অজিতপালৰ শোৱনি কোঠাতে বন্দিনীহৈ আছে ৰূপাঞ্জলী!

হৰিনাৰায়ণে কওঁ-নকওঁকৈ অৱশেষত কৈ দিলে ৰূপাঞ্জলীৰ খবৰটো। হৰিনাৰায়ণে ভাবিছিল সূৰ্য্যসিংহ কান্ধোনত ভাগি পৰিব। হয়তো অজিতপালৰ লগত যুদ্ধৰ বাবেও সাজু হৈ উঠিব। কিন্তু হৰিনাৰায়ণক অবাক কৰি সূৰ্য্যসিংহই মাথো হুমুনিয়াহ এটাহে পেলালে।

' কুমাৰ!'

আকৌ এটা হুমনিয়াহ পেলাই সূৰ্য্যসিংহই এইবাৰ ক'লে 'প্ৰাগজ্যোতিষপুৰৰ কথা মনত আছেনে হৰিকাই? চিত্ৰাচল পাহাৰত মই জ্যোতিষবিদ্যা শিকিছিলো। আচাৰ্য্যদেৱে মোক কৈছিল অচিৰেই মোৰ হাতত ৰাজদণ্ডৰ ভাৰ পৰিব। পৰিল নহয় জানো? বিদূষী নাৰীৰত্নক পত্নীৰূপে পাম বুলি কৈছিল। সেইমতে উত্তৰাক লাভ কৰিলো চলে-বলে কৌশলে হ'লেও। কিন্তু আচাৰ্য্যদেৱে মোক যুদ্ধজয়ৰ কথা এবাৰো নক'লে। বৰঞ্চ শুক্ৰৰ দশা শেষ নোহোৱালৈকে যুদ্ধত প্ৰবৃত্ত হ'বলৈ বাধাই দিছিল আচাৰ্য্যই। মনত আছেনে তোমাৰ হৰিকাই? মোৰ হ'লে আছে।'

হৰিনাৰায়ণে উত্তৰ নিদিলে।

' তুমি এগৰাকী ৰূপহী আলধৰা লিগিৰীৰ যোগাৰ কৰা। এগৰাকী ধুনীয়া আলধৰা লিগিৰী আহিলেই তোমাক মুক্তি দিম।'

হৰিনাৰায়ণ কোঠাৰ পৰা ওলাই আহিল।

ৰাজপ্ৰাসাদতো এই প্ৰথম বাৰৰ বাবে প্ৰেতপুৰীযেন লাগিল হৰিনাৰায়ণৰ। হয়তো নিজৰ অস্তিত্ব ক্ৰমশঃ নাইকিয়া হৈ অহাৰ দৃশ্য নিজ চকুৰেই চাবৰ অকণো ইচ্ছা নগ'ল হৰিনাৰায়ণৰ।

মূৰটো তল কৰি হৰিনাৰায়ণ লাহে-লাহে খোজ দি বাহিৰলৈ ওলাই আহিল। ❖